
ছয়গাঁও মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ

# কলহী

## ছয়গাঁও মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ

**চতুৰ্দশ সংখ্যা**

১৯৯৮ - ৯৯ ইং বৰ্ষ

ESTD - 1974

প্ৰতি

শ্ৰদ্ধাৰে/মৰমেৰে

শ্ৰী ..............................

..............................

তত্ত্বাৱধায়িকা
*অধ্যাপিকা ড০ ইচমতুন নেচা*

সম্পাদক
*শ্ৰীজয়ন্ত দাস*

# ১৯৯৮-১৯৯৯ ইং বৰ্ষৰ চতুৰ্দশ সংখ্যা

## কলহীৰ সম্পাদনা সমিতি

| | |
|---|---|
| সভাপতি ঃ | শ্ৰীযুত অৰুণ চন্দ্ৰ শৰ্মা, অধ্যক্ষ |
| তত্ত্বাৱধায়িকা ঃ | ড° ইচমতুন নেচা, অধ্যাপিকা |
| সম্পাদক ঃ | শ্ৰীজয়ন্ত দাস |
| শিক্ষক সদস্য ঃ | শ্ৰীযুত নগেন কলিতা |
| | ড° অনুপমা ডেকা |
| | শ্ৰীযুত পৰেশ অধিকাৰী |
| ছাত্ৰ সদস্য ঃ | শ্ৰীতপন দাস |
| | শ্ৰীহেমেন দাস |
| | শ্ৰীৰুবুল দাস |
| | শ্ৰীহেমন্ত শালৈ |
| বেটুপাত অংকন ঃ | শ্ৰীদ্বীপজ্যোতি ডেকা |
| অংগসজ্জা ঃ | শ্ৰীজয়ন্ত দাস |
| | শ্ৰীবিপুল কুমাৰ দাস |
| স্কেচ ঃ | শ্ৰীলোহিত ৰাজবংশী |
| ডিটিপি চেটিং ঃ | শ্ৰীনীৰেন শৰ্মা |
| ছপা ঃ | চণ্ডিকা অফ্‌ছেট, ছয়গাঁও, |
| | কামৰূপ, পিন - ৭৮১১২৪ |


শ্ৰীযুত অৰুণ চন্দ্ৰ শৰ্মা


ড° ইচমতুন নেচা


শ্ৰীজয়ন্ত দাস


শ্ৰীযুত নগেন কলিতা


ড° অনুপমা ডেকা


শ্ৰীযুত পৰেশ অধিকাৰী


শ্ৰীতপন দাস


শ্ৰীহেমেন দাস


শ্ৰীৰুবুল দাস


শ্ৰীহেমন্ত শালৈ

# উছৰ্গা



ঁ কাজিৰাম দাস

*জন্ম ঃ*

*মৃত্যু ঃ ৩ জুন, ১৯৯১ ইং চন*



ঁ মহেন্দ্র দাস

*জন্ম ঃ ২ ফেব্ৰুৱাৰী, ১৯৮০ ইং চন*

*মৃত্যু ঃ ১৬ জুলাই, ১৯৯৯ ইং চন*



ঁ নিৰুপমা দাস

*জন্ম ঃ*

*মৃত্যু ঃ ২৯ মে', ১৯৯৯ ইং চন*

আমাৰ কাৰ্যকালছোৱাত অকাল মৃত্যুক সাৱটি লোৱা মহাবিদ্যালয়ৰ স্নাতক ২য় বাৰ্ষিকৰ ছাত্ৰী **নিৰুপমা দাস**, উঃ মাঃ ২য় বাৰ্ষিকৰ ছাত্ৰ **মহেন্দ্ৰ দাস** আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী **কাজিৰাম দাস**ৰ আত্মাৰ চিৰশান্তি কামনা কৰি তেওঁলোকৰ পৱিত্ৰ স্মৃতিত এই সংখ্যা কলহী উছৰ্গা কৰা হ'ল।

- সম্পাদনা সমিতি

# শ্ৰদ্ধাঞ্জলী

*বিগত কিছুদিনত অসমৰ সাহিত্য-সাংস্কৃতিক ক্ষেত্ৰখনৰ বহুকেইগৰাকী পুৰোধা ব্যক্তিয়ে সংসাৰৰ মায়া ত্যাগ কৰি চিৰদিনৰ বাবে আমাৰ মাজৰ পৰা আঁতৰি গ'ল। এইসকল ব্যক্তিৰ মহাপ্ৰয়াণত আমাৰ যি অপূৰণীয় ক্ষতি হ'ল তাক কলমেৰে বৰ্ণনা কৰিবলৈ যথাৰ্থতে আমি অপাৰগ। এইসকল ব্যক্তিৰ ভিতৰত ড°* **বাণীকান্ত কাকতিদেৱৰ** *পিচতে অসমীয়া ভাষা-সাহিত্যৰ এগৰাকী কাণ্ডাৰী, পণ্ডিত, গৱেষক, সাহিত্যিক* **ড° সত্যেন্দ্ৰ নাথ শৰ্মা**, *সাহিত্যিক, উপন্যাসিক, বুদ্ধিজীৱি* **যোগেশ দাস**, *ছয়গাঁৱৰ গৌৰৱ, সংস্কৃতিৰ একান্ত সাধক* **মাখন দেৱান**, *শিল্পী* **ধীৰু ভূঞা** *আৰু* **ক্ষীৰোদা বিষয়া** *আৰু যাদু সম্ৰাট* **এম, হুছেইন** *অন্যতম। এখেত সকললৈ আমাৰ শ্ৰদ্ধাৰ অঞ্জলি নিবেদিছোঁ। লগতে দেশ-মাতৃৰ অখণ্ডতা আৰু সাৰ্বভৌমত্ব ৰক্ষাৰ স্বাৰ্থত প্ৰাণাহুতি দিয়া কাৰগিল যুদ্ধৰ* **বীৰ সেনানী সকল** *আৰু মহাবিদ্যালয়খনি প্ৰতিষ্ঠাৰ স'তে জড়িত* **পৰলোকগত মহান ব্যক্তি সকললৈ** *আমাৰ শ্ৰদ্ধাঞ্জলী নিবেদিছোঁ।*

**- সম্পাদনা সমিতি -**

# কৃতজ্ঞতা স্বীকাৰ

এই সংখ্যা কলহী প্ৰকাশৰ ক্ষেত্ৰত সকলো প্ৰকাৰে সহায়-সহযোগিতা আগবঢ়োৱা এই সকল ব্যক্তিলৈ মোৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছোঁ- অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ দপ্তৰৰ মাননীয় মন্ত্ৰী তথা মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ডাঃ কমলা কলিতাদেৱ, অধ্যক্ষ শ্ৰীযুত অৰুণ চন্দ্ৰ শৰ্মা, অধ্যাপিকা ড° ইচমতুন নেচা, অধ্যাপক শ্ৰীযুত নগেন কলিতা, অধ্যাপিকা ড° অনুপমা ডেকা, অধ্যাপক শ্ৰীযুত পৰেশ অধিকাৰী, অধ্যাপক শ্ৰীযুত ভূষণ কলিতা, উচ্চবৰ্গৰ সহায়ক শ্ৰীযুত সত্যৰাম দাস আৰু কণক কলিতা, অগ্ৰজপ্ৰতীম বন্ধু-বান্ধৱী তপন দাস, নয়ন মালী, মুকুটজ্যোতি চৌধুৰী, কিশোৰ পাঠক, বিপুল দাস, অজিত দাস, ভূপেন দাস, অনন্ত দাস, পাৰুল ঠাকুৰীয়া, বন্ধু-বান্ধৱী হেমন্ত শালৈ, হেমেন দাস, ৰুবুল দাস, বিনোদ কলিতা, প্ৰশান্ত দাস, পংকজ দাস, প্ৰগতি দেৱান, ভৱ কলিতা, ববিতা চৌধুৰী, টুলুমণি চৌধুৰী, ভাস্বতী কলিতা, মনবীনী দাস, গীতুমণি দাস, দিলদাৰ আহমেদ, ফৰজুল কৰিম আহমেদ, পুলিন শৰ্মা, কণিকা গোস্বামী, ডেইজী কলিতা, ৰাজীৱ দেৱান, মুনীন্দ্ৰ দাস, কন্দৰ্প কলিতা, হিতেশ ঠাকুৰীয়া, ৰূপম তালুকদাৰ, ভূপাল সাহা, জুৰি শৰ্মা, মমী কলিতা, ৰমেশ পণ্ডিত, বিপুল নাথ, মীনাক্ষী নাথ, অৰূপ, মানৱ, প্ৰণৱ, জান, জুৰি, নিজৰা, টুটু, ৰাজু শৰ্মা, মণ্টু দাস, মৃণালিনী কলিতা, হিজুমণি কলিতা, মৃণাল কলিতা, জ্যোতিশংকৰ শালৈ, পংকজজ্যোতি শালৈ, অৰূপ শালৈ, প্ৰশান্ত কলিতা, হেমেন্দ্ৰ কলিতা, ৰণজিৎ কলিতা, নয়নমণি কলিতা, মুনীন্দ্ৰ কলিতা, বিনোদ মেধি, মণিষা চৌধুৰী, শিল্পী সাহা, চম্পা কলিতা, চুমোলতা দাস, মালবিকা কলিতা, বিশ্ব সাউদ, ৰিদ্ধী কলিতাৰ লগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, সন্মানীয় অধ্যাপক-অধ্যাপিকা তথা কৰ্মচাৰীবৃন্দ, চণ্ডিকা অফছেট প্ৰেছৰ স্বত্বধিকাৰী শ্ৰীবিপুল কুমাৰ দাস আৰু কৰ্মচাৰীবৃন্দ তথা এই সংখ্যা কলহীৰ সমূহ লেখক-লেখিকাবৃন্দ।

**- সম্পাদক -**

**'কলহী'**

**প্ৰফুল্ল কুমাৰ মহন্ত**
মুখ্যমন্ত্ৰী, অসম
দিশপুৰ, গুৱাহাটী - ৭৮১০০৬

सत्यमेव जयते



## শুভেচ্ছা বাণী

ছয়গাঁও মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'কলহী'ৰ চতুৰ্দশ সংখ্যা প্ৰকাশৰ যো-জা চলোৱা বুলি জানিব পাৰি সুখী হৈছো। মহাবিদ্যালয় এখনৰ বাৰ্ষিক মুখপত্ৰ এখনিয়ে কেৱল মহাবিদ্যালয়ৰ সাহিত্যানুৰাগী ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশতহে যে সহায় কৰে এনে নহয় বৰং ই আগ্ৰহীজনক মহাবিদ্যালয়খন সন্দৰ্ভত এক শুদ্ধ ধাৰণা গ্ৰহণ কৰাতো সহায় কৰে।

সম্পাদক আৰু সম্পাদনা সমিতিৰ আন্তৰিক প্ৰয়াসত চতুৰ্দশ সংখ্যা 'কলহী' সৰ্বাঙ্গ সুন্দৰ আৰু আকৰ্ষণীয় ৰূপত প্ৰকাশ পাব বুলি আশা কৰিছো। পাঠক সমাজে কলহীক আদৰি লওক- এই কামনাৰে।

দিশপুৰ
আগষ্ট ৭, ১৯৯৯

স্বাক্ষৰ
(প্ৰফুল্ল কুমাৰ মহন্ত)

**ডাঃ কমলা কলিতা**
স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী, অসম
দিশপুৰ, গুৱাহাটী - ৭৮১০০৬

সত্যমেৱজযতে

ফোন ঃ ৫৬০৫০৩ (কাৰ্যালয়)
৫৬২৯৮৭ (বাসভৱন)
৮১২৬৮ (ছয়গাঁও)



## শুভেচ্ছা বাণী

ছয়গাঁও মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'কলহী'ৰ চতুৰ্দশ সংখ্যা প্ৰকাশ কৰিবলৈ লোৱা বুলি জানি সুখী হৈছো। মহাবিদ্যালয় এখনৰ বাৰ্ষিক মুখপত্ৰখনিয়ে ছাত্ৰ-ছাত্ৰী সকলক সাহিত্য চৰ্চাৰ ক্ষেত্ৰত প্ৰেৰণা যোগোৱাৰ উপৰিও ই মহাবিদ্যালয়খনৰ সম্পৰ্কে এক সম্যক ধাৰণা দিব পাৰে।

সম্পাদনা সমিতিৰ আন্তৰিক প্ৰচেষ্টাত প্ৰকাশ পাবলগীয়া 'কলহী' সৰ্বাঙ্গ সুন্দৰ ৰূপত প্ৰকাশ হওক আৰু ৰাইজেও কলহীক অধিক আগ্ৰহেৰে আদৰি লওক- তাৰেই কামনাৰে।

স্বাক্ষৰ
**(ডাঃ কমলা কলিতা)**

সম্পাদকীয়

**প্ৰবন্ধ**

মনবীনী দাস — অসমীয়া সমাজক একত্ৰীকৰণ কৰাত শ্ৰীমন্ত শংকৰদেৱৰ অৱদান / ১-২
মনীষা চৌধুৰী — হেলিৰ অনুসন্ধিৎসা, হুকৰ নীৰৱতা আৰু নিউটনৰ প্ৰিন্সিপিয়া / ৩
দি.কে. গোস্বামী — কৃষি, পঞ্চবাৰ্ষিক পৰিকল্পনা আৰু অসম, এটি ৰেঙণি / ৪-৬
গীতুমণি দাস — বিজ্ঞানৰ অভিশাপ- হিৰোশ্বিমা / ৭-৮
বসন্ত ৰয় — সমাজ গঠনত "ৰাষ্ট্ৰীয় সেৱা আঁচনি"ৰ ভূমিকা / ৯-১১

**ৰম্য ৰচনা**

মামণি ৰাজবংশী — প্ৰশংসা / ১২-১৩

**কবিতা**

মৰমী ৰাভা, ৰুবুল দাস — অসমী আইৰ বুকুতো জুই/সপোন / ১৪
হলধৰ ৰাজবংশী, ববিতা চৌধুৰী — কবিতা/অপেক্ষা / ১৫
সঞ্জীৱ ঠাকুৰীয়া, পল্লৱী দাস — এই বাটেদিয়ে/ ক\'লামেঘ / ১৬
নিতেন্দ্ৰ কলিতা, চুমিতা কলিতা — ফাগুনত যৌৱনবোৰ/শীতৰ সেমেকা ৰাতি / ১৭
মণিকা চৌধুৰী, কমল দাস — স্মৃতিৰ জুইয়ে মোৰ/অজানিতে / ১৮

**গল্প**

মৃদুল কলিতা — আশাৰ জ্যোতি / ১৯-২১
তপন দাস — মুক্তি / ২২-২৩
দিলীপ বনিয়া — পৰিৱৰ্তন / ২৪-২৬
হীৰেণ সাউদ — প্ৰতাৰণা / ২৭-২৮
উপেন চন্দ্ৰ শৰ্মা — চাকনৈয়া / ২৯-৩০

**সাক্ষাৎকাৰ**

জয়ন্ত দাস, তপন দাস — ড° মামণি ৰয়ছম গোস্বামীৰ স\'তে এখন্তেক / ৩১

তত্বাৱধায়িকাৰ দুৱাৰ / ৩২

১৯৯৮-৯৯ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলৰ প্ৰতিবেদন / ৩৩-৪৫

মহাবিদ্যালয়ৰ বিভিন্ন আলোক চিত্ৰ-

১৯৯৮-৯৯ ইং বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল সমূহ / ৪৬-৫৩



# সম্পাদকৰ কলমৰ পৰা



সম্পাদকীয়ৰ আৰম্ভণিতে ছয়গাঁও মহাবিদ্যালয়ৰ ১৯৯৮-৯৯ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত "আলোচনী আৰু সাহিত্য চ'ৰা বিভাগৰ সম্পাদক" হিচাপে অনাকাংক্ষিত ভাৱে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰি আজি সম্পাদকীয় লিখাৰ সুবিধাৰ দিয়াৰ বাবে ছয়গাঁও মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক শুভ ইচ্ছা জ্ঞাপন কৰিছোঁ।

**যুৱ-ছাত্ৰৰ প্ৰসংগত ঃ**

আজিৰ অসমৰ বহু চৰ্চিত বিষয় হ'ল যুৱ মানসিকতা। ড° হীৰেণ গোহাঁইৰ কথাৰে ক'ব পাৰি "যুৱ মানসিকতা আকাশৰ পৰা নপৰে; কেউপিনে আদৰ্শৰ বিকৃতি আৰু বিচ্যুতি" বৰ্তমান বাতৰি কাকত, আলোচনী এনেকি ইলেক্ট্ৰনিক মাধ্যম সমূহেও অগ্ৰাধিকাৰ দি বিভি দৃষ্টিকোণৰ পৰা ইয়াক আলোচনা কৰিছে। বৌদ্ধিক জগতৰ প্ৰায় প্ৰতিজন ব্যক্তিয়ে এই সম্পৰ্ক মত বিনিময় কৰিছে। সঁচাকৈয়ে আমাৰ যুৱ মানসিকতা এতিয়া স্খলিত, অধঃপতিত, অব তথা উচ্ছৃংখল। কিন্তু ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ এই ক্ষেত্ৰত অভিভাৱক, শিক্ষক, যুৱছা বুদ্ধিজীৱি তথা সমাজৰ ভূমিকা হ'ব তাৎপৰ্যপূৰ্ণ। লগতে মনত ৰাখিব লাগিব যে সমাজ জীৱনৰ দুৰ্বিসহ পৰিস্থিতি তথা কঠোৰ বাস্তৱতাত যুৱ-ছাত্ৰৰ মাজত যি ধৰণে অধ্যয়ন স্পৃহা কমি গৈছে, তাক আমি বঢ়াব লাগিব। প্ৰকৃত অধ্যয়নৰ দ্বাৰাহে "প্ৰ'গ্ৰেচিভ মাইণ্ডৰ সৃষ্টি সম্ভৱ এই ক্ষেত্ৰত চৰকাৰে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণৰ সৃষ্টিত আগভাগ ল'ব লাগিব। আমিও নিশ্চয়কৈ সহযোগিতাত হাত আগবঢ়াব লাগিব। তেতিয়াহে এটা সুস্থিৰ মানসিকতা আমাৰ মাজত গঢ়ি উঠিব বুলি আমি আশা কৰিব পাৰোঁ।

**ন-প্ৰভাতী প্ৰসংগত ঃ**

মোৰ কাৰ্যকালৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ "বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ"ত মোৰ বিভাগৰ প্ৰতিযোগিতা সমূহ অনুষ্ঠিত কৰা হয়। বঁটা বিতৰণী অনুষ্ঠানত মোৰ বিভাগৰ বঁটা সমূহ বিতৰণ কৰে কটন মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক মাননীয় ড° ৰমেশ পাঠক দেৱে। এই চেগতে তেখেতলৈ আন্তৰিক শ্ৰদ্ধা তথা কৃতজ্ঞতা জনালোঁ। আমাৰ মহাবিদ্যালয়ৰ সাহিত্য চৰ্চাৰ আন এটি মাধ্যম হৈছে প্ৰাচীৰ পত্ৰিকা ন-প্ৰভাতী, ইয়াৰ মাধ্যমেৰে সাহিত্য চৰ্চাৰ প্ৰতিভা বিকাশ হয়। মোৰ কাৰ্যকালত ন-প্ৰভাতীৰ দুটা সংখ্যা জাক-জমকতাৰে প্ৰকাশ কৰা হয়। ইয়াৰ প্ৰথম সংখ্যা উন্মোচন কৰা হয় "মহাবিদ্যালয় সপ্তাহ"ত আৰু দ্বিতীয় সংখ্যাটো উন্মোচন কৰা হয় "মহাবিদ্যালয়ৰ বাৰ্ষিক অধিৱেশন"ৰ নৱাগত আদৰণি সভাত। সংখ্যা দু

উন্মোচন কৰে ক্ৰমে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য মাননীয় ড° হীৰালাল দুৱৰাদেৱে আৰু ছয়গাঁও ৰাজহ চক্ৰৰ চক্ৰ বিষয়া মাননীয় শ্ৰীযুত কিশোৰ ঠাকুৰীয়া দেৱে। এই চেগতে তেখেত সকললৈ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাইছোঁ। মোৰ কাৰ্যকালত মহাবিদ্যালয় সপ্তাহত চাৰুকলা প্ৰদৰ্শনী উদ্বোধন কৰা আমাৰ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্যা শ্ৰীমতী অঞ্জলী কাকতী বাইদেউলৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাইছোঁ।

কলহী প্ৰসঙ্গত ঃ

সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত অসমৰ শিক্ষাৰ্থী সমাজে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। আসমীয়া সাহিত্যৰ ইতিহাসেই ইয়াৰ সত্যতা প্ৰমাণ কৰে। শিক্ষানুষ্ঠান এখনৰ আলোচনী এখন ছাত্ৰ ছাত্ৰীৰ মৌলিক চিন্তা-চৰ্চাৰ কঠিয়াতলি। ইয়াৰ পৰাই সাহিত্যৰ বহল পথাৰ খনলৈ তেওঁলোকৰ উত্তৰণ ঘটে। আমাৰ মহাবিদ্যালয়ৰ আলোচনী "কলহী" ও ইয়াৰ ব্যতিক্ৰম নহয়। ইয়াতেই নিজৰ বৌদ্ধিক প্ৰতিফলন ঘটায় অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনৰ দুৱাৰদলি গচকা চৰ্চাকাৰীও আমাৰ এই অঞ্চলতেই আছে। আমি জানো যে একান্ত অধ্যাৱসায়ৰ লগতে ধাৰাবাহিক চৰ্চা নহ'লে একমাত্ৰ জন্মগত সাহিত্য প্ৰতিভাৰ বলতে সাহিত্য জগতত প্ৰতিষ্ঠিত হোৱাতো দুৰূহ কাম। আমাৰ চৰ্চাকাৰী সকলেও ("কলহী" লৈ লেখনি পঠোৱা সকলো চৰ্চাকাৰী) নিজৰ লেখনিয়ে ছপা আখৰৰ মুখ দেখা নেদেখালে লক্ষ্য নকৰি অবিৰত ভাবে চৰ্চাত লাগি থকা উচিত। মানবিশিষ্ট গ্ৰন্থাদিৰ অধ্যয়ন তথা অনুকৰণে এনে চৰ্চাত গধুৰ কৰি তুলিব।

আমাৰ মহাবিদ্যালয়খনে ৰূপালী জয়ন্তী বৰ্ষত ভৰি দিছে আৰু "ত্ৰয়োদশ সংখ্যা" কলহীৰ মুখ দেখিছে। এইটো 'কলহী'ৰ চতুৰ্দশ সংখ্যা। আমি আশা ৰাখিম এই সংখ্যা 'কলহী'য়ে শিক্ষাৰ্থী সমাজৰ লগতে অন্যান্য শ্ৰেণীৰ লোককো চিন্তাৰ খোৰাক যোগাব। সীমিত পুঁজিৰ বাবে ইয়াৰ কলেৱৰ তাকৰিয়া কৰিবলগীয়া হ'ল। একমাত্ৰ পুঁজিৰ নাটনি নহ'লে আৰু কিছু শিক্ষাৰ্থী লেখনিয়ে 'কলহী'ক সমৃদ্ধ কৰিলেহেঁতেন। কিন্তু ইয়াৰ অন্যথাও যে নাই। আমি তাৰবাবে ক্ষমা প্ৰাৰ্থী। সময়মতে লেখনি আহি নোপোৱাৰ পৰিপ্ৰেক্ষিতত কলহী প্ৰকাশৰ ক্ষেত্ৰত যথেষ্ট পলম হোৱা আৰু সম্পাদনাৰ দোষ-ত্ৰুটি সকলো শিৰ পাতি লৈছোঁ। ধন্যবাদেৰে-

জয়তু ছয়গাঁও মহাবিদ্যালয়।

**শ্ৰীজয়ন্ত দাস**

প্ৰবন্ধ

# অসমীয়া সমাজক একত্ৰীকৰণ কৰাত শ্ৰীমন্ত শংকৰদেৱৰ অৱদান



✍ মিচ্ মনবীনী দাস

খৃষ্টান আৰু ইছলাম ধৰ্মৰ দৰে সনাতন হিন্দু ধৰ্মতো দিষ্ট সাধন মাৰ্গৰ নিৰ্মল ব্যৱস্থা থকা সত্বেও শাক্ত, শৈৱ, ণপত্য,সৌৰ আৰু বৈষ্ণৱ মাৰ্গৰ সৃষ্টি হোৱাত মধ্যযুগৰ াৰতবৰ্ষৰ ধৰ্মীয়, সামাজিক আৰু সাংস্কৃতিক পথাৰখনত প্ৰৱল পৰ্যয়ে দেখা দিছিল। বিভিন্ন জাতি-সম্প্ৰদায়ৰ মাজত নানান ৰ্মীয় আচাৰ-নীতিৰ অৱিয়া-অৱিয়ে অসমৰ সমাজখন বিচ্ছিন্ন ৰিলে। অবিশ্বাস আৰু আতংকই অসমৰ সামাজিক জীৱন এক প্ৰহেলিকাময় কৰি তুলিলে। আৰু এনে এক যুগসন্ধিতেই ৃতপ্ৰায় সমাজখনক সঞ্জীৱিত কৰি তুলিবৰ বাবে অসমবাসীৰ মাজত এজন সত্যদ্ৰষ্টা মহান মনীষী, মহাজাতীয়তাৰ পুৰুধা ব্যক্তি শ্ৰীশ্ৰীশংকৰদেৱৰ আবিৰ্ভাৱ হয়।

অসমীয়া সমাজক এখন 'সমাজ' হিচাপে গঢ়ি তোলাত শংকৰদেৱে এনে কিছুমান দিশ সাঙুৰি লৈছিল যাৰ অবিহনে এখন সমাজৰ কল্পনাই কৰিব নোৱাৰি। প্ৰকৃতাৰ্থত 'সমাজ' শব্দটোৱে সাম্য, সৌম্য, সমতা, সভ্যতা, সংস্কৃতি, সংহতি, সমন্বয় আদি সকলো দিশকেই সামৰি লয়। ইয়াৰ অবিহনে এখন সমাজক সুস্থ সমাজ হিচাপে আখ্যা দিব পৰা নাযায়। গুৰুজনাই এইকেইটা বৈশিষ্ট্যৰে সমৃদ্ধ এখন ঐক্যবদ্ধ সমাজ আমাক দি থৈ গৈছে। বিভিন্ন ধৰ্মৰ, বিভিন্ন জাতিৰ, বিভিন্ন সম্প্ৰদায়ৰ বোৱতি সুঁতিয়েহে এখন বিশাল সমাজৰ গতিধাৰা নিৰূপণ কৰে। শংকৰদেৱেও অসমত গঠন কৰি থৈ গৈছে জাতি, ধৰ্ম, বৰ্ণ-ভাষা নিৰপেক্ষ এখন সমাজ য'ত হিন্দু নাই, মুছলমান নাই, খৃষ্টান নাই, আছে মাথোঁ- "অসমীয়া"।

'ভাষা' সমাজৰ অন্যতম এটা মৌলিক উপাদান। শংকৰদেৱে সমাজখনক একত্ৰীকৰণ কৰাৰ উদ্দেশ্যেৰেই সহজ আৰু সকলোৰে বোধগম্য অথচ সাৱলীল, সুন্দৰ, শুৱলা 'ব্ৰজবলী' ভাষাৰ সৃষ্টি কৰিলে আৰু সেই ভাষাতেই সাহিত্য ৰচিলে যাক ভাৰতৰ আন ৰাজ্যৰ লোকেও সহজে বুজিব পাৰে। 'কীৰ্ত্তন ঘোষা' শংকৰদেৱৰ জীৱনৰ কীৰ্ত্তিস্তম্ভ স্বৰূপ। যিয়ে মানুহৰ মন কৰি তুলিব পাৰে আনন্দময়, মধুময়।

সমাজ সংগঠনৰ আন এটা অবিচ্ছেদ্য উপাদান সাহিত্যৰ ক্ষেত্ৰত শংকৰদেৱৰ অৱদান অতুলনীয়। শংকৰদেৱৰ ধৰ্মবিপ্লৱ সফল হোৱাৰ মূলতে আছিল তেওঁৰ অমৰ লিখনিসমূহ। কীৰ্ত্তন, দশম, গুণমালা, ভাগৱত, কেইবাখনো অংকীয়া নাট আৰু বহুতো পুথি তেওঁ ৰচনা কৰিছিল। ইয়াৰ উপৰিও বৰগীত সমূহো তেওঁৰ সাহিত্যৰে অংগ। শংকৰদেৱৰ এই ধৰ্মীয় সাহিত্যসমূহে পৰৱৰ্তী অসমীয়া সাহিত্যৰ বেদীত "সাত খলপীয়া সোণৰ সিংহাসন" প্ৰতিষ্ঠা কৰিলে। অসমীয়া ভাষা সাহিত্যৰ সৃষ্টি কৰি গুৰুজনে অসমীয়া জাতিটোৰে প্ৰাণ সঞ্চাৰ কৰিলে।

শংকৰদেৱৰ আগতে এনে গুণাৱলীযুক্ত সমাজ এখন অসমত থকাৰ প্ৰমাণ পোৱা নাযায়। ইয়াৰ কাৰণ বিভিন্ন জাতি, বিভিন্ন ধৰ্মৰ খামখেয়ালি আঁতৰাই সকলোকে ঐক্যবদ্ধ কৰিব পৰা এজন দক্ষ পথ প্ৰদৰ্শকৰ অভাৱ আছিল। কিন্তু শংকৰদেৱে তেতিয়া অসমক এই সংকটৰ পৰা বচাবলৈ "এক শৰণ হৰি নাম-ধৰ্মক" অৱলম্বন কৰি আগবাঢ়ি আহিছিল আৰু এই প্ৰসংগতে ড০ মহেশ্বৰ নেওগৰ এটি স্মৰণীয় মন্তব্য যে ভাৰতত নৱবৈষ্ণৱ ধৰ্ম নামৰ বিশ্বজনীন তথা নব্যভাৰতীয় আন্দোলনৰ লগত শংকৰদেৱে অসমক সংযোগ নকৰা হ'লে চাৰিওফালে জোপ লৈ থকা বিভেদকামী শক্তিবোৰে অসমক গ্ৰাস কৰিলেহেঁতেন।

কিন্তু ইয়াৰ দ্বাৰা এই কথা প্ৰকাশ কৰিব বিচৰা নাই যে অসমত শংকৰদেৱৰ আগতে সমাজবোধৰ আৱশ্যকীয় উপাদানৰ অভাৱ আছিল বা অসমত সৰ্বভাৰতীয় জাতীয় চৈতন্যৰ সন্ধান পোৱা মনীষীৰ অভাৱ আছিল। কিন্তু শংকৰদেৱৰ দৰে বহুমুখী প্ৰতিভাৰ স্বাক্ষৰ সম্বলিত ব্যক্তিত্বৰ অধিকাৰী লোকৰ অভাৱ ভাৰতত বাৰুকৈয়ে অনুভূত হৈছিল আৰু তেনে ব্যক্তিত্বৰ অবিহনে অসমৰ সাহিত্য-সাংস্কৃতিক উপাদানবোৰে কোনো ৰূপ নাপাইছিল। মহাপুৰুষজনাই বুজি পাইছিল যে এখন নৱজীৱনপ্ৰাপ্ত সমাজক স্থিতাৱস্থাত ৰাখিবলৈ, সমাজৰ লোকসকলক ঐক্যবদ্ধ কৰিবলৈ কেৱল ধৰ্মবাণীয়েই যথেষ্ট নহয়। সেই কাৰণে তেওঁ অসমীয়া সমাজক "বৰগীত" দি থৈ গৈছে। তাৰোপৰি তেৰাই কলা-সংস্কৃতিৰ অপূৰ্ব নিদৰ্শন 'ভাওনা' অসমীয়া সমাজক দি গ'ল। তেৰাৰ কৃষ্টি সংস্কৃতিৰ শ্ৰেষ্ঠ নিদৰ্শন 'চিহ্নযাত্ৰা' নাট। ইয়াৰ পিচত তেৰাই পাৰিজাত হৰণ, ৰাম-বিজয় আদি নাট-ভাওনা কৰি গ'ল। ভাওনাৰ উদ্দেশ্য আছিল- লোক সংগ্ৰহ, লোক স্থিতি আৰু লোকৰঞ্জন। অভিনয়ৰ যোগেদি দৰ্শকক লৈ গৈছিল বেলেগ এখন ভাব ৰাজ্যলৈ, দৰ্শকে পাহৰিছিল ক্ষুধা-তৃষ্ণা, শোক-তাপ।

এইদৰে মহাপুৰুষজনাই গীত, নৃত্য, বাদ্য আৰু অভিনয়ৰ যোগেদি সৃষ্টি কৰিলে এক নতুন সংস্কৃতি। সেয়েই হ'ল শংকৰী সংস্কৃতি আৰু সেয়ে অসমীয়া সংস্কৃতি। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই সংস্কৃতিৰ সুকীয়াৰূপ দিওতা শংকৰদেৱক বুজিবলৈ নিৰ্দেশ দিছে। আৰু শংকৰদেৱে দি যোৱা সংস্কৃতিৰ তেওঁ নাম দিছে 'কৃষ্ণ সংস্কৃতি'। সংস্কৃতিৰ দ্বাৰাই শংকৰদেৱে জনসাধাৰণক এক কৰাত বহুতো অৱদান আছে।

তাৰোপৰি শংকৰদেৱে অসমীয়া সমাজক একত্ৰীকৰণৰ ক্ষেত্ৰত আন এক অমূল্য অৱদান দি গৈছে সেয়া হ'ল- 'নামঘৰ'। আমি সকলো একে ঈশ্বৰৰ সন্তান, সেয়ে গুৰুজনাই নামঘৰৰ দুৱাৰ আটাইৰে বাবে মুক্ত ৰাখিছে। ভগৱানক উপাসনা কৰাৰ অধিকাৰ সকলোৰে আছে আৰু নামঘৰত সকলোৰে সমান অধিকাৰ পাব। বৰ্তমানো আমাৰ সমাজত হাই-কাজিয়া, মতানৈক্যৰ বিচাৰ নামঘৰত হয়। পাৰিবাৰিক ভেদভাৱ পাহৰি আটায়ে একেলগে নামঘৰতে ভাগৱত চৰ্চা কৰে আৰু নামঘৰতেই নিঃশেষ হয় পৰস্পৰৰ বিৰূপ মনোভাৱ।

বহুতো যন্ত্ৰণা, অত্যাচাৰৰ সন্মুখীন হৈও গুৰুজনাই তেৰাৰ সাম্যবাণী প্ৰচাৰ কৰি গ'ল- 'কুকুৰ, শৃগাল ............' গুৰুজনাৰ পৰা এইখিনি স্বীকৃতি পাই কান্দি উঠিছিল সেই সময়ৰ পদদলিত, দুখীয়া, খাটি খোৱা চহা অসমীয়া সমাজখন ইমানখিনি সুখ, অধিকাৰ জানো আমিও পাব পাৰো? "নিশ্চয় পাৰো"। শংকৰদেৱ গুৰুজনাই দি গৈছে তেওঁলোকক জীৱন যাত্ৰাৰ, ধৰ্মচৰ্চাৰ, সংস্কৃতি চৰ্চাৰ সম অধিকাৰ।

এইদৰে সকলোখিনি উপাদানেৰে শংকৰ গুৰুৱে অসমীয়া জাতিক একতাৰ এনাজৰীৰে বান্ধি থৈ গৈছে। আজি প্ৰতিজন অসমীয়াই প্ৰতি খোজতে অনুভৱ কৰিছে এই বান্ধোনৰ তৃপ্তি, দৃঢ়তা। মহামানৱ মহাত্মা গান্ধীয়ে অস্পৃশ্যতা বৰ্জনৰ বাবে যি আন্দোলন চলাইছিল, সেয়া শংকৰদেৱে আজিৰ পৰা ৫০০ বছৰ আগেয়ে সমাজৰ পৰা দূৰ কৰাৰ চেষ্টা কৰিছিল।

ইয়াৰ উপৰিও এইজনা মহাপুৰুষে মানৱ সমাজলৈ আনি দিছিল এক গণতান্ত্ৰিক চিন্তাধাৰা আৰু বিচাৰ পদ্ধতিৰ প্ৰমূল্য। অপাৰ সংস্কৃত সাগৰ মথি নিজ মাতৃভাষাত ধৰ্মৰ অমৃত বিলাই দিয়াটো তেওঁৰ গণতন্ত্ৰৰ এক চৰম কাৰ্যকৰী ব্যৱস্থা। মধ্যযুগীয় আমোলাতন্ত্ৰৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰি অধৰ্মৰ সাম্ৰাজ্যবাদ ধ্বংস কৰি পৱিত্ৰ আধ্যাত্মিক স্বতন্ত্ৰবাদ শংকৰদেৱে প্ৰতিষ্ঠা কৰিলে আৰু সকলোকে এক হোৱাৰ কথা শিকালে। নামধৰ্ম তাৰ শুভ্ৰ নিৰ্মল পতাকা।

কিন্তু অতি পৰিতাপৰ বিষয় যে শংকৰদেৱৰ এই অৱদানৰ যথাৰ্থতা অসমীয়া সমাজৰ পৰা হেৰাই যোৱা যেন পৰিলক্ষিত হৈছে, বিশেষকৈ ডেকাচামৰ পৰা। কিন্তু ডেকা শক্তিয়েই প্ৰৱল শক্তি আৰু এই ডেকাশক্তিয়ে শংকৰদেৱৰ কাৰ্যপন্থাৰ বিজ্ঞানসন্মত আৰু সু-সংহত বিশ্লেষণ কৰি এখন ঐক্যবদ্ধ উন্নত সমাজ গঢ়ি তোলাত সহায় কৰিব পাৰে আৰু বৰ্তমান ইয়াৰ প্ৰয়োজনীয়তাও বাৰুকৈয়ে পৰিলক্ষিত হৈছে। এই কথা সদায় স্মৰণীয় যে শংকৰদেৱৰ একত্ৰীকৰণৰ আদৰ্শ সমগ্ৰ মানৱ জাতিৰ বাবেই অনুকৰণীয়। ❒

*লেখিকা স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰী*

# হেলিৰ অনুসন্ধিৎসা, হুকৰ নীৰৱতা আৰু নিউটনৰ প্ৰিন্সিপিয়া

✍ মিচ্ মনীষা চৌধুৰী

জ'হানছ কেপলাৰে সৌৰজগত সম্পৰ্কীয় বিধি তিনিটা প্ৰকাশ কৰাৰ পাচৰেপৰা কেপলাৰকে ধৰি অন্যান্য আগশাৰীৰ বিজ্ঞানী সকলৰ মনত ক্ৰমান্বয়ে এইটো ধাৰণাই ঠাই ল'লে যে সূৰ্য আৰু প্ৰতিটো গ্ৰহৰ মাজত একোটা বলে ক্ৰিয়া কৰে আৰু যাতনে বলৰ প্ৰভাৱতে গ্ৰহবোৰ উপবৃত্তাকাৰ পথত আৱৰ্তনৰত হৈ থাকে। পোহৰৰ প্ৰাবল্য দূৰত্বৰ বৰ্গৰ ব্যস্ত অনুপাতত সলনি হোৱাৰ দৰে সূৰ্য-গ্ৰহৰ বলেও অনুৰূপ নিয়ম মানে বুলি কেপলাৰে মত প্ৰকাশ কৰিছিল। ১৬৮৪ চনৰ জানুৱাৰী মাহত বৃটিছ বিজ্ঞানী এডমাণ্ড হেলিয়েও সূৰ্য-গ্ৰহৰ ক্ষেত্ৰত দূৰত্বৰ বৰ্গৰ ব্যস্ত অনুপাতৰ নিয়মৰ সপক্ষে মত প্ৰকাশ কৰে।

মূল প্ৰকৃত সমস্যাটো আৰম্ভ হৈছিল সেইখিনিতেই। কেপলাৰৰ প্ৰথমটো বিধি অনুসৰি প্ৰতিটো গ্ৰহই একোটা উপবৃত্তাকাৰ পথত পৰিভ্ৰমণ কৰে আৰু উপবৃত্তটোৰ এটা নাভিত সূৰ্যটো থাকে। এতিয়া সূৰ্য-গ্ৰহৰ মাজৰ বলটোৱে দূৰত্বৰ বৰ্গৰ ব্যস্তানুপাতিক নিয়মটো অনুসৰণ কৰিলে গাণিতিকভাৱে প্ৰতিপন্ন কৰিব লাগিব যে গ্ৰহটোৰ পথটো উপবৃত্তাকাৰ। কেপলাৰ বা হেলিয়ে সেইখিনি কৰিব পৰা নাছিল। সেই গাণিতিক কৌশল কেপলাৰ বা হেলিৰ নাছিল। কিন্তু আন আগৰাকী বিখ্যাত ব্ৰিটিছ পদাৰ্থবিজ্ঞানী ৰবাৰ্ট হুকে হেলিক গৰ্ব কৰি কৈছিল যে দূৰত্বৰ বৰ্গৰ ব্যস্তানুপাতিক নিয়মৰ আধাৰতে অতওঁ কেপলাৰৰ কেউটা বিধি সাব্যস্ত কৰিব পাৰিছে।

হেলি, হুক আৰু আন কেইজনমান বিজ্ঞানী সেইসময়ত নিয়ায়ে মিলিত হৈ পদাৰ্থ বিজ্ঞানৰ সমস্যাবোৰ আলোচনা কৰিছিল। হুকে ওপৰোক্ত 'সাফল্য'ৰ কথা কয়হে, কিন্তু হেলি আৰু অন্যান্য সকলক গাণিতিক প্ৰমাণখিনি নেদেখুৱায়। আনকি তেওঁলোকৰ মাজৰ ক্ৰিষ্টফাৰ ৰেন নামৰ এজন পদাৰ্থবিজ্ঞানীয়ে কৈলে ধনৰ টোপোলাও পুৰস্কাৰ হিচাপে আগ বঢ়াইছিল। তথাপিও হুক মান্তি হোৱা নাছিল তেওঁৰ 'সাফল্য'ৰ প্ৰমাণখিনি আন সকলক অৱগত কৰাবলৈ।

হেলি গৈ কেমব্ৰিজত উপস্থিত হ'ল। উদ্দেশ্যঃ আইজাক নিউটনৰ লগত সমস্যাটো আলোচনা কৰা। সময় তেতিয়া ১৬৮৪ চনৰে আগষ্ট মাহ। অলপ সময় কথাবতৰাৰ পাচত হেলিয়ে নিউটনক সুধিলে সূৰ্য-গ্ৰহৰ মাজৰ বলটো দূৰত্বৰ বৰ্গৰ ব্যস্ত অনুপাতত সলনি হ'লে গ্ৰহবোৰৰ পথবোৰ কেনে হ'ব? নিউটনে তৎক্ষণাৎ উত্তৰ দিলে- পথবোৰ উপবৃত্তাকাৰ হ'ব। হেলিয়ে তেতিয়া কি গণিতীয় পদ্ধতিৰে দেখুৱাব পাৰি বুলি নিউটনক সুধিলে, নিউটনে কাগজবোৰৰ মাজত কিবা বিচাৰিবলৈ ধৰিলে, কিন্তু বিশেষ টোকাখিনি বিচাৰি নাপালে! নিউটনে হেলিক সবিশেষ জনাবলৈ গাত ল'লে। দুৰ্ভাগ্যবশতঃ নিউটনে পুৰণি টোকাটো বিচাৰি নাপাই পুনৰ সমস্যাটোত মনোনিৱেশ কৰিলে। প্ৰথমে সফল হোৱা নাছিল। পিচলৈ নিউটন একেটা সিদ্ধান্তত উপনীত হ'ল আৰু গৱেষণাৰ এই ফলশ্ৰুতিখিনি কেমব্ৰিজত বক্তৃতাৰ আকাৰত দাঙি ধৰিলে। হেলি অতিশয় আনন্দিত হ'ল আৰু হেলিৰ উৎসাহতে বক্তৃতাবোৰেই ক্ৰমান্বয়ে এখন অমূল্য গ্ৰন্থৰ ৰূপ দিলে। গ্ৰন্থখনৰ নাম Philosophiae naturalis principia mathematica (Mathematical principiea of Natural Philosophy)। চমুকৈ, প্ৰিন্সিপিয়া। প্ৰকাশ হয় ১৬৮৭ চনত। হেলিৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিছিল।

প্ৰিন্সিপিয়াৰ প্ৰধান খণ্ড তিনিটা। প্ৰথম খণ্ডত বস্তুৰ গতিবিজ্ঞানৰ নীতি সমূহ, দ্বিতীয় খণ্ডত তৰলৰ বলবিজ্ঞান, তৰংগ তত্ত্ব, আদি আৰু তৃতীয় খণ্ডত বিশ্বব্ৰহ্মাণ্ডৰ গঠন সম্পৰ্কীয় নীতিবোৰ অন্তৰ্ভুক্ত। এই গ্ৰন্থখন যেন সৰ্বশ্ৰেষ্ঠ বিজ্ঞানীজনৰে জীৱন্ত ৰূপ। ❑ *লেখিকা উঃ মাঃ দ্বিতীয় বৰ্ষৰ ছাত্ৰী।*

# কৃষি, পঞ্চবার্ষিক পৰিকল্পনা আৰু অসম

## এটি ৰেঙণি

✍ দি. কে. গোস্বামী

জাক জাক ৰোৱনীৰ কলাফুলৰ গোন্ধে উন্মনা কৰা হিয়াৰ সুৱাস মাৰ নৌযাওঁতেই হিম-চেঁচা নিয়ৰত দুভৰি তিয়াই দাৱনীয়ে মৰা সোণোৱালী হাঁহিৰ খিল্‌খিলনিয়ে আমাক সোঁৱৰাই জীৱন আৰু কৃষিৰ আত্মিক তথা তাত্ত্বিক সম্বন্ধৰ কথা। গ্ৰাম্য প্ৰধান অসমত কৃষিয়েই জনগণৰ আশা-ভৰসাৰ থল। কৃষি কাৰ্যতেই নিহিত হৈ আছে অতীতৰ চিন্তা, বৰ্তমানৰ খোজ আৰু ভৱিষ্যতৰ দিক্ নিৰ্ণয়। ইয়েই হ'ল অসমবাসীৰ জীৱন-ধাৰণৰ মানদণ্ডৰ অনুঘটক আৰু ৰাজ্যিক অৰ্থনীতিৰ জুমুঠি। কৃষি আৰু কৃষি সংশ্লিষ্ট খণ্ডৰ উত্তৰণতেই নিহিত হৈ আছে ৰাজ্যৰ জনসাধাৰণৰ সামাজিক, সাংস্কৃতিক, বৌদ্ধিক, মানসিক সৌন্দৰ্য। সেয়েহে Cato এ কৈছে- "If you are late in doing one thing in agriculture, you are late in all things."

স্বাধীনতাৰ ৫২ বছৰ অতিক্ৰমি অইনৰ লগত অসমেও এৰকৈশ শতিকাৰ পদুলিত পদাৰ্পণৰ বাবে সাজু হৈছে। কিন্তু এতিয়াও বছৰি প্ৰায় ১৫০০কোটি (এল. চি. জৈনৰ মতে কোটি) টকাৰ খাদ্যশস্য আৰু অন্যান্য কৃষি-সামগ্ৰী অসমে বাহিৰৰ পৰা আনিবলগীয়া হৈয়েই আছে। অথচ কৃষি আৰু কৃষি সংশ্লিষ্ট খণ্ডত প্ৰায় এতিয়াও ৬৮% লোক নিযুক্ত হৈ থাকে। ইয়াৰে ৪৭% কৃষক, ১১% কৃষি শ্ৰমিক আৰু বাকী কৃষি সংশ্লিষ্ট খণ্ডত নিয়োজিত। এয়া হ'লেও চলিত মূল্যৰ ভিত্তিত ১৯৮০-৮১ইং চনত অসমৰ জনমূৰি আয় ১২০০ টকাৰ বিপৰীতে ভাৰতৰ জনমূৰি আয় আছিল ১৬৩০ টকা। ১৯৯১-৯২ চনত ই বৃদ্ধি হৈ ৪২৩২ টকালৈ বৃদ্ধি পালেও সৰ্বভাৰতীয় পৰিমাণ হ'ল ৫৫৮৩ টকা। জনমূৰি আয়ৰ এই ব্যৱধানৰ মূলতে হ'ল অনগ্ৰসৰ কৃষি খণ্ড।

ক্ষুদ্ৰ ক্ষুদ্ৰ ভূমি গোটৰ কৃষিখণ্ডৰ অনগ্ৰসৰতাৰ এক প্ৰধা কাৰক। কৃষি বিশেষজ্ঞৰ মতে কৃষি-ভূমিৰ পৰিসীম ২ হেক্টৰতকৈ কম হ'লে তাক ক্ষুদ্ৰ বা অতি ক্ষুদ্ৰ ভূমিৰ গো আখ্যা দিয়া হয়। ১৯৯০-৯১ চনৰ হিচাপমতে অসমৰ কৃ ভূমিৰ গোটৰ গড় পৰিসীমা মাত্ৰ ১.৩০ হেক্টৰহে। এইবিলাক একত্ৰীকৰণ হ'লেহে কৃষি খণ্ডৰ উন্নতি সম্ভৱ হৈ উঠিব।

ভূমিৰ পৰিমাণে কৃষিৰ সম্ভৱনীয়তাক সূচায়। কি অকল ভূমিৰ পৰিমাণে অৰ্থনৈতিক বিকাশ আৰু উন্নয়ন নুসুচায় ইয়াক কৃষিকাৰ্যৰ অন্তৰ্ভুক্ত কৰিলেহে উৎপাদন বৃদ্ধিৰ সম্ভৱ দেখা যায়। ১৯৭০-৭১ চনত অসমত কৃষিকাৰ্যৰ অন্তৰ্ভুক্ত ভূমি পৰিমাণ আছিল ২.৭০৪ কোটি হেক্টৰ আৰু ১৯৯১-৯২ চন ইয়াৰ পৰিমাণ হৈছে ২.৯৮২কোটি হেক্টৰ। এই সময়ৰ ভিতৰ ৰাজ্যৰ মুঠ ভূমিৰ ক্ৰমে ৩৪.৪% আৰু ৫৯.২% হে কৃষি কাৰ্য ব্যৱহাৰ কৰা হৈছে। বাকীখিনি ব্যৱহাৰহীন হৈ আছে যা উৎপাদন কাৰ্যত ব্যৱহাৰে প্ৰচুৰ সম্ভৱনাৰ ইংগিত দিয়ে।

অসমৰ উদ্যোগিক উন্নয়নৰ ধাৰা যিহেতু কৃষি খণ্ড ওপৰতেই নিৰ্ভৰশীল সেয়েহে এই খণ্ডৰ সুস্বাস্থ্য আ উন্নতিয়েহে উদ্যোগকে আদি সংলগ্ন খণ্ড সমূহৰ উন্নতি সা কৰিব। ভোক্তাৰ চাহিদা আৰু উদ্যোগৰ চাহিদা পূৰণৰ বা সেয়েহে খাদ্যশস্য আৰু অনা-খাদ্য শস্যৰ উৎপাদন বৃদ্ধি অ গুৰুত্বপূৰ্ণ। ১৯৭০-৭১ আৰু ১৯৯১-৯২, এই সময়ত সৰ্ব এলেকাৰ হিচাপত খাদ্য শস্যৰ এলেকা ৮৩.৬% ৰ পৰা হ্ৰ

ই ৭২.৪% হৈছে কিন্তু অনা-খাদ্য শস্যৰ এলেকা ১৬.৪% বা ৩২.৮% লৈ বৃদ্ধি পাইছে। কৃষিৰ বাণিজ্যিকীকৰণ ফলত পৰিবৰ্তন হৈছে যিটো ৰাজ্যখনৰ বাবে শুভলক্ষণ বুলিব ৰি। এই পৰিবৰ্তনে আশাৰ সঞ্চাৰ কৰিলেও কিন্তু শস্য পাদনৰ ক্ষেত্ৰত অসমৰ উৎপাদিকা শক্তি বহুখিনি কম হৈয়ে ছে। তলৰ তালিকাৰ পৰা এই কথাৰ উমান পোৱা যায়।

| শস্য | চন- ১৯৯৩-৯৪ (কিঃ গ্ৰাঃ/হেক্টৰ) | |
|---|---|---|
| | অসম | ভাৰত |
| ধান- | ১৩৩০ | ১৮৮০ |
| ঘেঁহু- | ১২৮০ | ২৩৭০ |
| দাইল- | ৫৬৪ | ৬৫১ |
| তেলগুটি- | ৪৭০ | ৮৬০ |
| মৰাপাট- | ১৫৯৬ | ১৯০৭ |
| কুঁহিয়াৰ- | ৩৮,৩৭৭ | ৬৭,০৬২ |
| আলু- | ৭৯২০ | ১৬,৬৯৬ |
| কল- | ১৩,৮৩৩ | ২১,৯৭৭ |

ওপৰৰ তালিকাৰ পৰাই কৃষিৰ শোচনীয় অৱস্থা স্পষ্ট হৈছে। নিম্ন উৎপাদনৰ উপাদান ভিত্তি আৰু অন্যান্য বহুবোৰ কাৰণ ভূমি আৰু শ্ৰমৰ নিম্ন উৎপাদনশীলতাৰ বাবে দায়ী। ১৯৯২ চনলৈ মুঠ শস্য এলেকাৰ মাত্ৰ ১৪.৮% তহে জলসিঞ্চনৰ ব্যৱস্থা আছে যিসময়ত সৰ্বভাৰতীয় পৰিমাণ হ'ল ৪%। একে সময়তে অসমত ৰাসায়নিক সাৰ প্ৰয়োগৰ পৰিমাণ আৰু পঞ্জীয়ন ভুক্ত টেক্টৰৰ সংখ্যা হ'ল যথাক্ৰমে ১০.৫ কিঃ গ্ৰাঃ/হেক্টৰ আৰু ৯.৮ হেজাৰ কিন্তু সৰ্বভাৰতীয় স্তৰত ই হ'ল ক্ৰমে ৭২.৪ কিঃ গ্ৰাঃ/হেক্টৰ আৰু ১২৩৩ হেজাৰ অসমৰ কৃষিৰ শোচনীয় অৱস্থাৰ লগত জড়িত আন কাৰণবোৰ হ'ল- বানপানী, আইন-শৃংখলাৰ অৱনতি, আসোঁৱাহপূৰ্ণ আৰু অনুপযুক্ত ঋণদান ব্যৱস্থা, উন্নত কৃষি সা-সামগ্ৰীৰ অভাৱ, উপযুক্ত বজাৰৰ অভাৱ, উচ্চ প্ৰযুক্তি সম্বন্ধে কৃষকৰ অজ্ঞতা, কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰীৰ দুৰ্নীতি আৰু অদক্ষতা আদি। অতি পৰিতাপৰ কথা যে জনসংখ্যা বৃদ্ধিৰ অনুপাতে শস্য উৎপাদনৰ দিশত চৰকাৰী পৃষ্ঠপোষকতা কিম্বা আঁচনিৰ তেনেই অভাৱ। পৰিবহণ-যোগাযোগ ব্যৱস্থা তথৈবচ। এতিয়াও গাঁৱলীয়া কৃষকৰ ঋণৰ প্ৰধান উৎস হ'ল অসংগঠিত খণ্ড। অৱশ্যে বাণিজ্যিক বেংক, সমবায় বেংক, সমবায় সমিতি, গাঁৱলীয়া বেংক, নাবাৰ্ড আদিয়ে কিছু পৰিমাণে ঋণৰ যোগান ধৰিছে। চৰকাৰেও পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ত ইয়াৰ বাবে বিভিন্ন ব্যৱস্থাও গ্ৰহণ কৰিছে। কিন্তু সি এপাচি শাকত এটা জালুক।

প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ত নতুন কৃষিভূমিৰ সৃষ্টি কৰাৰ লগতে উন্নয়নৰ বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। এই সময়ছোৱাত খাদ্যশস্য, মৰাপাট, তৈলবীজ আদিৰ উৎপাদন বৃদ্ধি হৈছিল।

দ্বিতীয়, তৃতীয়, চতুৰ্থ আৰু পঞ্চম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ত কৃষিখণ্ডৰ ওপৰত মুখ্য অগ্ৰাধিকাৰ দিলেও লক্ষ্য পূৰণত দুখলগাকৈ ব্যৰ্থ হৈছিল। সেয়েহে ষষ্ঠ পঞ্চবাৰ্ষিক পৰিকল্পনাত খুঁটি-নাটি আঁতৰাই নতুন চিন্তা কৰা হৈছিল। ২.২১ লাখ হেক্টৰ ভূমিত ক্ষুদ্ৰ জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছিল। মজলীয়া আৰু বৃহৎ জলসিঞ্চন প্ৰকল্পৰ ক্ষেত্ৰতো ফল আশানুৰূপ আছিল কিন্তু কৃষিৰ সামগ্ৰীক ৰূপটো দুৰ্বল হৈয়েই আছিল।

সপ্তম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ত খাদ্যশস্য, মৰাপাট, জলসিঞ্চন আদিৰ ক্ষেত্ৰত নিৰ্ধাৰিত লক্ষ্যৰ কাষকে চুব পৰা নাছিল। অষ্টম পঞ্চবাৰ্ষিক পৰিকল্পনাত খাদ্যশস্যৰ উৎপাদনৰ লক্ষ্য ৪৫ লাখলৈ টন ধাৰ্য কৰা হৈছিল কিন্তু ১৯৯৬-৯৭ চনত খাদ্যশস্যৰ মুঠ পৰিমাণ আছিল ৩৬.৭২ লাখ টন। কৃষি সহযোগী আন খণ্ডসমূহত অৱশ্যে কিছু সফলতাৰ মুখ দেখা গৈছিল। ভূমি সংস্কাৰৰ ক্ষেত্ৰতো কিছু প্ৰগতি পৰিলক্ষিত হৈছিল কিন্তু বৃহৎ আৰু মজলীয়া জলসিঞ্চন প্ৰকল্পৰ জৰিয়তে মুঠ ৪৪.৫৫ হেজাৰ হেক্টৰ ভূমিত জলসিঞ্চনৰ সুবিধা প্ৰদানৰ লক্ষ্য চূড়ান্তভাৱে ব্যৰ্থ হৈছিল।

নৱম পঞ্চবাৰ্ষিক পৰিকল্পনাতো দ্ৰৰিদ্ৰতা নিবাৰণ আৰু প্ৰয়োজনীয় উৎপাদনমূলক নিয়োগৰ সুবিধা সৃষ্টিৰ বাবে কৃষি

খণ্ড আৰু গ্ৰাম্য উন্নয়নত অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে। এই পৰিকল্পনাত "সকলোৰে বাবে খাদ্যৰ নিৰাপত্তা নীতিৰ ওপৰত কৃষি-বিকাশ কৌশল প্ৰতিষ্ঠা কৰা হৈছে। ভাৰতৰ পঞ্চবাৰ্ষিক এই পৰিকল্পনাত গোটেই দেশক মাটিৰ গুনাগুণ, জলবায়ু ভিন্নতা আদিৰ ওপৰত ভিত্তি কৰি চাৰিটা মণ্ডলত ভগোৱা হৈছে। অসম ইয়াৰ 'নিম্ন উৎপাদন-উচ্চ সম্ভৱনা' মণ্ডলৰ অন্তৰ্ভূক্ত। এই পৰিকল্পনাৰ কালত বান-নিয়ন্ত্ৰণ, জলসিঞ্চনৰ সু-ব্যৱস্থা, ৰাসয়নিক আৰু জৈৱ সাৰৰ প্ৰয়োগ আদিৰ জৰিয়তে উৎপাদনৰ প্ৰচুৰ সম্ভৱনা থকা এই অঞ্চলসমূহক উচ্চ উৎপাদনক্ষম মণ্ডলৰ পৰ্যায়লৈ অনাৰ সুব্যৱস্থা কৰা হৈছে। পৰিকল্পনাৰ শেষতহে ইয়াৰ কাৰ্যকাৰিতা সম্বন্ধে জ্ঞাত হ'ব পৰা যাব।

পৰিশেষত, এইটো উল্লেখ কৰিব পাৰি যে অসমৰ আৰ্থ সামাজিক উন্নয়নৰ সৈতে কৃষিৰ এক এৰাব নোৱাৰা সম্পৰ্ক আছে। কৃষি ভিত্তিক উদ্যোগৰ উন্নয়ন আৰু সম্প্ৰসাৰণ সামগ্ৰিক কৃষি ৰূপৰ ওপৰত নিৰ্ভৰশীল। কৃষিত আৰম্ভ হৈ, কৃষিতে শেষ হোৱা জীৱনৰ সুখ-স্বাচ্ছন্দ্য ঘূৰাই আনিবলৈ কৃষি খণ্ডৰ উন্নতি হ'বই লাগিব। ৰোপণ এলেকা, ব্যৱহৃত আহিলা, কৃষি প্ৰযুক্তিৰ সম্প্ৰসাৰণ আৰু সংবৰ্ধন ঘটাব লাগিব নিজ ৰাজ্যৰ অভাৱ পূৰণৰ বাবে। কৃষি খণ্ডৰ লগতে হাঁহ-কুকুৰা পালন, পশুপালন, গাখীৰ উৎপাদন, মাছ উৎপাদন, উদ্যান শস্যৰ প্ৰচুৰ সম্ভৱনা অসমত আছে। ইয়াৰ জৰিয়তে যথেষ্ট পৰিমাণে কৰ্ম সংস্থানৰো সৃষ্টি কৰিব পাৰি। গতিকে কৃষি আৰু ইয়াৰ সহযোগী খণ্ডক ভেটি হিচাপে লৈ আমি নিজৰ ভৰিত নিজে থিয় হোৱাত চেষ্টা নিশ্চয় কৰি চাব পাৰো। এনেকুৱা চেষ্টাই আমাক মূৰ তুলি থকাত সহায় কৰিব। ❑ ❑

*লেখক অৰ্থনীতি বিভাগৰ অধ্যাপক।*

সংস্কৃতিয়ে জীৱন ধুনীয়া কৰে, আৰু এই সংস্কৃতিৰ যেতিয়াই বিকৃতি উপস্থিত হয়, তেতিয়াই মানুহৰ সমাজত বেমেজালি আৰু কদৰ্যতাই দেখা দিয়ে। সাংস্কৃতিক বিকৃতিৰ মাত্ৰা অনুসৰি সমাজৰ সকলো ক্ষেত্ৰতে বেমেজালি বাঢ়ি যায় আৰু মানৱ সমাজ [illegible]।

— জ্যোতিপ্ৰসাদ আগৰৱালা

# বিজ্ঞানৰ অভিশাপ- হিৰোশ্বিমা

✍ মিচ্ গীতু মণি দাস

প্ৰতি বছৰৰ ৬ আগষ্টত পালন কৰা হয় হিৰোশ্বিমা দিৱস। পাৰ চৰাই উৰায়। শোভাযাত্ৰা উলিয়ায়। শান্তিৰ হকে মানৱ সেৱক সকলে বক্তৃতা দিয়ে আৰু ৬ আগষ্টৰ দিনা শপত গ্ৰহণ কৰা হয় বিশ্বক শিশুৰ বাসযোগ্য কৰাৰ। হিৰোশ্বিমাৰ সেই ধ্বংসস্তুপত বিদেহী অজস্ৰ আত্মাৰ স্মৃতিত তাত বহুওৱা হৈছে এখন প্ৰস্তৰ ফলক। তাত লিখিছে "সকলোৰে আত্মাই শান্তিৰে শোৱক। আমি আৰু ইয়াৰ পুনৰাবৃত্তি নকৰোঁ।" কিন্তু কথা হ'ল পৃথিৱীত এতিয়া যিমানবোৰ এটমবোমা আছে তাৰে এখন কিয় বহুকেইখন পৃথিৱীক নিমিষতে ধ্বংস কৰি দিব পাৰে। যদি এই পৃথিৱীখন শিশুৰ বাসযোগ্য কৰাৰ ইচ্ছা সঁচাকৈয়ে বিশ্বজয়ী নেতা সকলৰ আছে তেনেহ'লে প্ৰয়োজন কিয় এই অভিশাপস্বৰূপ বোমা বাৰুদৰ নানান আবিষ্কাৰ তথা পৰীক্ষা নিৰীক্ষাৰ? প্ৰয়োজন কি তেজৰ ফাকু খেলাৰ? আজি মানৱ জাতি সভ্যতাৰ উচ্চ শিখৰত থিয় হ'লেও আক্ৰোশ আৰু চৰিত্ৰ অতিদৈন্য হৈয়ে আছে।

এইবাৰ আহো হিৰোশ্বিমা দিৱসৰ তাৎপৰ্যৰ বিষয়ে। ১৯৫৪ চনৰ আগষ্ট মাহ। দ্বিতীয় মহাযুদ্ধ প্ৰায় শেষ হৈ আহিছে। জাৰ্মান, ইটালিয়ে আত্মসমৰ্পণ কৰিছে। জাপান সকলো যুদ্ধক্ষেত্ৰতে পৰাজিত হৈছে। ইতিমধ্যে আমেৰিকাৰ মেৰু প্ৰান্তৰত বিস্ফোৰিত হৈছে এক প্ৰচণ্ড বোমা। যি বোমা পৰৱৰ্তী কালত পৰিচিত হয় এটমবোমা নামেৰে। সেই বোমাৰ প্ৰচণ্ড প্ৰলয়ংকৰ, কোটি সূৰ্য সম ভয়ংকৰ সংহাৰ ৰূপ প্ৰত্যক্ষ কৰিছে 'মেনহাটন প্ৰজেক্টত' (ৰুজভেল্টে তৈয়াৰ কৰা ইউৰেনিয়াম কমিটীয়ে ১৯৩৯ চনত জন্ম দিছিল।) দিনে নিশাই কটকটীয়া গোপনীয়তাৰ মাজত কাম কৰা বিজ্ঞানী সকলে। ১৯৫৪ চনৰ ৬ আগষ্টত গৈ এনোলা বি ২৯ নামৰ আমেৰিকান যুজাৰু বিমানখন ঢাবিত হৈছিল টিনিয়ান দ্বীপপুঞ্জৰ পৰা জাপানৰ হিৰোশ্বিমা চহৰলৈ। পৃথিৱীৰ তিনিশ কোটি বছৰৰ ইতিহাসৰ জঘন্যতম কামটো কৰিবলৈ। তেৰঘণ্টা একেৰাহে হিৰোশ্বিমাৰ আকাশত বিচৰণ কৰাৰ উদ্দেশ্য আছিল পৃথিৱীৰ বুকুত হিৰোশ্বিমাক এখন বৃহত্তম শ্মশানলৈ ৰূপান্তৰিত কৰা। ৬ আগষ্ট গৈ এলোনা বিচৰণ কৰিছে মাটিৰ পৰা একত্ৰিশ হেজাৰ ফুট উচ্চতাত। সময় আঠ বাজি পোন্ধৰ মিনিট তিয়াল্লিছ চেকেণ্ড। বাৰফুট দীঘল চাৰি হেজাৰ কেজি ওজনৰ এটম বোমাটো বিমানৰ পৰা লাহে লাহেকৈ পেলাই দিয়া হ'ল। যি বোমাটোৰ কোৱা হৈছে 'লিটন বয়' বুলি। এই 'লিটন বয়ে' যেন ভয়ংকৰ যমদূত হৈ নামিছে হিৰোশ্বিমাৰ বুকুত। লগে লগে 'লিটন বয়ৰ পেট ফাটি ওলাই আহিল লাখ লাখ ৰাসয়নিক পদাৰ্থ, আলফা বিটা, গামা। ৫০০০ ডিগ্ৰী চেলচিয়াচ্ প্ৰচণ্ড তাপৰ বিষাক্ত গেছ ক'লা আবৰণ ভেদ কৰি সূৰ্যৰ প্ৰৱেশো দুসাধ্য হৈ পৰিল মূহুৰ্ততে পেলাই যোৱা 'গে এনোলা'ৰ ভিতৰত বব কেৰণ মুখৰ পৰা ওলাই আহিল চৰম আতংকিত এটি বাক্য 'নৰক দৰ্শন' (Peeptohell)। এই আক্ৰমণত নিহত কিম্বা অস্তিত্বহীন হ'ল হেজাৰ হেজাৰ নিৰীহ লোক। প্ৰশ্ন হয় কি দোষ আছিল এই নিৰীহ লোক সকলৰ।

যিয়েই নহওক পৰৱতী কালৰ বৈজ্ঞানিক সিদ্ধান্ত আছিল যি কোনো কাৰণতে এই বোমা মানুহৰ ওপৰত প্ৰয়োগ কৰিব নালাগে। কাৰণ এই বোমাৰ ভয়ংকৰ ক্ষমতা আৰু তেজস্ক্ৰিয়তা

বিসহ ক্ৰিয়া সম্পৰ্কে তেওঁলোকে গম পাইছিল কিন্তু ৰাষ্ট্ৰনায়ক আৰু যুদ্ধনায়ক সকলৰ মত আছিল সম্পূৰ্ণ বেলেগ। যুদ্ধ নামৰ ভয়ংকৰ খেলখনত ব্যস্ত এই নায়ক সকলে বিজ্ঞানী সকলৰ একলো আপত্তিকো নেওচি এই এটম বোমা প্ৰয়োগ কৰিবলৈ হিৰোশ্বিমা আৰু নাগাছাকিৰ লাখ লাখ মানুহৰ ওপৰত। আইনষ্টাইন ৰাছেল প্ৰমুখ্যে বৈজ্ঞানীকে এই বোমাৰ বিৰুদ্ধে জগত জোৰা আন্দোলন গঢ়ি তুলিছিল।

বিশ্বৰ দহজন ন'বেল বিজয়ী বিজ্ঞানী, হেজাৰোধিক বিজ্ঞান সাধক আৰু অসংখ্য কাৰিকৰৰ অশেষ প্ৰচেষ্টাৰ ছয় বছৰৰ অন্তত আমেৰিকাই তৈয়াৰ কৰিলে তিনিটা এটম বোমা। এই বোমা তিনিটা তৈয়াৰ কৰোতে খৰচ হয় এতিয়াৰ হিচাপত প্ৰায় সত্তৰ হেজাৰ কোটি টকা। এটি বোমা ব্যৱহাৰ হয় পৰীক্ষাত, এটি হিৰোশ্বিমাত আৰু আনটি নাগাছাকিৰ ওপৰত। এটম বোমা সম্পৰ্কে টেকনিকেল জ্ঞানৰ আভাস মিত্ৰপক্ষৰ দেশ হিচাপে ইংলেণ্ড আৰু ফ্ৰান্স পাইছিল। কিন্তু এই ক্ষেত্ৰতো আছিল এক পৰম বিপদ। সেই সময়ত যদি ৰাচিয়াৰ হাতত বোমা সম্পৰ্কীয় প্ৰযুক্তি নাথাকিলহেঁতেন তেন্তে বোমা নিয়ন্ত্ৰণকাৰী দেশৰ ৰাজনীতিবিদ সকলে ব্ৰিটিছ বিজ্ঞানীয়ে গোপনে আৰু অতি সোনকালে বোমা সম্পৰ্কীয় জ্ঞান ৰুচিয়াক দিয়ে। দেশদ্ৰোহী হিচাপে তেওঁক যাৱজ্জীৱন কাৰাদণ্ড দিয়া হৈছিল। যদিও এই গৰাকী বিজ্ঞানীয়ে মানৱ জাতিৰ এক পৰম উপকাৰ কৰি থৈ গৈছে। কাৰণ শীতল যুদ্ধৰ কালত এক পক্ষৰ হাতত যমদূত সদৃশ মাৰণাস্ত্ৰ থাকিলে আৰু আন পক্ষৰ হাতত নাথাকিলে ৰাজনীতিবিদ সকলে কি কৰিলেহেঁতেন তাৰ আভাস প্ৰথম দুটা এটম বোমাৰ বিস্ফোৰণে মানৱ জাতিক দি থৈছে। যি ধৰণেই নহওক মানৱ জাতিৰ পৰম দুৰ্যোগপূৰ্ণ নিউক্লিয় যুদ্ধৰ ভয়াৱহতাৰ পৰা মুক্ত হৈ থাকিব লাগিব। এখন অতি সীমিত নিউক্লীয় যুদ্ধৰ পৰিণাম সমগ্ৰ বিশ্বৰ বাবে ভয়াৱহ হৈ উঠিব পাৰে। ❐ ❐

*লেখিকা স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰী।*

তুমি আনকী প্ৰেমৰ কাৰোবাক হত্যা কৰিবলৈ নহয়,
তুমি যুদ্ধ কৰা অনেক প্ৰেমেৰে আঁকোৱালি লৈ বলে।
............ প্ৰেমে কাৰো মাজত বিভাজন নানে।
কাৰণ ঈশ্বৰ ভগবানৰ সৈতে আমাক সাজিছে।

- মাদাৰ টেৰেছা

# সমাজ গঠনত "ৰাষ্ট্ৰীয় সেৱা আঁচনি"ৰ ভূমিকা

✍ শ্ৰীবসন্ত ৰয়

"ৰাষ্ট্ৰীয় সেৱা আঁচনি" নো কি? এই কথা আমি বহুতে নাজানো। আচলতে ৰাষ্ট্ৰীয় সেৱা আঁচনি হৈছে সমাজৰ এটি অতি প্ৰয়োজনীয় বিষয়। এই আঁচনিখন কাৰ্যকাৰী ৰূপত পৰিচালনা কৰে দেশৰ সকলোবোৰ মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰু সকলে সমাজৰ প্ৰত্যেকজন নাগৰিকৰ সহযোগত। এই আঁচনিখনক আমি সমাজৰ এখন দাপোণ বুলিও ক'ব পাৰোঁ। এই আঁচনিখন যুগুতোৱা সংগঠনটোৱে সমাজখনত এটি গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে আৰু এই আঁচনিখনে সমাজ পৰিৱৰ্তনটো বহুখিনি অৰিহণা আগবঢ়াইছে। কিন্তু ইয়াৰ এটি অতি দুখ লগা বিষয় যে ইয়াৰ প্ৰচলন "অসমত" আন আন ৰাজ্যতকৈ বহু পৰিমাণে কম। আচলতে "ৰাষ্ট্ৰীয় সেৱা আঁচনি" ইংৰাজীত National Service Scheme সংক্ষেপে N.S.S.। ভাৰতবৰ্ষত ছাত্ৰ-ছাত্ৰীক সমাজ সেৱাৰ জগত জড়িত কৰাৰ ধাৰণা মহাত্মা গান্ধীৰ সময়তে আৰম্ভ হৈছিল। মহাত্মা গান্ধীয়ে ছাত্ৰ সমাজত সাধাৰণ গাঁওবাসীৰ লগত সু-সম্পৰ্ক ৰক্ষা কৰি তেওঁলোকৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰাৰ উদ্দেশ্যে কাম কৰাৰ পৰামৰ্শ আগবঢ়াইছিল। স্বাধীনতাৰ পিচত ছাত্ৰ-ছাত্ৰীক সমাজ সেৱাত জড়িত কৰাৰ উদ্দেশ্যে আৰু ছাত্ৰ-ছাত্ৰীৰ উৎকৰ্ষৰ বাবে শিক্ষা পদ্ধতিক সংস্কাৰ কৰাৰ প্ৰচেষ্টা লোৱা হৈছিল। ডঃ ৰাধাকৃষ্ণনৰ নেতৃত্বত গঠিত বিশ্ববিদ্যালয় আয়োগত ইয়াত ছাত্ৰ আৰু শিক্ষকৰ সম্পৰ্ক উন্নত কৰিবলৈ ছাত্ৰ-ছাত্ৰী আৰু সাধাৰণ গাঁওবাসীৰ মাজত গঠনমূলক সম্পৰ্ক স্থাপনৰ উদ্দেশ্যে স্বেচ্ছামূলকভাৱে শিক্ষা অনুষ্ঠানত জাতীয় সেৱা প্ৰৱৰ্তন কৰাৰ পৰামৰ্শ আগবঢ়াইছে। ছাত্ৰ সমাজক জাতীয় সমাজ সেৱাত জড়িত কৰাৰ সম্পৰ্কত ১৯৫০ চনৰ জানুৱাৰী মাহত অনুষ্ঠিত কেন্দ্ৰীয় শিক্ষা পৰামৰ্শ ব'ৰ্ডৰ সভাত (Central Advisory Board of Education) আলোচনা কৰা হৈছিল। উক্ত সভাই ছাত্ৰ-ছাত্ৰী সকলক কিছুসময় স্বেচ্ছামূলকভাৱে শাৰীৰিক শ্ৰম কৰা পৰামৰ্শ আগবঢ়াইছিল। এই কামত শিক্ষক সকলক শ্ৰম কৰাৰ পৰামৰ্শ আগবঢ়াইছিল। সেই সম্পৰ্কত ১৯৫২ চনত গৃহীত পঞ্চম বাৰ্ষিক পৰিকল্পনাৰ খচৰাটোত কিছু ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। ১৯৫৮ চনত ভাৰতৰ প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহৰুৱে ৰাজ্য সমূহৰ মুখ্যমন্ত্ৰী তথা শিক্ষামন্ত্ৰী সকললৈ শিক্ষা অনুষ্ঠানত জাতীয় সেৱা আগবঢ়োৱাৰ উদ্দেশ্য উপযুক্ত আঁচনি কৰিবলৈ নিৰ্দেশ দিছিল। ১৯৫৯ চনত শিক্ষামন্ত্ৰী সকলৰ সন্মিলনত এখন আঁচনিৰ খচৰা দাখিল কৰা হৈছিল। উক্ত সভাই এই সম্পৰ্কত এখন কমিটী নিযুক্তি দিয়াৰ পৰামৰ্শ আগবঢ়াই আৰু ১৯৫৯ চনৰ ২৮ আগষ্ট তাৰিখে ডঃ চি, দি, মুখাৰ (Dr. C.D. Mukhar) ৰ নেতৃত্বত এখন (National Service Committee) গঠন কৰি দিয়ে। উক্ত কমিটীয়ে কেইবাটাও পৰামৰ্শ দিছিল যদিও বিত্তীয় আৰু অন্যান্য কাৰণত ইয়াক কাৰ্যকাৰী কৰিব পৰা নগ'ল। ১৯৬০ চনত অন্য দেশত কিদৰে ছাত্ৰ-ছাত্ৰীক সমাজসেৱাত জড়িত কৰিছে তাক অধ্যয়ন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে পঠাইছিল আৰু তেওঁ ছাত্ৰ-ছাত্ৰী তথা অন্য ছাত্ৰ-ছাত্ৰীকো সমাজ সেৱাৰ কেম্পত অংশ গ্ৰহণ কৰাৰ সুবিধা আগবঢ়াবলৈ পৰামৰ্শ আগবঢ়াইছে। ১৯৬৪-৬৬ চনৰ কোঠাৰী আয়োগেও সকলো স্তৰৰ ছাত্ৰ-ছাত্ৰীকে সমাজসেৱাত জড়িত কৰাৰ পৰামৰ্শ আগবঢ়াইছে। আয়োগৰ উক্ত পৰামৰ্শ ১৯৬৭ চনত অনুষ্ঠিত ৰাজ্যিক শিক্ষামন্ত্ৰী সকলৰ সন্মিলনত আলোচনা হৈছিল। সভাই

N.S.S. ত নথকা ছাত্ৰ-ছাত্ৰী সকলক N.S.S. বা জাতীয় সেৱা আঁচনিত যোগদানৰ সুবিধা দিবলৈ পৰামৰ্শ আগবঢ়াইছিল। ১৯৬৭ চনত অনুষ্ঠিত উপচাৰ্য সকলৰ সন্মিলনত উক্ত পৰামৰ্শৰ ওপৰত আলোচনা হৈছিল আৰু উক্ত বিষয়টো উপচাৰ্য সমূহৰ এখন বিশেষ কমিটীৰ দ্বাৰা পৰীক্ষা কৰাৰ পৰামৰ্শ দিছিল। ১৯৬৯ চনৰ 'মে' মাহত বিশ্ববিদ্যালয় সমূহৰ ছাত্ৰ প্ৰতিনিধি সকলৰ সন্মিলনত জাতীয় সেৱা আঁচনি প্ৰয়োগৰ ওপৰত জোৰ দিছিল আৰু ইয়াৰ পাচত অৰ্থনৈতিক পৰিকল্পনা আয়োগে জাতীয় সেৱা আঁচনি ৰূপায়ণৰ কাৰণে চতুৰ্থ-পঞ্চবাৰ্ষিক পৰিকল্পনাত ৫ কোটি টকা ধাৰ্য কৰিছিল। ১৯৬৯ চনত ছেপ্টেম্বৰ মাহত তেতিয়াৰ কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ডঃ ভি, কে, আৰ, ভি, ৰায়ে (Dr. V. K. Roy) ভাৰতৰ ৩৭খন বিশ্ববিদ্যালয়ত পোন প্ৰথমে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ শুভাৰম্ভ কৰে। ইয়াৰ লগতে কেন্দ্ৰীয় কমিটীয়ে আলোচনা কৰি প্ৰতি বছৰৰ ২৪ ছেপ্টেম্বৰ তাৰিখটো N.S.S. Day (National Social Service) হিচাপে পালন কৰা হয়। সিদিনা পৰিবেশ সংৰক্ষণ আৰু উন্নয়নৰ ওপৰত সকলোবোৰ শিক্ষা অনুষ্ঠানত আলোচনা কৰা হয়। আৰু N.S.S. ৰ Volunter সকলে চাফাই, স্বেচ্ছামূলক ৰক্তদান, আলিবাট নিৰ্মাণ আদি কাৰ্যসূচীৰ দ্বাৰা N.S.S. Day পালন কৰে।

N.S.S.ৰ Motto বা মূল মন্ত্ৰ হ'ল মই নহয়; আপুনি (Not me, but you) ইয়াৰ সাৰমৰ্ম হ'ল ব্যক্তিৰ কল্যাণ সামগ্ৰিকভাৱে সমষ্টি বা সমাজৰ কল্যাণৰ ওপৰতহে নিৰ্ভৰ কৰে। N.S.S.ৰ প্ৰতীক (Not me, but you) হ'ল উৰিষ্যাৰ কোণাৰ্কত থকা সূৰ্য মন্দিৰৰ (Sun Tample) ৰ সোঁমাজত থকা ৰথ চক্ৰটো। বৃহৎ এই চক্ৰটোৱে (wheel) সৃষ্টিৰ চকৰিক বুজায়- ই স্থান আৰু কালৰ গতিত জীৱন যাত্ৰাক প্ৰতিফলিত কৰে। এইটো চকাৰ অৰ্থই হ'ল জীৱন চক্ৰৰ প্ৰগতি। ই সমাজৰ পৰিৱৰ্তনৰ বাবে N.S.S.ৰ দুৰ্বাৰ উদ্যমক সূচায়। N.S.S. ৰ বেজ (badge) ত N.S.S. ৰ প্ৰতীকটো অংকিত থাকে। কোণাৰ্কত সূৰ্য মন্দিৰৰ ৰথটোত মুঠ ২৪টা চকা আছে। প্ৰতিটো চকাত আঠোটাকৈ Bars আছে। এই আঠোটা বাৰে দিনৰ আঠটা "প্ৰহৰক" বুজায়। বেজটো পিন্ধোতে N.S.S. Voulenter জনক এই কথাই সোঁৱৰাই দিয়ে যে তেও দিনটোৰ ২৪ঘণ্টাই বা ৮টা প্ৰহৰেই জাতিৰ সেৱাৰ বাবে নিজকে উছৰ্গা কৰে। বেজটোৰ ৰঙা ৰঙে বুজায় যে Voulenter গৰাকী হ'ল সক্ৰিয় প্ৰাণৱন্ত, উদ্দীপ্ত, জীৱন্ত যুৱক-যুৱতী। বেজৰ Navyblue ৰংটো হ'ল মহাকাশৰ ৰং। ই ইয়াকে সূচায় যে N.S.S. বিশ্বব্ৰহ্মাণ্ডৰ এক অতি ক্ষুদ্ৰ অংশ হ'লেও মানৱ জাতিৰ কল্যাণৰ হকে নিজা বৰঙণি আগবঢ়াবলৈ সদা প্ৰস্তুত

N.S.S.ৰ লক্ষ্য সমাজ সেৱাৰ মাজেৰে শিক্ষা আৰু শিক্ষাৰ মাজেৰে সমাজ সেৱা। ইয়াৰ অৰ্থ হ'ল- আমাৰ সমাজখনত কেনে ধৰণৰ পৰিবেশ আহি পৰিছে তাক উপলব্ধি কৰিব লাগিব আৰু তাৰ মাজেৰে কিছু জ্ঞান আহৰণ কৰি আমি সমাজৰ কামত ব্যৱহাৰ কৰিব লাগিব। যেনে ধৰা হ'ল- আমাৰ সমাজত এটি ভয়াৱহ বেমাৰে দেখা দিছে। এই বেমাৰটোৰ বিষয়ে আলোচনা কৰা হয়। ইয়াৰ পৰা হাত সাৰিবৰ কাৰণে আলোচনাৰ মাজেৰে কিছুমান পৰামৰ্শ দিয়া হয়। আৰু এই পৰামৰ্শ সমূহ পালন কৰিলে ইয়াৰ পৰা হাত সাৰি থাকিব পাৰি

N.S.S. ৰ ঘাই ঘাই উদ্দেশ্য সমূহ হ'ল- (১) ছাত্ৰ-ছাত্ৰী সকলৰ মাজত সমাজ সচেতনতাৰ ভাব জগাই তোলা (২) তলত দিয়া উদ্দেশ্য সমূহ সাধনৰ বাবে পৰ্যাপ্ত সুযোগ দিয়া।

(ক) ৰাইজৰ সৈতে বা ৰাইজৰ মাজত কাম কৰা।

(খ) সামাজিক বাস্তৱ অৱস্থাৰ সম্পৰ্কত জ্ঞান আৰু চেতনা আহৰণ কৰা।

(গ) সমাজৰ কল্যাণ সাধন কৰা আৰু সামাজিক সমস্যাবোৰৰ দুই এটা নিৰ্মূল সাধন কৰাৰ বাবে নিজৰ জ্ঞানৰ ব্যৱহাৰিক প্ৰয়োগ ঘটোৱা।

(ঘ) গণতান্ত্ৰিক পদ্ধতিত নেতৃত্বৰ দায়িত্ব বহন কৰিবলৈ আৱশ্যকীয় দক্ষতা অৰ্জন কৰা।

(ঙ) সমাজৰ ঘাইকৈ অনুন্নত অঞ্চলৰ উন্নতিৰ হকে আগ্ৰহ হোৱা।

(চ) গঠনমূলক আৰু সৃষ্টিধৰ্মী সামাজিক কামত নিজকে নিয়োজিত কৰা।

(ছ) বন্ধৰ দিনত অথবা আজৰি পৰত ৰাষ্ট্ৰীয় বিকাশ কাৰ্যসূচীত

ড়িত হৈ নিজৰ বিকাশৰ বাবে দক্ষতা অৰ্জন কৰা।

জ) ব্যক্তিত্বৰ বিকাশ ঘটোৱা আৰু N.S.S. Volunter ৰ াধ্যবাধকতা (obligantion) বছৰি ১২০ ঘণ্টাৰ সেৱা আৰু টা Special Camping কাৰ্যসূচীত ভাগ লৈ আনুষ্ঠানিক ধ্যায়ন সহ দুবছৰৰ বাবে কাম কৰা।

<u>N.S.S ৰ কাৰ্যসূচী</u>- N.S.S ৰ কাৰ্যসূচী দুতৰপীয়া ক) নিয়মীয়া কাম-কাজ আৰু (খ) Special Camping ভয় কাৰ্যসূচীৰ ভিতৰত কেইটামান উল্লেখযোগ্য কাৰ্যসূচী ল- চৌহদৰ বাহিৰত বছা বছা ঠাইত কিছুমান কল্যাণ মূলক াঁচনিত Voulenter সকলে সেৱা আগবঢ়োৱা (চৌহদ মানে শিক্ষানুষ্ঠান বা অন্যান্য অনুষ্ঠানৰ বাহিৰৰ ঠাই বিলাক) স্কুল লেজৰ খেল পথাৰ সমূহ উন্নয়ন কৰা, নিৰক্ষৰতা দূৰীকৰণ, দ্ৰ জলসিঞ্চনৰ কাম, কৃষি কৰ্ম, স্বাস্থ্য সেৱা, অনাময়তা, সমবায় ন্নয়ন সঞ্চয়ৰ বাবে অভিযান চলোৱা, গ্ৰাম্য ৰাস্তা বন্ধা, পৌৰ শিক্ষা, প্ৰাথমিক চিকিৎসা প্ৰদান আৰু স্থানীয় চাহিদা আৰু ছাত্ৰ-ছাত্ৰীৰ সমৰ্থ অনুসৰি উপযুক্ত কাম-কাজ কৰা। উক্ত কাম-কাজৰ মূল লক্ষ্য হ'ল- (১) সমাজৰ চাহিদা পূৰণ কৰিবলৈ আৰু পৰিস্থিতিৰ সৈতে খাপ খুৱাবলৈ শিক্ষাক প্ৰাসঙ্গিক কৰা যাতে ছাত্ৰ-ছাত্ৰীয়ে গ্ৰাম্য জীৱনৰ গুণগত উৎকৰ্ষ সাধনৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে আঁচনি প্ৰস্তুত আৰু ৰূপায়ণ কৰিব পাৰে তাৰ পৰ্যাপ্ত সুযোগ দিয়া। (২) সমাজৰ অ-ছাত্ৰ সহ সকলো অংশৰ লোকৰ সৈতে কাম কৰি ছাত্ৰ-ছাত্ৰীয়ে যাতে সামাজিক সচেতনতাৰ ভাব নিজৰ ভিতৰত গঢ়ি তুলিব পাৰে তাৰ বাবে উৎসাহিত কৰা। (৩) Volunter সকলৰ সুপ্ত প্ৰতিভাৰ বিকাশ ঘটোৱাই নেতৃত্বৰ গুণ আহৰণ কৰিবলৈ সুযোগ দিয়া। (৪) সমজুৱাৰ লগত থাকি, কাম কৰি উন্নয়নমূলক কামত উৎসাহেৰে যোগদান কৰাৰ মাধ্যমেৰে ৰাষ্ট্ৰীয় একতা সুদৃঢ় কৰাত উদগনি দিয়া ইত্যাদি।

এই সকলোবোৰ লক্ষ্য, উদ্দেশ্য আৰু কাৰ্যসূচী আদি এই বোৰ আদৰ্শ আগত ৰাখি আমাৰ বা N.S.S. ৰ Volunter সকলৰ প্ৰধান কৰ্তব্য হৈছে সমাজ খনক বা দেশবাসীক শ্ৰদ্ধা তথা সেৱা কৰা। ❐ ❐

*লেখক স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰ।*

আমাৰ দেশৰ ছাত্ৰসকলে শ্ৰমৰ মৰ্য্যাদা উপলব্ধি নকৰিলে আৰু শিক্ষা লাভ কৰি থকা কালতে উৎপাদনক্ষম কৰ্মত ভাগ নল'লে জাতীয় জীৱনত বিভিন্ন ক্ষেত্ৰত গুৰুত্বপূৰ্ণ দায়িত্ব বহন কৰিব পৰাকৈ সেইসকলক উপযোগী নাগৰিক কৰি তোলা কষ্টসাধ্য কাম হ'ব।

- মহাত্মা গান্ধী

রম্য ৰচনা

# প্ৰশংসা

✍ মিচ্ মামণি ৰাজবংশী

প্ৰশংসাৰ কোনো বিকল্প নাই। ভাল বস্তু সদায় ভাল, বেয়া বস্তু সদায়েই বেয়া। বেয়াৰহে বিকল্প থাকে। প্ৰশংসাক এই কাৰণে ভাল বোলা হৈছে যে এই বস্তুটোৱে উচ্চ চিন্তাত সহায় কৰে। বৰ্তমানে ই মানুহক ধনী বনোৱাতো সহায় কৰে। ই হ'ল ধনীৰ দুলালী। প্ৰশংসা পাইহে মানুহে জীৱন কটায় আৰু ক্ৰমে ই দুখীয়া হৈ যায় থাকে। অৱশ্যে দুখীয়া মানুহেও যেতিয়া প্ৰশংসা পাই তেনেহ'লে ই জীৱনৰ সৰলতা বুজি পাই আৰু ক্ৰমান্বয়ে ধনী হ'বলৈ ধৰে। ধনী মানুহৰ পুত্ৰ কন্যাক যেতিয়া বেয়া দিশটোৰো প্ৰশংসা কৰে তেতিয়াহ'লে তেওঁলোক উৎসাহিত হৈ দেশখনৰ বিঘটনহে ঘটায় আৰু দেশৰ উন্নতিত বাধাৰ সৃষ্টি কৰে। গতিকে বৰ্তমান যুগত প্ৰশংসাৰ দিশটোৰে উল্লেখনীয়।

প্ৰশংসাৰ আভ্যন্তৰীণ আৰু বাহ্যিক এই দুটা দিশেই আছে। তাৰ ভিতৰত আভ্যন্তৰীণ দিশটোৰে পাচত গৈ বাহ্যিক দিশটোক হেঁচা প্ৰয়োগ কৰে। প্ৰথমটোৰ বিষয়ে আলোচনা কৰিবলৈ গৈ এটা প্ৰশংসা লিখিব লাগিব। তেতিয়াহে বুজাত সহায়ক হ'ব। এজন খেতিয়কৰ পাঁচজন পুতেক। তাৰ ভিতৰত দুজনে বিয়া কৰালে আৰু তিনিজনে নিজে চাই থৈছে। শাহুৱেকে বোৱাৰীয়েক দুজনীৰ ভাল বেয়াৰ প্ৰশংসা কৰে। এদিনাখন ৰাজভোগ খুৱাবৰ নিমিত্তে কেইজনমান মানুহক নিমন্ত্ৰণ জনালে। চাহত চেনী বেছি হৈছিল। মাজুজনীয়ে বনাইছে। নাৰিকলৰ লাডু কেইটা বঢ়িয়া বগা হৈছে, ডাঙৰ জনীয়ে বনোৱা। আঞ্জাখন বঢ়িয়া হৈছে ডাঙৰজনীৰ। তৰকাৰী খনত নিমখ বেছি হৈছে মাজুজনীৰ। মাজুজনীৰ গিৰিয়েকে অলপ ডাঙৰ চাকৰি কৰে আৰু শাহুৱেকৰ কথাটোত মন বেয়া লাগিল আৰু লগে লগে ঘৰ ভঙা প্ৰস্তাৱ আহিল। প্ৰশংসাৰ বাবে এনেদৰে বা প্ৰশংসাৰ বাবে কিমান ঘৰ ভাঙিছে নাজানো কিন্তু এইটো সমীক্ষা মতেহে জনা গৈছে।

বাহ্যিক দিশটোৰ বিষয়ে অৱশ্যে তেনেকৈ ক'ব পৰা নাযায়। এইটোৰ স্থিতি একেবাৰে নাই। প্ৰথমটোৰ যদিও স্থিতি আছে অৰ্থাৎ বিপৰীত পক্ষক প্ৰশংসা কৰি জয় সাব্যস্ত কৰিব পাৰি। কিন্তু দ্বিতীয়টোত প্ৰশংসা কৰাজনেই বা কেনে হ'ব তাৰ কোনো নিশ্চয়তা নাই। এই দিশটোত মিছা প্ৰশংসাই সৰ্বাধিক। মহাত্মা গান্ধীৰ তিনিটা বান্দৰ শুনা, দেখা, কোৱা এই কেইটাৰ বাহিৰেও কৰিব নালাগে শব্দটোৰ উল্লেখ নকৰাত মানুহে এতিয়া প্ৰশংসাৰো বিকল্প কৰিছে। অৰ্থাৎ দেশখনত মিছা প্ৰশংসাইও স্থান পাইছে। ৰাজনীতি, অৰ্থনীতি আদিত ইয়াৰ প্ৰভাৱ নপৰা নহয়। শইকীয়া চৰকাৰৰ শাসনে ৰাজ্যখনৰ জনসাধৰণক উশাহ ল'ব নোৱাৰাকৈ জুৰুলা কৰিছিল। সেই সময়তে ৰাইজেও দ্বিতীয় এখন চৰকাৰৰ বাবে মুখ মেলি চাই ৰৈছিল আৰু বেলেগ এখন আহিলে ভাল প্ৰতিপন্ন হ'ব বুলি প্ৰশংসাৰ পথ লৈছিল। কিন্তু বৰ্তমান কেলেংকাৰী পূৰ্ণ শাসনে অতিষ্ঠ কৰিছে প্ৰশংসা পোৱা চৰকাৰক ভাল মানুহে মুখ মেলে বুধিয়কে হাত চাপৰি মাৰে গতিকে লোণ খাই গুণ গাবই লাগিব আৰু মিছা প্ৰশংসা কৰিবই লাগিব।

প্ৰশংসাৰ লগত শিক্ষাও জড়িত হৈ আছে। প্ৰশংসা পাবৰ বাবে বহুতো লোকে ভাল কাম কৰি যায়। সমাজত ভাষণ দিওতে হাত চাপৰি পালে তেওঁ আৰু অধিক ক'বলৈ উৎসাহিত হৈ পৰে। প্ৰশংসাৰ বহুতো লোকে ডাক্তৰ, ইঞ্জিনিয়াৰ, শিক্ষক আদি হয়। সমাজত প্ৰশংসা পাবৰ বাবে উচ্চ পদবী লাভৰ চেষ্টা

কৰে। ইয়াত কিন্তু প্ৰশংসাৰ লগতে নিজৰ স্থায়ীত্বও জড়িত হৈ আছে।

ভাল বস্তুৰ সকলোৱে আকৰ্ষিত হয়। ইয়াত ইচ্ছা আবেগ জড়িত হৈ থকাৰ লগতে প্ৰশংসাও জড়িত হৈ আছে। কাৰণ সকলোৱে ক'ব 'পছন্দ কৰিব এনেকুৱা' সূক্ষ্ম দিশত চালে বিশেষতকৈ নাৰীৰ ক্ষেত্ৰত প্ৰশংসা অধিক জনপ্ৰিয়। কাৰণ নাৰীয়ে আজিকালি প্ৰশংসাৰ ওপৰতে নিৰ্ভৰশীল। বিশ্বসুন্দৰী ক্লিওপেট্ৰাই ভৰিৰ তলুৱাটো সুগন্ধিৰে সুসজ্জিত কৰি তুলিছিল। হয়তো ক্লিওপেট্ৰাৰ প্ৰেমিকৰ পৰা প্ৰশংসাৰ বাবেই। নাৰীৰ মন জয় কৰিব লগা হ'লে প্ৰশংসা অতিকৈ আৱশ্যক আৰু যদিহে সেইসই নাৰীক আঘাত কৰিব লগা হয় তেন্তে সেই নাৰী গৰাকীৰ বিপৰীতক প্ৰশংসা কৰিব লাগিব। নাৰীৰ মন বুজাত প্ৰশংসাই সহায় কৰে।

প্ৰশংসা আৰু ব্যক্তিত্ব এটা আনটোৰ লগত জড়িত। মহান ব্যক্তি সকল ব্যক্তিত্বৰ গুণত প্ৰশংসনীয় হয় আৰু কিছুমান ব্যক্তি প্ৰশংসাৰ বাবে ব্যক্তিত্ব গঢ়ি তোলে। বিশ্বৰ বিভিন্ন ব্যক্তি নেলচন মেণ্ডেলা, মহাত্মা গান্ধী, মাডাৰ টেৰেছা, জৱাহৰলাল নেহৰু, ৱাচিংটন, ক্লিণ্টন আদি ব্যক্তিত্বৰ গুণতে বিশ্ব ইতিহাসত প্ৰশংসনীয় হৈ আছে।

প্ৰথমতে প্ৰশংসা ঘৰুৱা পৰিবেশত সৃষ্টি হয়। কিন্তু ঘৰুৱা পৰিবেশত প্ৰশংসা পালে ই কেতিয়াবা ঘৰুৱা মানুহে বাহিৰত ইগ'ৰ সৃষ্টি কৰে আৰু যদিহে বাহিৰতো সমানে প্ৰশংসা পায় তেনেহ'লে ব্যক্তি সহজ সৰল হৈ পৰে। প্ৰশংসাৰো কিছুমান সীমাবদ্ধতা থাকিব লাগে। মানুহৰ বৰ্তমান নানা বেমাৰ দেখা দিয়ে। সাৱধনাতাই প্ৰতিৰোধৰ মূল ঔষধ। প্ৰতিক্ৰিয়া কৰিব পৰা বেমাৰ হ'ল হৃদৰোগত আক্ৰান্ত হোৱা, উচ্চ ৰক্তচাপ হোৱা ইত্যাদি। গতিকে তেনে ব্যক্তিৰ কাৰণে এই ব্যৱস্থাতো নিষেধাজ্ঞ।

ধৰ্মক আৰু প্ৰশংসা ওতঃপ্ৰোতভাৱে জড়িত। এটা ধৰ্মই আনটো ধৰ্মক প্ৰশংসা নকৰে। কৰিলেও সেইটো পাপ বুলিহে গ্ৰহণ কৰে। হিন্দু সকলে পৰধৰ্ম বিদ্বেষী বুলি ক'ব নোৱাৰিলেও এনে বহু হিন্দু আছে যি হিন্দুসকলৰ আধিপত্য ভাৰতবৰ্ষত হোৱাটো বিচাৰে। কিন্তু এটা ধৰ্মই আনটোক প্ৰশংসা কৰি উচ্চ কৰিব নোখোজে। বৰ্তমানেও "মানৱ ধৰ্মই মূল" বোলা কথাষাৰৰ শিঠিলতা আহি পৰা নাই।

প্ৰশংসা আধ্যাত্মিক আৰু মানসিক। ইয়াক ৰচনা আকাৰে লিখিলে জানিব পৰা নাযাব। কিন্তু আমি যদি ইয়াক ভাবি সূক্ষ্ম আকাৰে চাওঁ তেতিয়া হ'লে ই মানৱ জীৱনক ধ্ৰুৱতৰাৰ দৰে জিলিকাই উঠাব। ❐❐

*লেখিকা স্নাতক ৩য় বৰ্ষৰ ছাত্ৰী*

"এই পৃথিৱীত তিনিজন মানুহে ঈশ্বৰক জানিছিল। প্ৰথমজন পুৰণিকলীয়া গ্ৰীছ দেশত আছিল। তেওঁৰ নাম এৰিষ্ট জেনাছ। দ্বিতীয়জন পেলেষ্টাইনত আছিল। তেওঁৰ নাম [illegible]। তৃতীয়জন জেৰুজালেমৰ দেশত আছিল। তেওঁৰ নাম [illegible]। চতুৰ্থজনৰ নাম নক'লেও আমি বুজি পোৱাটো অৰ্থাৎ তেওঁৰ নিজকে [illegible]।"

—কৃপাবৰ বৰবৰুৱা

# অসমী আইৰ বুকুতো জুই

✍ মিচ্‌ মৰমী ৰাভা

অসমী আইৰ শান্তি আজি বহু দূৰত
কাৰ সন্তান সেইসকল
যি সকলে জ্বলালে জুই বুকুৰ মাজত
হাতত তুলি লৈ বন্দুক পিস্তল,
কাৰোবাক হত্যা কৰিবলৈ
নে কোনোবাক মুক্তি দিবলৈ?
হিংসাৰ ফিৰিঙতি অসমৰ চৌদিশে
স্বাধীন বিচাৰে সিহঁতে কাৰ সন্মুখত
বিচাৰে নিজহাতে দেশ গঢ়িবলৈ
পথভ্ৰষ্ট আজি সিহঁত,
সপোনৰ সৰগ বিচাৰি
ক'ত মাতৃ শোকত আউল বাউল
অকালতে হেৰুৱাই সধবায়ো কপালৰ সেন্দুৰ
ভাই-ভনী বিচ্ছেদত ক'ত যে কাতৰ!
সন্ত্ৰাসবাদৰ সাম্ৰাজ্য
গোটেই অসম। ডাৱৰৰ আঁৰত জোনালী আভা;
মাথোঁ, শুনো হত্যা, লুণ্ঠন, ধৰ্ষণ, অপহৰণ
সংঘৰ্ষত আহত নিহত জনৰ কথা
দুৰ্যোধনৰ দৰ্পত বিদুৰ জেলৰ মাজত।
অসমীৰ বুকু আজি উদং হৈ গ'ল
শ্যামলীয়া বননিৰ বুকুত
মৰুভূমিৰ কোমল কলি,
মূল্যৱান সম্পদৰাজি দানৱীহাতে নিয়ে কাঢ়ি
ৰক্ষকৰ কৰ্তব্যও সমাধি হ'বৰ হ'ল
তথাপি হায় জনতা!
চকুলোৰ ওৰ ক'ত?
এই জুই নুমাব কোনে।
মন্ত্ৰী, এম-এল-এ
এয়াতো বনজুই নহয়!
মানৱ হৃদয়ত জ্বলা প্ৰচণ্ড শক্তিৰ
একুৱা বৃহৎ জুই। ❐

স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰী।

# সপোন

✍ শ্ৰীৰুবুল দাস

অমানিশাৰ সেই নিদ্ৰামগ্নত
বঠাহীন নাৱৰ অসহায় জীৱনত
সপোন তুমি আহিছিলা।
মোৰ অন্তৰত সুপ্ত হৈ ৰোৱা
সেই এবুকু আশা তুমিয়েইতো
জাগ্ৰত কৰি দিছিলা।
ভাবিছিলো সপোন বাস্তৱ হয়।
অপেক্ষাৰ দুৱাৰত মই
সফল হোৱাৰ উদ্দেশ্যৰে
মাথোঁ ৰৈ আছিলোঁ
সপোন!
কিন্তু তুমি উভতি নাহিলা যে?
এয়াই নেকি তোমাৰ পৰিচয়?
সপোন কেতিয়াও দিঠকত পৰিণত নহয়। ❐

উঃ মাঃ দ্বিতীয় বৰ্ষৰ ছাত্ৰ।



# কৱিতা

✍ শ্ৰীহলধৰ ৰাজবংশী

বতাহজাক বলিছে কাঁইটলগা
গছৰ মাজে মাজে।

- ১ -

পাত ফুলজোপাক সাঙুৰি
সোও কাৰে বলি অহা
বতাহজাকে পৰিছে ভাগৰি।
তেতিয়া জন্মিব জীৱনত
সংঘাতৰ ফুলনি
যেতিয়া তুমুলভাৱে
হৃদয়ংগম কৰি
পুখুৰীত ফুলিব
মৰমৰ খলকনি।

- ২ -

মৌজাকত মুখৰিত
বকুল ফুলৰ সুবাস
হৃদয় উত্তাল কৰে
মনত পছোৱা বতাহ বলে।

- ৩ -

চেতনাৰ সুৰৰ ঝংকাৰত
পখিলাটোৱে নাচে,
দুপৰ নিশাৰ বাঁহীৰ সুৰত
বুকুত অগ্নি শিখাই দহে,
নিজৰাৰ পানীয়ে বাধা দিলেও
কাউৰীৰ কঠুৱা মাতত
বিপদৰ শংখধ্বনি বাজে।



- ৪ -

উপবনৰ অৱস্থা জৰা-জীৰ্ণ অ',
সিহঁতৰ ফুলনিখনৰ দৰে
তাত সৌন্দৰ্য বৰষা ফুলৰ অভাৱ।
গোলাপ, তগৰ, শেৱালী, বকুলৰ দৰে
গোন্ধ সৌন্দৰ্যৰ নক্ষত্ৰ আৰু নাই।

- ৫ -

ভাবি চোৱা হ'ব
তুলাচনী আৰু শিলটোৰ
জীৱনৰ সৈতে সম্বন্ধ-
ভাৰসাম্য।
চেতনাৰ সুৰ, ফুলৰ সুবাস
ভাৰসাম্যহীন,
সৌন্দৰ্যহীন,
আনন্দৰ অগ্নি ফিৰিঙতি,
বতাহজাকৰ সোঁত কাঁইটলগা
গছৰ পাতৰ আঁৰে আঁৰে। ❐

*উঃ মাঃ প্ৰথম বৰ্ষৰ ছাত্ৰ।*

# অপেক্ষা

✍ ***শ্ৰীবৱিতা চৌধুৰী***

অপেক্ষাত বৈছিলোঁ সেইদিনা
তুমি আহিবা বুলি
সময়বোৰ পাৰ হৈ গ'ল
লুইতৰ ঢৌ নিৰৱে শুই ৰ'ল
কিন্তু-
সকলো চুৰমাৰ হৈ গ'ল
মাথোন এটি স্মৃতি হৈ ৰ'ল।
বাস্তৱ আৰু সপোনৰ
এটাও নহ'ল মাথোন
অপেক্ষা
অপেক্ষা হৈয়ে ৰ'ল। ❐

*স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰী।*

# এই বাটেদিয়ে

✍ শ্রীসঞ্জীৱ ঠাকুৰীয়া

অতৰ্কিতে কৰবাত ফেঁচাৰ মাত শুনিলেই
স্মৃতিয়ে মোক লৈ যায় অতীতলৈ
য'ত - কণমানো নাছিল প্ৰভেদ
কাউৰী আৰু বগলীৰ
কিম্বা -
দিন আৰু ৰাতিৰ........
একেপাত মাথোঁ জ্বলিছিল বন্তি
সকলোৰে কোঁহে-কোঁহে ................. শান্তি।

ইয়াত এতিয়া-
জীপাল শব্দৰ সীৱলু টনা মানুহ জন নাই।
এতিয়া-,
ফুলবোৰ জ্বলে জুই হৈ,
শিলবোৰ গলে প্ৰচণ্ড ধাৰত,
বিষাদ বাঁহীৰ সুৰৰ লহৰে-লহৰে.............
নিঃশব্দে হেৰাই ঘাম আৰু মাটিৰ ঠিকনা,

জেলুকাছন্ন পথৰ আততায়ী ক্ষণত
এটা সপোনৰ দৰে হেৰাই
মানৱতাৰ সেউজ পৰিচয়,
সময়-অসময় অনাথ হয় শিশু।

এতিয়া ইয়াত-
মাতৃৰ গৰ্ভতো নাই নিৰাপত্তা
স্তন নিচিনা শিশুৱেও সাব্যস্ত কৰে প্ৰতিবাদ,
দপ-দপকৈ জ্বলা শ্মশানৰ উষ্ণতাত
খলপা-খলপে সলকে আকাশ,
তেজৰ উন্মুক্ত ধাৰত উটি যায় অহৰহ
কাৰোবাৰ বুকুৰ সপোন ...............

ইয়াত এতিয়া-
সময় হ'ল দুঃসময়।
ৰাতিৰ অন্তহীন নিৰ্জনতাত নিজক বিলাই দিলেই
পোহনীয়া সপোনটোৱে আহি হাতত ধৰে
আৰু মোৰ ক্লান্ত মনত আশ্বাসৰ প্ৰলেপ বুলাই
"এই বাটেদিয়ে আহিব এদিন
মুখত এমোকোৰা হাঁহিলৈ ন-প্ৰভাতী সূৰুয
আৰু-
সিঁচি দিব পৃথিৱীৰ বুকুভৰাই প্ৰেমৰ সঁফুৰা।" ❐

*স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰ।*



# ক'লা মেঘ

✍ শ্ৰীপল্লৱী দাস

মোৰো আছিল বহু আশা
যিদৰে তোমাৰ বা অন্যৰ
ৰবিৰ কিৰণেৰে পোহৰাবলৈ বিচাৰোঁতে
এচপৰা ক'লা মেঘে আহি
আৱৰি ধৰিলে মোৰ মনৰ দুৱাৰ
এতিয়া মন শূন্য, মাথোঁ আছে
ক'লা মেঘৰ সেই চিন
যিয়ে মোৰ মানসত ৰ'ল
চিৰ যুগমীয়া হৈ। ❐

*উঃ মাঃ প্ৰথম বৰ্ষৰ ছাত্ৰী*

# ফাগুনত যৌৱনবোৰ

✍ শ্ৰীনিতেন্দ্ৰ কলিতা

অজানিতে ফাগুনৰ
পছোৱা জাকে এক
শক্তি জাগ্ৰত কৰিছিল।
মোৰ যৌৱনত আৰু
এবাৰ বসন্ত
উদ্ভাসিত হৈছিল।
সেউজীয়া গছ কেইডাল
মনৰ ফাঁকেদি সেন্দুৰীয়া
এক জ্বলা যৌৱনে ৰিঙিয়াইছিল।
গছবোৰক ফাগুনৰ পছোৱাই
জধে-মধে
নিজৰ ইচ্ছা অনুযায়ী
তললৈ-ওপৰলৈ উঠা নমা কৰাইছিল।
তেতিয়া নদীৰ ৰঙা পানীবোৰে
চেগতে নাচি উঠিছিল।
ঘোষণা কৰিছিল তাৰ ভৰ
যৌৱনৰ কথা।
ফাগুনৰ পছোৱাই ভাঙি চিঙি শেষ
কৰিব বিচাৰিছিল ................
নতুন নতুন গছৰ পাতত
যৌৱনবোৰ শক্তিশালী
ন ন আশাৰে
অজানিতে আকৌ এবাৰ
ঘোষণা কৰিলে
ফাগুনত যৌৱনবোৰে ❒

*স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰ।*



# শীতৰ সেমেকা ৰাতি

✍ *মিচ্ চুমিতা কলিতা*

শীতৰ সেমেকা ৰাতি
আহিলা মোৰ কাষলৈ
গোপনে সংগোপনে
অজান পখী এটিয়ে দি গ'ল
তুমি অহাৰ বতৰা
শীতৰ বতাহৰ বা লাগি
কঁপি উঠিল মোৰ চঞ্চল মন।
দূৰণিৰ পৰা ভাঁহি আহিছিল
কাৰোবাৰ বাঁহীৰ সুৰদী সুৰ
তোমাৰ আগমনত
বুকু ভেদি ওলাই আহিল মোৰ
শব্দৰ সাগৰ
আগ চোতালত থকা
শেৱালী জোপাৰ সুবাসে
ওপচাই পেলালে
হৃদয়ৰ উপকূল
তোমাৰ আৰু মোৰ মুখত
বিৰিঙি উঠিল নিশাৰ
জোনৰ জোনালী কিৰণ
কি যে মিঠা শিহৰণ! ❒

*উঃ মাঃ প্ৰথম বৰ্ষৰ ছাত্ৰী।*

# স্মৃতিৰ জুইয়ে মোৰ

✍ মিচ্ মণিকা চৌধুৰী



স্মৃতিৰ জুইয়ে মোৰ
জীৱন বোৱায়
তথাপিও মোৰ স্মৃতি
স্মৃতি হৈ ৰয়।
স্মৃতিবোৰ কেতিয়াবা হয়নে দিঠক
মোৰ মানস পুঞ্জত
জ্বলিবনে কেতিয়াবা
মানৱ জীৱন
সহিব পাৰিমনে মই
অতীত স্মৃতি,
ফুলিবনে কেতিয়াবা
মানৱ ভুৱনত।
কৰিব পাৰিমনে কেতিয়াবা
মানৱ জীৱন স্বীকৃতি প্ৰাপ্ত
জ্বলিবনে কেতিয়াবা
স্মৃতিবোৰ স্মৃতি প্ৰাপ্ত হৈ।
নাই নজ্বলে
স্মৃতিবোৰ স্মৃতি হৈয়ে ৰব
সপোনবোৰ সপোন হৈয়ে ৰয়
তথাপিও স্মৃতিবোৰ পিচ নেৰিব
মোৰ মানস কুঞ্জত জ্বলাই জ্বলাই পুৰিব
এই স্মৃতিবোৰে
এৰিব যেতিয়া এই পৃথিৱীৰ পৰা
মই পৰলোক প্ৰাপ্ত হম
তেতিয়াই এই স্মৃতিবোৰ মোৰ
মানৱ জীৱনৰ পৰা আঁতৰি যাব। ❒



উঃ মাঃ প্ৰথম বৰ্ষৰ ছাত্ৰী।

# অজানিতে

✍ শ্ৰীকমল দাস

অজানিতে হেৰাল বহুতো
এতিয়া
পথৰ শিল গুটিবোৰ
তেজৰ কৰাল চেকুৰাত।
এজাক নৰকংকাল
অবিৰামে যুঁজিছে ................।
লাগে স্বাধীনতা............
শিয়াল, কুকুৰবোৰে ............
মাংসহীন কংকালত
তেজাল দাঁত বহুৱাইছে ...............।
বেদনাত কংকালবোৰে
মাথোঁ কেঁকাইছে।
তেজ পিয়া সৰ্পৰ দৰে
হেঁপাহ পলুৱাই
শিয়াল, কুকুৰবোৰ
আঁতৰি গ'ল।
এতিয়া,
মাথোঁ উচুপনি
পথৰ শিলগুটিবোৰে
অৰুণ জ্যোতি বিচাৰি
হাহাকাৰ কৰিছে।
কিন্তু.............
সিহঁত যে হেৰাল
তেজৰ কৰাল চেকুৰাত
অজানিতে। ❒

উঃ মাঃ দ্বিতীয় বৰ্ষৰ ছাত্ৰ।

গল্প

# আশাৰ জ্যোতি

শ্ৰীমৃদুল কলিতা

তেতিয়া ৰাতিপুৱা ৭ বাজি ৩০ মিনিট হৈছিল। খিৰিকি খনেৰে সূৰ্যৰ হেঙুলী কিৰণ আহি মজিয়াত পৰিছে। জ্যোতিয়ে আৱেগ বিহ্বল হৈ তেতিয়াও বিছনাতে দীঘল দি শুই আছে। তাৰ মনত নানা ধৰণৰ ভাব, চিন্তা আৰু শোকে আগুৰি ধৰিছেহি। কোন বাটে গ'লে সি নিজ লক্ষ্যত উপনীত হ'ব পাৰিব বাৰু? সি নিজকে বুজাব পৰা নাই, হঠাৎ তাৰ জীৱনত এইবোৰ কি যে মাৰাত্মক ঘটনা ঘটিবলৈ ধৰিছে। অতীতৰ ঘটনাবোৰ আহি তাৰ মনৰ দাপোণত প্ৰতিফলিত হৈছে। জীৱনত পোৱা-নোপোৱাৰ অংক কৰি সি ভাগৰি পৰিছে। সি যেন আজি দিশহাৰা পথিক। জ্যোতিৰ জীৱনত কংকালৰূপে দেখা দিয়া বিষ বাষ্পই আজি তাক খুলি খুলি খাইছে। সি আজি সৰ্বহাৰা, সৰ্বস্বান্ত আৰু মৰণমুখী যুৱক। তাক আজি কিছুমান জীৱন ধ্বংসকাৰিনী ৰোগে খেদি লৈ ফুৰিছে। জ্যোতিয়ে এনেবোৰ ভাৱত ভাৰাক্ৰান্ত হৈ থাকোঁতে হঠাৎ কাৰোবাৰ মাতত সাৰ পালে।

জ্যোতিহঁতৰ ঘৰ কলাপানী গাঁৱত। দুখীয়া পৰিয়ালৰ পাঁচটা সন্তানৰ একেবাৰে সৰুজন জ্যোতি। তাৰ ওপৰৰ দুজন ল'ৰা, বাকী দুজনী ছোৱালী। সিহঁত আটায়ে খুব মিলা প্ৰীতিৰে জীৱন কটাই গ'ল। মাক-দেউতাকো বুঢ়া হৈ আহিল। গতিকে জ্যোতিৰ ডাঙৰ কাকায়েক ৰমেনে ঘৰ চলোৱাৰ সম্পূৰ্ণ দায়িত্ব মূৰ পাতি ল'লে। জ্যোতি পঢ়াত খুব ভাল আছিল। সেয়েহে জ্যোতিৰ পঢ়া শুনাৰ ব্যাঘাত ঘটিব পাৰে বুলি ভাবি ডাঙৰ ককায়েকে মটৰ মেকানিকৰ কাম কৰিবলৈ ল'লে। আৰু আনজনে খেতিৰ কামত লাগিল। বায়েকহঁতেও কিছু পঢ়ি বাদ দিলে। জ্যোতিয়ে কিন্তু দোপতদোপে শিক্ষা জীৱনটো আগবঢ়াই নি থাকিল। আৰু এনেকৈয়ে এদিন সি প্ৰৱেশিকা পৰীক্ষা দিবলৈ ওলাল। ঘৰখনৰ সকলোৰে আশা জ্যোতিৰ ৰিজাল্ট খুব ভাল হ'ব। আনপিনে সি পঢ়া দক্ষিণ কলাপানী হাইস্কুলৰ শিক্ষক বৰ্গই তাৰ ওপৰতে নিৰ্ভৰ কৰিছে। সি কিবা এটা নকৰিলে এই পিচ পৰি থকা স্কুলখনৰ সুনাম কৰোঁতা আনজন নহ'ব! পৰীক্ষা হৈ গ'ল। জ্যোতিয়ে আশা সুলভ মনেৰে বাট চাই আছে তাৰ ৰিজাল্টলৈ। তাৰ ভয় আৰু আশংকাই বাহ লৈছে। জানোচা ক'ৰবাত কিবা ভুলেই হৈছে।

কিছুদিন পিচত ৰিজাল্ট ওলাল। জ্যোতিয়ে ঘৰখনৰ, গাঁওখনৰ লগতে স্কুলখনৰ বাবে গৌৰৱৰ পাত্ৰ হৈ পৰিল। সি তিনিটা বিষয়ত লেটাৰ সহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। এইবাৰ কথা হ'ল কলেজত পঢ়া; কলেজত নাম ভৰ্ত্তীকৰণৰ বাবে ৭০০.০০ টকাৰ প্ৰয়োজন। টকা পাই ক'ত? সি ডাঙৰ ককায়েকৰ সৈতে আলোচনা কৰি খেতি মাটিকে অলপ বন্ধক থ'লে। ইতিমধ্যে সিহঁতৰ দেউতাকৰ টান নৰিয়াত মৃত্যু হৈছিল। মাক আছে যদিও যোৱা-থোৱা অৱস্থা। সেইবোৰ যিয়ে নহওক তথাপি সি জানো নপঢ়াকৈ থাকিব। সি কোন পিনে কি কৰে একো ভাবি পোৱা নাই। মাটিৰ টকাৰ কিছু অংশ মাকৰ চিকিৎসাৰ নামত থ'লে। আৰু বাকীখিনিৰে তাৰ এড্‌মিচন ল'লে।

সি অভাৱত জুৰুলা হোৱা বাবে উচ্চ শিক্ষা লাভৰ আশা মনতে ৰ'ল। সি ছয়গাঁও কলেজতে কলা বিভাগত পঢ়িবলৈ ল'লে। কলেজত গৈ তাৰ খুব ভাল লাগিছে। দুখৰ মাজতো সুখে আবৰি ধৰেহি। নতুন নতুন বন্ধুৰ সংস্পৰ্শই তাক আনন্দিত কৰি ৰাখিছে। এতিয়া কথা হ'ল কিতাপ কিনাটো। দুই এখন

ানৰ পৰা আনি পঢ়িছে। হ'লেও সেইখিনি যথেষ্ট নহয়। লেজৰ শিক্ষক সকলৰ পৰাও সি অলপ দিনতে মৰম আদায় ৰি ল'ব পাৰিছে। এইদৰে নানা অভাৱৰ মাজেৰেই প্ৰথম ছৰটো অতিবাহিত কৰিলে। তাৰ পিচৰ বছৰটোৰ বাবেহে জ্যাতিৰ বেছি চিন্তা হ'ল। Final year ; পৰীক্ষা ভাল নহ'লে ৰ বেয়া কথা হ'ব। ককায়েকে তাক পাৰে মানে সহায় কৰি াছে। সিহঁতৰ ঘৰখনলৈ বেয়াই লাগে। ইমান দুখীয়া ৰিয়ালটোৰ একমাত্ৰ পথৰ লাখুঁটি একেবাৰে ভাগি পৰিছিল। াকৰ মৃত্যুৰ আগতে জ্যোতিৰ বায়েক এজনীও কোনোবা জনৰ সৈতে পলাই গৈছিল। আনজনীয়ে ঘৰতে তাঁত এখনত াপোৰ ব'ই আনৰ দুৱাৰত নোযোৱাকৈ কোনোমতে চলি আছে।

মাকৰ মৃত্যুৰ পিচত সিহঁতৰ ঘৰখনলৈ কিছু শান্তি আহিল। ডাঙৰ ককায়েকে মেকানি কাম কৰি আছে, মাজৰজনে ঘৰতে নানা ধৰণৰ শস্য কৰি নিজা খৰচ কণ উলিয়াইছে। আনহাতে জ্যোতিয়ে এইবাৰ ঘৰতে কেইটামান টিউচন ঠিক কৰি লৈছে। কলেজত নোযোৱা সময়খিনি টিউচন কৰে। এনেদৰে ঘৰখনৰ আৰ্থিক দিশটো কোনোমতে জোৰা মৰা হ'ল।

সেইদিনা আছিল নৱাগত আদৰণি সভা। জ্যোতিয়ে গৈ এখন খালী আসনত বহিল। তাৰ ওচৰত এজনী ছোৱালী। ছোৱালী জনীয়ে তাৰ মুখৰ পিনে একে থৰে 'ৰ' লাগি চাই ৰ'ল। সি বেচেৰাই লাজে ভয়ে ছোৱালীজনীৰ পিনে চাই সুধিলে। কি হ'ল? কিয় তেনেদৰে চাই ৰ'লা? ছোৱালীজনীয়ে ক'লে- "নাই এনেয়ে"। ছোৱালীজনী কিন্তু বেচ ধুনীয়া। তাইৰ দেহৰ বৰণ, চুলি, চকুৰ মণি আদিৰ অৱয়বে জ্যোতিৰ মন আকৰ্ষিত কৰিলে। জ্যোতিয়ে লাহেকৈ সুধিলে- কোন year, কি নাম? ছোৱালীজনী তলমূৰ কৰি ক'লে- প্ৰথম বৰ্ষ, মোৰ নাম আশা চৌধুৰী, ঘৰ ছয়গাঁৱতে। মোৰ দেউতা ডাঃ তাৰকেশ্বৰ চৌধুৰী। জ্যোতিয়ে এইবাৰ থমকি ৰ'ল। কাৰো মুখত মাত বোল নাই, আদৰণি সভা চলি আছে। আশাই সঘনে উদয় দীপ্ত, ৰংচঙীয়া আৰু মিঠাসুৰীয়া সবল ডেকা জ্যোতিলৈ বাৰে বাৰে দৃষ্টি নমাইছে। নানা ভাৱত বিভোৰ তাইৰ মন। তাইৰ মনে প্ৰাণে হয়তো তাকেই বিচাৰে। তাই জ্যোতিৰ ৰূপ-লাৱণ্যত ভোল গৈ জ্যোতিক তাইৰ মানসপটত স্থান দিলে।

দিনবোৰ বাগৰি থাকিল, দুয়ো দুয়োৰে হৃদয়ৰ কথা বুজি পালে। লাহে লাহে সিহঁতৰ এজনে আনজনক এৰাব নোৱাৰা অৱস্থা আহি পৰিল। জ্যোতিয়ে কিবা দুখত পৰিলে আশাই তাক টকা-পইচা দি সহায় কৰে। এনেদৰে জ্যোতিয়ে গৈ গৈ এদিন সুখ্যাতিৰে ডিগ্ৰী পাছ কৰিলে। সি আৰু নপঢ়িলে। ঘৰখনৰ দায়িত্ব বুজি সি এখন হাইস্কুলত সোমাল। জ্যোতি আৰু আশাৰ সম্পৰ্কৰ কথা আশাহঁতৰ ঘৰখনে গম পালে। আশা আৰু জ্যোতিৰ মিলনত কোনেও সন্মতি নজনালে। আশাই এই কথা কোনোমতে সহ্য কৰিব পৰা নাছিল। তাই তাইৰ মনটোক কেনেকৈ বুজায় বাৰু? তাই যে জ্যোতিৰ অবিহনে জীয়াই থাকিব নোৱাৰে। তাই দেউতাকহঁতৰ কথাত প্ৰতিবাদ কৰিলে। আৰু নানা বাধা নেওচি তাই জ্যোতিক লগ কৰিবলৈ আহে। জ্যোতিয়ে তাইক নানা কথাৰে, নানা ভাষাৰে বুজালে। কিন্তু তাই কোনোমতে মান্তি নহয়। তাই হেনো জ্যোতিক নেপালে বিষ খায় মৰিব। জ্যোতিয়ে আজিকালি আশাৰ কথালৈ বিশেষ গুৰুত্ব নিদিয়া হৈছে। সি আশাক ইমান ভাল পায়, অথচ তাৰ মনটোৱে বাৰে বাৰে তাক বাধা দিয়ে। সি জানি শুনি এজনী ৰূপৱতী গাভৰু ছোৱালীক অকালতে বিধৱা সজাব নোৱাৰে। তাৰ মনটো মাৰি থকা দেখিলে আশাই নানা কথাৰে আমোদ দিবলৈ যত্ন কৰে। ক'তা, জ্যোতিৰ ম্লান হৈ যোৱা মনটো দেখোন ওভোতাই পোৱা নগ'ল। লাহে লাহে জ্যোতিৰ দেহ ভাগি পৰিল। সি ডাক্তৰৰ পৰামৰ্শ মতে ঔষধ খাই গ'ল। তাৰ কি হৈছে কোনেও ক'ব নোৱাৰে। সি এতিয়া স্কুললৈও যাব বাদ দিলে। ঘৰৰ ভিতৰত সোমাই সোমাই নিজৰ কপালক ধিয়াই কান্দি থাকিল সি। জীৱনত পোৱা-নোপোৱাৰ হিচাব কৰি কৰি সি এতিয়া ভাগৰি পৰিছে। তাৰ কেতিয়াবা কেতিয়াবা নিজকে ধ্বংস কৰি দিবৰ মন যায়। কিন্তু পৰা নাই- মাথোঁ আশাৰ মুখখনি চাইয়ে সি বাছি আছে। জ্যোতিৰ ঘৰৰ আটায়ে গম পালে, তাৰ যে কিবা ডাঙৰ বেমাৰ হৈছে। পলম নকৰি তাক চিকিৎসালয়ত ভৰ্তি কৰোৱা হ'ল। তাৰ বেমাৰৰ খবৰ শুনি আশাজনী পাগলীৰ দৰে উদ্বাউল হৈ পৰিল আৰু জ্যোতিৰ চিকিৎসাৰ সকলো খৰচ বহন কৰি গ'ল।

তাই কান্দি কান্দি জ্যোতিৰ কিয় এনে হ'ল, কাৰ কু

চক্ৰান্তত তাইৰ বুকুৰ মাজৰ পৰা সি এনেদৰে অকস্মাত গুচি যাব ওলাইছেনো বাৰু? নানা প্ৰশ্নই তাইৰ মন ভৰি পৰিল। আশাৰ স্বপ্নালী মধুময় দিনবোৰ কেনেকৈযে সিহঁতে এটাৰ পিচত এটাকৈ কটাই গৈছিল। সেই মধুময় দিনৰ সুমধুৰ সম্পৰ্কৰ আজি হঠাতে বৃহৎ আকাৰৰ ভূমিকম্পই থান-বান কৰি দিলে। তাই হৈয়া উজাৰি কান্দি থাকিল। জ্যোতিৰ চকুত অলেখ বুজাব নোৱাৰা ভাষাৰ প্ৰতিচ্ছবি ভাঁহি উঠিছে। তথাপি সি তাইক থানাক-থুনুক মাতেৰে অলপ সান্ত্বনা দিবলৈ যত্ন কৰিলে। যেতিয়া জ্যোতিৰ মাকৰ টান নৰিয়া হৈছিল, তেতিয়া তেজৰ খুব প্ৰয়োজন হৈছিল। জ্যোতিয়ে অকণো পলম নকৰি তেজ দিবলৈ সন্মত হৈছিল। আৰু তেতিয়াই নাৰ্ছৰ অৱহেলাত অপৰিস্কাৰ বেজীৰে সি তেজ দান কৰিবলগীয়া হৈছিল। আৰু এনেকৈয়ে আজি সি "এইড্‌ছ"ত আক্ৰান্ত।

গোটেই দিনটো আশাই মেডিকেলত দৌৰা দৌৰি কৰোতেই গ'ল। সাজ লগাৰ আগে ঘৰ পাব লাগিব। গতিৰে আশাই তাইৰ ভগ্ন আৰু বিধ্বস্ত মনটো লৈ জ্যোতিৰ কাষৰ পৰা কান্দি কান্দি বিদায় মাগিলে। জ্যোতিৰ চকুপানী নিগৰি গৈ গাৰুত পৰিছে। আশাই চকুৰে বাট নেদেখা হৈ হিয়াৰ মণিকূট সম জ্যোতিক এৰি গুচি গ'ল। জ্যোতিয়ে তাই যোৱাৰ ফালে একেথৰে চাই থাকিল।

সেইদিনা নিশাটো জ্যোতিয়ে খুব কষ্টৰে কটালে। আশাজনীৰ সোণালী সপোন চাগে বাস্তৱত ৰূপায়িত নহ'ব। তাইৰ সেই মধুময় সপোনৰাজী সপোন হৈয়ে ৰ'ল। জ্যোতিয়ে নিশাৰ নিমগ্ন প্ৰকৃতিৰ কোলাত খন্তেক বিশ্ৰাম লৈছে, কেতিয়ানো নিশাৰ দ্বাৰ মুকলি হৈ প্ৰভাতী সুৰুযে ভুমুকি মাৰিলে গমেই নাই তাৰ। জ্যোতিয়ে হৈ যোৱা ঘটনাবোৰৰ ৰোমন্থন কৰি শোৱা পাতিতে পৰি আছে। নাৰ্ছ এজনী আহি মাত দিয়াতহে তাৰ সম্বিত ঘুৰি আহিল। ☐ ☐

*লেখক উঃ মাঃ প্ৰথম বৰ্ষৰ ছাত্ৰ*

অতি সামান্য কামকো ঘৃণা কৰা উচিত নহয়। যি মানুহে অতি সৰু কাম কৰে, তেওঁ ডাঙৰ কাম কৰা জনতকৈ অলপো সৰু নহয়। কৰ্তব্যৰ ধৰণ দেখি নহয়, কৰ্তব্য সাধনৰ ধৰণ দেখিহে মানুহক বিচাৰ কৰিব।

— স্বামী বিবেকানন্দ

# মুক্তি !

✍ শ্ৰীতপন দাস

গোটেই ৰাতি টোপনি নাই। বিছনাখনত এনেয়ে ছট্‌ফটাই আছো। ৰাতিপুৱা চিলমিলকৈ টোপনি আহিব ধৰিছিল। এনেতে বৰষুণ দিবলৈ আৰম্ভ কৰিছিল। গতিকে উঠি আহিবলৈ বাধ্য হ'লো, কাৰণ ঘৰৰ মুধছুৰে বিছনাত পানী পৰে। তথাপি ৰাতিপুৱাৰ পৰিবেশ আৰু বৰষুণ মোৰ প্ৰিয়। চৰাই চিৰিকটিৰ কোলাহল তাতে আৰু বসন্ত ঋতুৰ কুলিৰ কু-কু মাতে ৰাতিপুৱাৰ পৰিবেশটো সুন্দৰ কৰি তুলিছে। মই লাহেকৈ খিৰিকিখন খুলি দিলোঁ। লগে লগে বতাহ এজাক ভিতৰলৈ সোমাই আহি মোক আলিংগন কৰিলে। মোৰ গা শীতল পৰি গ'ল। মনত নানা ভাবৰ বুৰ বুৰণি। আজিকালি মানুহৰ ক'ত কেনেদৰে মৃত্যু হয় তাৰ ঠিক নাই। চাৰিওফালে কেৱল মৃত্যুৰ বিভিষিকা; মানুহক কুকুৰ মেকুৰীৰ দৰে হত্যা কৰা হয়। কিন্তু হত্যাকাৰী সাৰি যায়। সেয়েহে ভাব হয়, মানুহবোৰ বাৰু মানুহ নহয় নেকি?

হঠাৎ মানুহৰ চিঞৰ বাখৰৰ শব্দ শুনি বাহিৰলৈ ওলাই আহিলোঁ। ইতিমধ্যে বৰষুণ জাক এৰিছিল। তিনিআলিৰ ফালে মানুহৰ জুম দেখি আগুৱাই গলোঁ। গৈ যি দেখিলো নিজৰ চকুকো বিশ্বাস কৰিব পৰা নাছিলোঁ। এয়া সোণটিৰ মৃতদেহ তেজেৰে লুতুৰি পুতুৰি হৈ আছে। মই তাৰ দেহৰ ওপৰতে বাগৰি পাৰিলোঁ।

পুলিচ অফিচাৰ এজনে মোক হাতত ধৰি উঠাই দিলে। ইতিমধ্যে পুলিচে তাৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে নিবলৈ সাজু কৰিছে।

সোণটি আৰু মই সৰুৰে পৰা একে লগে পঢ়িছিলোঁ। সি এটি দৰিদ্ৰ পৰিয়ালত জন্ম গ্ৰহণ কৰিছিল। সেয়েহে সি বহু সুবিধাৰ পৰা বঞ্চিত হৈছিল; কিন্তু পঢ়াত হ'লে বৰ চোকা আছিল। দাৰিদ্ৰ্যতাৰ কাৰণে তাক কোনোবাই পুতৌ কৰিলে তাৰ সহ্য নহৈছিল। সিহঁতৰ ঘৰখন দাৰিদ্ৰ্যতাৰ পৰা ৰক্ষা কৰিবলৈ সি নানাধৰণে সৰুৰে পৰা কষ্ট কৰিছিল। তথাপি সিহঁতক দাৰিদ্ৰ্যতাই লগ এৰা দিয়া নাছিল। সি ঘৰখন দাৰিদ্ৰ্যতাৰ পৰা মুক্ত কৰিবলৈ এটি কৰ্মসংস্থান বিচাৰি বিচাৰি নাপাই অৱশেষত এদিন ঘৰৰ পৰা গুচি গ'ল। ক'লৈ গ'ল কোনোৱে নাজানে। বহু খবৰ কৰিলো কিন্তু সন্ধান নাপালোঁ।

এদিন ৰাতিপুৱা বাতৰি কাকতখন মেলি লৈছিলোঁ। হঠাৎ বাতৰিত তাৰ শিৰোনামা দেখি আচৰিত হৈছিলোঁ। পুলিচ বিষয় দুজনক হত্যা কৰা বুলি তাক সন্দেহ কৰিছে আৰু তাক গ্ৰেপ্তাৰ কৰিবলৈ বিচাৰি আছে। সি হেনো কোনোবা উগ্ৰপন্থী দলৰ সদস্য। হ'লেও মই মানি ল'ব পৰা নাছিলোঁ। যি জন ল'ৰাই চৰাই এটি হত্যা কৰিব নোৱাৰে সেইজন ল'ৰাই আকৌ মানুহৰ হত্যা কৰিব পাৰিবনে? No impossible হ'বই নোৱাৰে মই চিঞৰি দিছিলোঁ। কিমান জোৰে চিঞৰিছিলোঁ নিজে গম পোৱা নাছিলোঁ, যেতিয়া মা আহি কি হ'ল বুলি সুধিলে তেতিয়াহে হুঁচ আহিল। মাক মই একো হোৱা নাই বুলি বৈ থলোঁ।

যেতিয়া পুলিচে তাক লৈ গ'ল মৰণোত্তৰ পৰীক্ষা কৰিবলৈ তেতিয়া মই মনটোত এটি গধুৰ বোজালৈ ঘৰলৈ উভটিলোঁ। আহি বিছনাত পৰি আমাৰ অতীত স্মৃতি ৰোমন্থন কৰিবলৈ ধৰিলোঁ।

মোৰ টেবুলত এটি লেফাফা দেখি অনিচ্ছা সত্বেও হাতত তুলি ললোঁ। আখৰ কেইটা দেখি তৎক্ষনাত চিনি পালোঁ এয়া সোণটিৰ আখৰ। তৎক্ষনাত লেফাফাটো ফালি চিঠিখ

লিয়াই আনিলোঁ আৰু পঢ়িবলৈ আৰম্ভ কৰিলোঁ।

ম্মৰ

বন্ধু মৰম ল'বি

প্ৰথমতে তোক নজনোৱাকৈ গুচি অহাত ক্ষমা কৰিবি। ৰৰ পৰা গুচি অহা সাত বছৰে হ'ল। তই হয়তো ভাবি পোৱা ই মই ঘৰৰ পৰা কিয় গুচি আহিলোঁ। আজি তোক সকলো য়ো খুলি কম। আগৰ কথাবোৰ তই সকলো জান, পুনৰ তোক থত কৰি দিব বিচৰা নাই- সোঁৱৰিছোঁ মাত্ৰ। আমাৰ ৰৈয়ালটোক দুৰৱস্থাৰ পৰা মুক্ত কৰিব বিচাৰিছিলোঁ। কিন্তু ৰিলোঁ জানো? মানুহে আমাক দুখীয়া বুলি ঘৃণা কৰিছিল। ৰস্থাৰ কথা বুজিব পাৰি সিহঁতে আমাক সিহঁতৰ হাতিয়াৰৰ ৰ ব্যৱহাৰ কৰিব বিচাৰিছিল। তথাপি আদৰ্শৰ পৰা বিচলিত ৰিব পৰা নাছিল। বৰ্তমান ভোগবাদী সমাজখনৰ দুখীয়া ণীক কৰা ব্যৱহাৰত তথা শোষণ কৰা দেখি আমাৰ দৰে বহু ৰিয়ালৰ কথা চিন্তা কৰি মই ওলাই আহিছিলোঁ বিপ্লৱ কৰিবলৈ। ন্তু আজি সাত বছৰে হাবি জংঘলে ঘূৰি ঘূৰি আত্মগোপন ৰি বিপ্লৱ চলোৱাৰ ইচ্ছা মোৰ নাই। তাতকৈ ডাঙৰ কথা মাৰ লিডাৰক মই আজিলৈ দেখাই নাই। এই সাত বছৰে ৰৱালাৰ নিৰ্দেশ মতে কাম কৰি গৈছিলোঁ। কিন্তু সেইদিনা ট ঘটনাই মোক এই পথ ত্যাগ কৰিবলৈ বাধ্য কৰালে। এদিন নন অফিচাৰৰ জীয়েকক অপহৰণ কৰিবলৈ মোক দায়িত্ব ল, নহ'লে হত্যা কৰিবলৈ নিৰ্দেশ দিলে। মই উপস্থিত হৈয়ে ৰ পৰা উভতি আহিলোঁ। সেয়া চিমাৰ ছোৱালী ৰীমা, তাই হৰ লগত বাৰাণ্ডাত খেলি আছিল। তয়ে ক' মই চিমাক নো দুখ দিব পাৰিম? মই জানো, সংগঠনৰ নিয়ম উলংঘা ৰিলে মই শাস্তি পাব লাগিব। যি শাস্তি হয় হওক, কিন্তু মই াক দুখ দিব নোৱাৰো। চিমাই মোক ধৰিব পৰা নাই। মই ন্তু তাইক দেখাৰ লগে লগে চিনিব পাৰিছিলোঁ। তাই সুখেৰে া দেখি মোৰ ভাল লাগিছিল।

কিন্তু বন্ধু, তাইতো মোক দুখীয়া বুলি ঘৃণা কৰি এদিন ্যাখান কৰিছিল। যি জনী ছোৱালীয়ে আজীৱন মোক ভাল পোৱাৰ প্ৰতিশ্ৰুতি দিছিল, মোৰ লগত বিয়া হোৱাৰ সপোন দেখিছিল তাই জানো মোক পাহৰি যোৱা নাছিল? তাই একমাত্ৰ টকাৰ কাৰণে সেই লম্পট অফিচাৰ জনৰ লগত বিয়া হোৱা নাছিল? বন্ধু- তাই পাহৰিলেও মই তাইক আজিলৈ পাহৰি যাব পৰা নাই। মই য'লৈকে গৈছোঁ তালৈ তাইক মোৰ মনৰ মাজত লৈ ফুৰিছোঁ।

তথাপি বন্ধু এটি কথাই মোক বৰকৈ আমনি দিয়ে। তাইক মই দিয়া চিঠিবোৰ এদিন মোৰ সন্মুখতে জুই লগাই দিছিল। আৰু শেষত তাইক মই তিনিখন চিঠি দিও উত্তৰ নাপালোঁ। তই বোধহয় নাজানা তাইৰ বিয়াৰ দিনা সিহঁতৰ ঘৰৰ ওচৰত আমি চাৰিজন সদস্য আশ্ৰয় লৈছিলোঁ। কিন্তু তাইৰ বিয়া বুলি আগতে গম পোৱা নাছিলোঁ। যেতিয়া সিহঁতৰ ঘৰৰ পৰা আয়তীৰ উৰুলি বেণ্ড পাৰ্টিৰ শব্দ ভাঁহি আহিছিল মোৰ বুকুত বেয়াকৈ আঘাত হানিছিল। মই কিমান কান্দিছিলোঁ নিজেই নাজানোঁ। বন্ধু কেইজনেও বোধহয় সান্ত্বনা দিয়া ভাষা বিচাৰি পোৱা নাছিল। মাজতে এবাৰ ভাব হ'ল বিয়ালৈ গৈ লগত থকা টকা এশ দি আহিম। কিন্তু মোৰ উপহাৰ জানো তাই গ্ৰহণ কৰিব? নাই মই আৰু অপমানিত হ'ব নোৱাৰোঁ। গতিকে মনতে আশীৰ্বাদ দিলোঁ। সিহঁতৰ জীৱন যেন সুখী হয়। তাৰ পাচৰে পৰা মোৰ আৰু একোতে মন নবহা হৈ পৰিল। চিঠিখনত বহু অলাগতীয়াল কথা সোমাল।

বন্ধু এতিয়া আচল কথালৈ আহোঁ। মই আত্মসমৰ্পণ কৰিব ওলাইছোঁ। সমাজে জানো মোক আকোৱালী ল'ব? তথাপি মই আত্মসমৰ্পণ কৰিম। অহাকালি প্ৰথমতে তোৰ ঘৰলৈ যাম। বহু কথা ক'বলৈ আছে। শেষত বহুত মৰমেৰে-

ইতি

তোমাৰ বন্ধু

"সোণটি"

হঠাৎ সাৰপাই দেখিলোঁ মোৰ বিছনাৰ সন্মুখত নাৰ্ছ এগৰাকী। আগৰ ঘটনাতো মই মনত পেলাবলৈ চেষ্টা কৰিলোঁ............... ☐☐

*লেখক স্নাতক ৩য় বৰ্ষৰ ছাত্ৰ।*

# পৰিৱৰ্তন

✍ শ্ৰীদিলীপ বনিয়া

দেউ আৰামী চকীখনত গাটো অৱশভাৱে এৰি দি ওপৰৰ আকাশখনলৈ চাই ৰ'ল। চোতালৰ মাজত তেনেদৰে অৱশভাৱে বহি থকাটো দেউৰ বাবে ব্যতিক্ৰম। গোটেই দিনটোৰ অশেষ পৰিশ্ৰমৰ অন্ততো তেওঁ ভাগৰ অনুভৱ নকৰে। মাঘ মাহৰ ফৰকাল বতৰ। তেওঁ আজি আকাশত তৰাবোৰৰ স্থিতি অপলক নেত্ৰে লক্ষ কৰিছে। দেউৰ বয়স তিনি কুৰিৰ কম নহ'ব। আনদিনা সকলো কাম কাজ সামৰি সন্ধিয়া যেতিয়া থাপনাৰ ওচৰত বহে তেতিয়াই দিনটোৰ দুখ, ভাগৰ, চিন্তাবোৰ আঁতৰি যায়। আজি কিন্তু সম্পূৰ্ণ বিপৰীত। আজি থাপনাৰ ওচৰৰ পৰা আহিও মনটো শান্ত কৰিব পৰা নাই। কিয় আজি তেওঁ হাৰ মানিলে? একমাত্ৰ ল'ৰাৰ ইচ্ছাত স্পষ্ট প্ৰতিবাদ কৰিব নোৱাৰিলে। ঘৰৰ আটাইবোৰ মানুহেই আজি তেওঁৰ বিপৰীতে গৈছে। কিছুদিনৰ পৰা দেউৱে নিজকে ঘৰখনত বৰ অৱহেলিত যেন অনুভৱ কৰিছে।

"দেউতা বাহিৰত অকলে অকলে বহি কি কৰিছা? বৰ কুঁৱলী পৰিছে। ভিতৰলৈ আহা।" নুমলীয়া জীয়েক কাকলিৰ মাতত দেউ যেন কোনোবা দিশৰ পৰাহে ঘূৰি আহিল। কাকলিয়ে বুজে দেউতাকৰ বেদনা কিমান! ক্ষোভ ক'ত। তাৰেই সুবিধা লৈ দেৱে কাকলিক মনৰ সকলো খবৰ জনায়। দেউ ভিতৰলৈ গৈ বিছনাৰ ওপৰতে বহি গাটো বেৰত আওজাই কাকলিৰ মাকক ক'লে, "আজিৰ পৰা যদি কোনোবা সোঁৱৰণী লিখাবলৈ বা বিয়া বাৰুৰ ৰাশিযোৰা চাবলৈ আহে তেন্তে ক'বা দেৱে চকুৰে ভালদৰে মনিব নোৱাৰা হৈছে।" কথাখিনি কওঁতে দেউৰ সৰ্বশৰীৰ জ্বৰ ঘমাদি ঘামিছিল। উশাহবোৰো ঘন হৈছিল।

দেউ, মানে সনাতন গোস্বামী। গোটেই পূৱ কামৰূপ অঞ্চলতেই তেওঁক সনাদেউ বুলিয়েই জানে। কাৰোবাৰ ল'ৰা-ছোৱালী জন্ম হ'লে বা বিয়াৰ ৰাশিযোৰা, দিনবাৰ, ভৱিষ্যতৰ ভালবেয়া আদিবোৰ চাবলৈ হ'লে অঞ্চলটোত প্ৰথমে প্ৰতিজন মানুহৰ মানস পটত ধৰা দিয়ে সনাদেউ। দেউ মানুহজন বৰ কৰ্মপটু। তেওঁৰ কথা যেনে কামো তেনে। প্ৰতি ক্ষেত্ৰত নিয়মানুৱৰ্ত্তিতা পালন কৰে। তেওঁৰ দৰে এজন অৰ্ধশিক্ষিত (M.V. Passed) ব্যক্তিৰ কামকাজ, সময়ৰ হিচাব-নিকাচৰ খতিয়ান চালে সঁচাকৈয়ে আচৰিত হ'বলগীয়া। ৰাতিপুৱা পথাৰত, বজাৰত, মেল-মিটিঙত, সাহিত্য চৰ্চা, জ্যোতিষ অধ্যয়ন ইত্যাদিৰ ক'ত কিমান সময় খৰচ কৰিব ৰাতিতেই তাৰ তালিকা প্ৰস্তুত। অবাবত তেওঁ এক চেকেণ্ড সময় খৰচ নকৰে আৰু আনে কৰিলেও তেওঁ সহ্য নকৰে। ইয়াৰ মাজেৰে তেওঁ সাহিত্য চৰ্চাও কৰে। কিন্তু অঞ্চলটোত তেওঁক এজন জ্যোতিৰ্বিদ (গণক) বুলিহে সকলোৱে জানে। ইতিমধ্যে তেওঁ দুই/তিনিখন জ্যোতিষ তত্ত্বৰ কিতাপো লিখি উলিয়াইছে। দেউৰ কোঠাটোত কিমান চনৰ পৰা পঞ্জিকা সংৰক্ষিত হৈ আছে তাৰ উমান লোৱাটো টান। তেওঁৰ দুজনী ছোৱালী ৰীতা আৰু কাকলি আৰু একমাত্ৰ ল'ৰা পোনাকো তেওঁৰ ধ্যান-ধাৰণাৰে শিক্ষিত কৰি তুলিছিল। কোনেও তেওঁৰ মতৰ বিৰোধিতা কৰিবলৈ সাহস নকৰে। তেওঁৰ মতে "এখন ফলকবিহীন বন্ধ দোকান কিহৰ দোকান তাক জনাৰ যিদৰে উপায় নাই, ঠিক সেইদৰে মানুহ এজনৰ হাত দুখন নোচোৱাকৈ মানুহজনৰ বিষয়ে সম্পূৰ্ণকৈ জনাৰো উপায় নাই।" দেউৰ উক্তিবোৰ যথেষ্ট যুক্তিপূৰ্ণ সেইবাবে তেওঁৰ প্ৰতি মানুহৰ আস্থা দিনকদিনে বাঢ়ি গৈছে।

দেউৰ জ্যোতিষ শাস্ত্ৰক কেন্দ্ৰ কৰি আজি কিছুদিনৰ পৰা গোটেই ঘৰখনকে মতানৈক্য হোৱা অনুমান কৰিছে কাজিয়াৰ কাৰণটো কিন্তু ঘৰুৱা। আজি অত বছৰে কিমানজনৰ

বিয়াৰ ৰাশিযোৰা চাই দিলে দেৱে। যদি কাৰোবাৰ বিয়াৰ ক্ষেত্ৰত এই বিয়া নোহোৱাই ভাল, এই বুলি কয় তেতিয়া আৰু কোনোৱে সেই বিষয়ে খোজ আগ নবঢ়ায়। তেওঁ কথা আৰু কামৰ সামঞ্জস্য থকা মানুহ বুলি সকলোৱে জানে। কিন্তু তেওঁৰ ঘৰৰ সদস্যৰ পৰা তেওঁ উপযুক্ত সন্মান পোৱা নাই। সেয়ে হয়তো সদা দেউৰ মনত সদায়েই এটা পোকে কামুৰি আছে। কেইদিন মানৰ পৰা পোনাৰ বিয়াৰ কথা চলিছে। মাক, বাইদেৱেক-ভিনিয়েক আৰু ভনীয়েকৰ মতে পোনাৰ যোগ্য এজনী উচ্চ শিক্ষিতা ছোৱালী আনিব লাগে। আনহাতে দেউ শিক্ষিতাই হওক বা অশিক্ষিতাই হওক; জাতপাত, ৰাশিযোৰা কিন্তু মিলিব লাগিব। দেউৰ অলক্ষিতে ঘৰৰ আটাইবোৰ সদস্যই জানে যে পোনাই স্থানীয় কলেজখনৰ অসমীয়া বিভাগৰ প্ৰবক্তা অৰুণিমা হাজৰিকাক বিয়া কৰাব। কথাটো কিন্তু দেউক কোনেও ক'বলৈ সাহস কৰা নাই, আনকি কাকলিয়েও। জানোচা দেউতাকে মনত বৰকৈ আঘাত পায়। কেইদিনমান আগতে গোঁসানীয়ে (দেউৰ ঘৈণীয়েক) এই বিষয়ে অলপ কথা দেউৰ কাণ চোৱাইছিল, "শুনিছেনে, হেৰি, আজিকালি হেনো উচ্চশিক্ষিত মানুহে জাত পাতৰ বিচাৰ এৰি নিজৰ যোগ্য যিকোনো এজনক বিয়া কৰায়।" কথাটো হয় নেকি? লগে লগে দেউ জাঙুৰ খাই উঠিছিল আৰু কৈছিল, "কলিৰ কাল, শুনিছা, ঘোৰ কলিৰ কাল।" তোমাক কোনে ক'লেহে? ৰাশিযোৰাটো বাদেই অজাতিৰ ল'ৰা-ছোৱালীৰ বিয়া হোৱাটো মিছা কথা। সম্পূৰ্ণ মিছা কথা। সঁচাই হ'ল বাৰু, কিন্তু ৰাশিযোৰা নাহিলে সিহঁতৰ সংসাৰ সুখৰ হ'ব নোৱাৰে। এদিন সিহঁত নিশ্চয় ধ্বংস হ'ব। জানিবা, জাতি ধ্বংস কৰা, জ্যোতিষ শাস্ত্ৰক অৱহেলা কৰা মানুহৰ উন্নতি কেতিয়াও সম্ভৱ নহয়।" কথাখিনি কওঁতে দেউ খঙত কঁপিছিল। সেইদিন ধৰি বুঢ়াৰ আগত এই বিষয়ে আৰু কোনেও মুখ নেমেলা হ'ল।

আজি পুৱাতে সদাদেউ মানে, সনাতন গোস্বামী তেওঁৰ একমাত্ৰ পুত্ৰ পোনা অৰ্থাৎ ডাঃ দীপক গোস্বামীৰ বাবে ছোৱালী চোৱাৰ মানসেৰে দিন বাৰ চাই ওলাইছে। ঘৰৰ দ্বিতীয়জন ব্যক্তিক জানিবলৈ নিদি তেওঁ পোনেই ৰতনপুৰ নিবাসী হৰিচৰণ মাষ্টৰৰ ঘৰলৈ চাইকেল পোনালে। হৰিচৰণ মাষ্টৰ মানে শ্ৰীযুত হৰিচৰণ গোস্বামী, অঞ্চলটোত এজন নাম থকা শিক্ষক। হৰিচৰণ মাষ্টৰৰ তৃতীয়া তথা কণিষ্ঠা কন্যা 'ভাগ্যৱতী'। দেউৰ মন আছে, "কি সুন্দৰ গাৰ গঠন। লাহী দেহ, আঙুলিবোৰ পা পাহী, কপালৰ থিক ফোঁট লোৱা ঠাইখিনি সামান্য দ, খো কাতলত একেবাৰে পদ্মিনী নাৰীৰ লক্ষণ প্ৰতিভাত হ'য়; অ কথাবোৰ............... । হ'ব হ'ব। ৰাশিযোৰা মিলিলে আম পোনাৰ লগত বৰ ভাল মিলিব। একেবাৰে লখিমী বোৱা হ'ব।" চাইকেলৰ ওপৰতেই দেৱে কথাখিনি এবাৰ পাগু ল'লে।

দেউ গৈ পোৱাৰ লগে লগে মাষ্টৰে বৰ আদৰ সাদৰে বহুৱালে। সাহিত্য, জ্যোতিষ শাস্ত্ৰ আদিৰ বিষয়ে বিভিন্ন ক দুয়োৰে মাজত আলোচনা হ'ল। মাষ্টৰে দেউৰ প্ৰতিটো ক মানি ল'ব নোৱাৰে যদিও প্ৰতিবাদ কিন্তু নকৰে। তে আলোচনাৰ বিষয়ে সাহিত্যৰ ফালেহে ঢাল খুৱাবলৈ চে কৰিলে। পুৰণিকলীয়া সাঁচত গঢ়া মাষ্টৰণী কিন্তু উচপিচা থাকিল, কেনেকৈ মাজনীহঁতৰ সোঁৰৰণী কেইখন দেউক দেখা পাৰে। এটা সময়ত চেগ বুজি সেই কেইখন দেউক আনি দিলে দেৱে সেইটোকে আশা কৰিছিল। তেওঁ ততাতৈয়াকৈ ভাগ্যৱতীৰ সোঁৰৰণী খনতেই প্ৰথমে চকু দিলে। সেইখন তে সুক্ষ্মভাৱে চাই এটা সময়ত নিজৰ আগমনৰ উদ্দেশ্য অৱগ কৰিলে।

ভাগ্যৱতী অৰুণিমাহঁতৰ কলেজৰে ছাত্ৰী। তাই অৰুণি আৰু ডাঃ দীপক গোস্বামীৰ সকলো কথা জানে আৰু তাই পৰাই কথাটো ঘৰৰ সকলোৱে জ্ঞাত।

দেৱে আঘাত পোৱাৰ ভয়ত মাষ্টৰে কথাটো পো পোনে ক'বলৈ ভাল পোৱা নাই। তেওঁ সাহিত্যৰ দোহাই ক'লে, "চাওক দেউ, সময়ৰ লগে লগে যেনেকৈ সাহিত্য বৰণ বা গঠন সলনি হয়, তেনেকৈয়ে সময়ৰ লগে লগে মানুহ চিন্তা চৰ্চা, ধ্যান ধাৰণাবোৰে এতিয়াৰ সমাজত এটা বেলে স্থান বিচাৰিব লাগিব। নহ'লে তেওঁলোকৰ লগত মিলি যা লাগিব আমাৰ যিখিনি উৎকৃষ্টতা সেইখিনি নিশ্চয় তেওঁলো আদৰি লৈছে। নহয় জানো? সেয়ে এতিয়া আমি আমাৰ নী নিয়মবোৰ কিছু শিথিল কৰিবৰ হ'ল।

"চাওক মাষ্টৰ মই আপোনাৰ তালৈ আন এট

সকামতহে আহিছো। আপোনাৰ কথাবোৰৰ অৰ্থ এফালৰ পৰা একেবাৰে সহজ, কিন্তু আমাৰ আলোচনাৰ বিষয়ৰ ভিতৰত সেইবোৰ অপ্ৰাসঙ্গিক নিশ্চয়?" দেৱে মাষ্টৰৰ ইংগিত বুজিব নোৱাৰিলে।

দেৱে মাষ্টৰৰ কথাৰ তৎ ধৰিব নোৱাৰত মাষ্টৰে পুনৰ আৰম্ভ কৰিলে, "মই জানো আপুনি কথাটো শুনি দুখ পাব। এই সময়ত আপোনাক মই আৰু দুখ দিব বিচৰা নাছিলোঁ। কিন্তু কথাটো মই আপোনাক ক'বই লাগিব। যিহেতু কোনেও আপোনাক ক'বলৈ সাহস নকৰে। আপুনি আজি যি উদ্দেশ্যলৈ মোৰ ঘৰলৈ আহিছে তাত মই সঁচাকৈয়ে বৰ সুখী, কিন্তু আপোনাৰ কথাটো ৰাখিব নোৱাৰাতহে মই দুখ পাইছো। হয়তো আপোনাৰ ঘৰৰ মানুহে, আপুনি দুখ পোৱাৰ ভয়ত একোৱেই আপোনাক জনোৱা নাই। এইদৰে বা কিমান দিনেই থাকিব। এদিন নিশ্চয় সত্যতো জানিবই। আপোনাৰ ল'ৰাৰ বাবে আপু ছোৱালী চোৱাৰ কোনো প্ৰয়োজন নাই। সি আজিৰ ডেক সিহঁতে নিজৰ উপযুক্ত এজনী বাছি লোৱাত আমি আপ কৰিব নালাগে। আপুনি শুনি দুখ পাব, সি ইতিমধ্যে অৰুনি হাজৰিকাৰ লগত 'ৰেজিষ্টাৰ্ড মেৰিজ' কৰাই থৈছে আপোনাৰ.........................।

কথাখিনি শুনি দেউ বহু সময় মাষ্টৰৰ মুখলৈ থৰ চাই থাকিল। হঠাৎ চকীখন ঠেলি থৰক-বৰক ভাৱে খৰ খেদা বাহিৰলৈ ওলাই আহিল আৰু কাৰোফালে নোচোৱা চাইকেলত উঠিল। মাষ্টৰে পদূলিলৈ গৈ দেউ বহুদূৰ পোৱা চাই ৰ'ল। এটা সময়ত মাষ্টৰৰ দৃষ্টিৰ পৰা দেউ আঁতৰ গ'ল। ❒❒

*লেখক বাণিজ্য বিভাগৰ অধ্যাপক*

আপুনি যদি সমাজৰ পৰা আঁতৰি থাকি অকলশৰীয়া জীৱন যাপন কৰিব খোজে তেন্তে মহানগৰত আশ্ৰয় লওক। আজিৰ দিনত সহজতে পাব পৰা মৰুভূমি হ'ল এটা মহানগৰৰ [illegible]।

- আলবেয়াৰ কেমু

# প্ৰতাৰণা

✍ শ্ৰীহীৰেণ সাউদ

ধুস্মিতা,

মৰম ল'বা। অৱশ্যে তোমাক মৰম দিব পৰা অধিকাৰ াছেনে নাই মই নাজানো। কিন্তু মৰম শব্দটো লিখিবলৈ ওঁতেই মোৰ বিবেকত যেন কিহবাই বাৰে বাৰে দংশন কৰিছে। না মধু, কালি তোমাৰ পৰা পোৱা ব্যৱহাৰৰ পাচত নিশা এক ্কেণ্ডৰ বাবেও টোপনি নহ'ল। বিছনাত মনত পৰি এনেয়ে াগৰি আছিলো। তুমিটো জানাই উজাগৰী নিশা কিমান ষ্টদায়ক। জীৱনৰ বেদনাময় মুহূৰ্তবোৰৰ মাজত হঠাৎ দেখা য়া এই বেদনাৰ মুহূৰ্তটোৱে মোক মৃত্যুসম যন্ত্ৰণা দিয়ে।

আজি বহুতো চিন্তাৰ অন্তত এতিয়াও এটা সুস্থিৰ িদ্ধান্তত উপনীত হ'ব পৰা নাই। ভাবি পোৱা নাই কি কৰো; কালে তোমাৰ সম্বন্ধ, যাক মোৰ সমগ্ৰ সত্বাই সামগ্ৰিকভাৱে খল কৰি আছে। আনপিনে মোৰ গধুৰ কৰ্তব্য যাক অৱহেলা ৰাৰ কাপুৰুষালী মই কৰিব নোৱাৰো। ভাবিছিলো তোমাৰ নুপ্ৰেৰণা মূৰত লৈ মোৰ জীৱনৰ ডিঙাখন জীৱন নদীত এৰি ম, য'ত তোমাৰ আৰু মোৰ বাহিৰে আন কোনো তৃতীয় ক্তি নাথাকিব। কিন্তু মোৰ অন্তৰ আত্মাই মোক বাৰে বাৰে ই মৰীচিকাৰ পৰা আঁতৰি আহিবলৈ সকীয়াই দিব ধৰিছে।

সুদীৰ্ঘ দুটা বছৰৰ কঠোৰ সাধনা আৰু সংযমৰ অন্তত তোমাক নিজৰ কৰি পাবলৈ বিচাৰিছিলো। আজি মোৰ স্পষ্ট নত পৰিছে "জ্যোতি চিত্ৰবনত" দুয়ো গাতে গা লগাই বহাৰ থা। হোটেল "গ্ৰীণ ভেলিত" চিকেন, প'লাও, দুয়ো একে গ বহি খোৱাৰ কথা, কলিকতাৰ "ভিক্তৰিয়া মেম'ৰিয়েলত" টোৱা সেই ঐতিহাসিক দিনবোৰৰ কথা। ভাবিছো, এই দৰক্ষণ বোৰ যদি তুমি জীৱন্ত কৰিলাহেঁতেন, তেনেহ'লে ই ঐতিহাসিক মহত্ব হয়তো বৰ্তমানতকৈ আৰু অধিক বাঢ়ি গ'লহেঁতেন। Actualy I know মানুহে ভবা মতেই সকলো কাম নহয়। মোৰ কি ভাব হৈছে জানা মধু, তোমাৰ লগত মোৰ যোগসূত্ৰ নোহোৱাই ভাল আছিল। কাৰণ তুমিতো জানাই, পাই হেৰোৱাৰ বেদনা নোপোৱাৰ বেদনাতকৈ কিমান যন্ত্ৰণাদায়ক। মোৰ এনে ভাব হৈছে যেন মই আজি বিশ্ববিখ্যাত নাট্যকাৰ শ্বেক্সপিয়েৰৰ "হেমলেট" হৈছো। মই এইটোও জানো যে মৰম ভালপোৱাৰ বাহিৰে মই তোমাক একোৱেই দিব নোৱাৰিলো। তাকো মাত্ৰ কেইখন মান চিঠিৰ মাধ্যমেৰেহে। মধু, তোমাৰ আৰু মোৰ মাজত এখন বিশাল প্ৰাচীৰ আছে। যাৰ নাম আভিজাত্য। সিয়ে নেকি মানুহক বুদ্ধিভ্ৰষ্ট কৰি দিয়ে। মই জানো, তুমি শিক্ষিতা হ'লেও এই প্ৰাচীৰ অতিক্ৰম কৰাৰ সৎ সাহস নাই। এয়া যেন তথাকথিত ভাৰতীয় নাৰীৰ বাবে লক্ষণ ৰেখা। যাক অতিক্ৰম কৰাৰ অৰ্থ হ'ল সমাজৰূপী ৰাক্ষসৰ কবাল গ্ৰাসত পৰা। আভিজাত্য ত্যাগ কৰিব নোৱাৰি এই কণমান মাত্ৰ সাহস লৈ তুমি সীতা হ'বলৈ আগনবঢ়াই ভাল আছিল। I mean প্ৰেমৰ নিচিনা এটা স্বৰ্গীয় অনুভূতিৰ পৰা আঁতৰি থকাই ভাল আছিল। সকলোৱে প্ৰেম কৰিলে বুলি তুমিওযে কৰিব লাগিব তাৰ কোনো অৰ্থ নাই। প্ৰেম নিবেদন কৰাৰ আগতেই চিন্তা কৰা উচিত আছিল। এই প্ৰেমৰ লক্ষ্য কি হ'ব? তোমাৰ যদি আত্ম বিশ্বাসেই নাই তেনেহ'লে তোমাৰ বুকুৰ মাজত মোক ঠাই দিছিলা কিয়? আত্ম বিশ্বাস থকাৰ বাবেইতো ৰোমিওই জুলিয়েটক পাইছিল। মিৰাণ্ডাই ফাৰ্ডিনান্দক পাইছিল And so Also "Laila" Found "Majnu"! আজি মই ভাবিবলৈ বাধ্য হৈছো এই পৃথিৱীত ধনী শ্ৰেণীৰ কাৰণেহে প্ৰেম বা ভালপোৱা আছে। আজি যদি মই টকাৰ বজাৰ খুলি

ালোহেঁতেন তেনেহ'লে বহুতো ছোৱালীয়ে আহি উপযাচি মাৰ ওচৰত প্ৰেম নিবেদন কৰিলেহেঁতেন। On the other and মই কোনো শিল্পী সাহিত্যিক নহওঁ যে "Devine omedy" ৰচনা কৰি নাইবা "Lucy" লিখি মানুহক প্ৰেমৰ ৰ্যদাৰ আভাস দিম।

তুমি এটা কথা জানি থোৱা মধু, মই সকলোকে ক্ষমা ৰিলেও মোৰ বন্ধু অলকেশ চৌধুৰীক কেতিয়াও ক্ষমা কৰিব নাৱাৰিম। কিয়নো মোৰ অনুপস্থিতিৰ সুযোগতে সি তোমাক াঢ়ি লৈ গ'ল। অলকেশ আছিল মোৰ একমাত্ৰ Real riend, অলকেশে সকলো জানিছিল, তোমাৰ আৰু মোৰ ভীৰ ভালপোৱাৰ কথা। তথাপিও সি মোক বন্ধুত্বৰ প্ৰতাৰণা ৰিলে। অলকেশে আজি প্ৰেম আৰু টকাক একে তুলাচনীতে জাখে। কি বিচিত্ৰ চৰিত্ৰ? Now I know that Alakesh" is a great Artist! যি মানুহে নিজৰ স্বাৰ্থৰ াতিৰত আনৰ প্ৰেমক উপলুঙা কৰিব পাৰে তাক জানো মানুহ াখ্যা দিব পাৰি? কিন্তু যি মোহত অন্ধ হৈ মানুহে আনৰ সুখ াঢ়ি নিয়ে সিও হয়তো বেছিদিন সুখ ভোগ কৰিব নোৱাৰে। াৰণ সদায় দেখি থকা বস্তুৰ কোনো মূল্য নাথাকে। সেয়েহে বলা তাজমহলৰ মহত্ব আগ্ৰাবাসীৰ মনত যিমান তাতোকৈ হজাৰ হেজাৰ গুণে বেছি বিদেশী পৰ্যটকৰ মনত।

মধু, তোমালোকে নিজকে Modern Girl অথবা থাকথিত আধুনিকা সজাইছা। এইটো ঠিক যে বাহ্যিকতাকে দি তুমি আধুনিকতা বুলি ভাবা তেন্তে সেই অৰ্থত তুমি াধুনিকা। কিন্তু তোমালোকৰ বাহ্যিক ভণ্ডামিয়ে আধুনিকতাক লুষিত কৰাৰ লগতে তোমালোকৰ কিছুমান কাৰ্যক লাগে নিজৰ চাৰিত্ৰিক দিশটোও উদঙাই দিছে বুলি মই ভাবোঁ।

তোমাৰ বান্ধৱী অংকুৰে কোৱা কথাবোৰ আৰু তোমাৰ কালিৰ নিষ্ঠুৰ ব্যৱহাৰে মোক এই সকলোবোৰ কথা ভবাই তুলিছে। যি মুহূৰ্তত তুমি অলকেশৰ লগত বিয়া হোৱাৰ কথা কৈছিলা। সেই মুহূৰ্তত মই আত্মহত্যাৰ কথা ভাবিছিলো। কিন্তু নোৱাৰিলো। শেষত মই বুজিলো, তোমালোক ছোৱালী জাতিটো এনেকুৱাই। তোমালোক প্ৰত্যেকেই একো একো গৰাকী সুন্দৰ অভিনেত্ৰী। তোমালোকে নিজৰ স্বাৰ্থৰ খাতিৰতে যিকোনো মুহূৰ্ততে অভিনয়ৰ জীৱন্ত ৰূপ দিব পাৰা। কিন্তু তোমাৰ এই কাৰ্যই মোক এটা নতুন জীৱন দিলো। Now I know Myself মই নিজকে চিনি পাইছোঁ। শুনিছিলো প্ৰেমৰ অন্তিম দৃশ্য হেনো বিবাহ। কিন্তু এই তথ্য হয়তো আমাৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'ল। জানা মধু, মহাদেৱে যিদৰে বিষাক্ত সৰল প্ৰাণ কৰি "নীলকণ্ঠ" নাম পাইছিল, ঠিক তেনেদৰে মইয়ো জীৱনৰ লগত সংঘৰ্ষ কৰি এতিয়া সকলো দুখকেই অতিক্ৰম কৰিব পৰা হৈছো। সন্মুখ সমৰৰ পৰা পলাই গ'লে কাপুৰুষ নাম পাই হয়তো তুমিও মোক এই উপাধিয়েই দিবা। কিন্তু মই আজি যি সমস্যাৰ সন্মুখীন হৈছো, সি সন্মুখ সমৰতকৈও ভয়াৱহ, তথাপিও এই সন্মুখ সমৰৰ সন্মুখীন মই হ'বই লাগিব।

মইওতো মানুহ মানুহে মানুহৰ কাম
কৰিব নালাগিব জানো মধু?
শেষত তোমাৰ সমাগত নতুন
জীৱনৰ শুভ কামনাৰে।। ❏❏

ইতি/ তোমাৰ প্ৰাক্তন প্ৰেমিক
"দীপু"

*লেখক উঃ মাঃ ১ম বৰ্ষৰ ছাত্ৰ (বাণিজ্য)।*

# চাকৰৈয়া

✍ শ্ৰীউপেন চন্দ্ৰ শৰ্মা

অসীমে দিনৰ দিনটো ঘূৰি ঘূৰি ৰাতি সাত বজাত ঘৰ সোমাইছেহি। তাৰ আকৌ গোটেই দিনটো লঘোণে গ'ল। ৰাতি দুখে ভাগৰে আহিয়েই বিছনাত পৰি গ'ল। মাকে সিটো খোটালীৰ পৰা আহিয়ে তাক সুধিলে- 'বোপাই দেউতাৰৰ কিবা খবৰ পালিনে? চাকৰিটো হ'ব নে বাৰু? দাৰোগাক লগ পালিনে? মন্ত্ৰী জনাক লগ নাপালি হ'বলা? মাকৰ এই এশ এবুৰি প্ৰশ্নই তাক আকৌ বিষাদৰ সাগৰ খনলৈহে ঠেলি দিয়ে। সি মুখেৰে একো নামাতি মাত্ৰ মাকৰ মুখলৈ চাই থাকে। মাকে তেতিয়া কয়, - "বাৰু এতিয়া মুখ হাত ধুই ল। কালিৰ পৰা আৰু চাকৰিৰ কাৰণে বা দেউতাৰৰ সন্ধানত ঘূৰি ফুৰিব নালাগে। দোকান এখনতে থাক, নহ'লে বেপাৰকে কৰ।" এনেতে অসীমৰ সৰু ভনীয়েক জনীয়ে দৌৰি আহি অসীমক কয়,- "ককাইদেউ মোৰ বৰ ভোক লাগিছে, মোক কিবা খাবলৈ দিয়া, নহ'লে মই মৰি যাম।" অসীমক এই কথাবোৰে বৰ দুখ দিয়ে।

অসীম হৰেণ বৰুৱাৰ ডাঙৰ ল'ৰা। যোৱা বছৰ ৰাজনীতি বিজ্ঞানত অনাৰ্চ লৈ প্ৰথম শ্ৰেণীত বি.এ. পাছ কৰিছে। অসীমহঁতৰ ঘৰত পৰিয়াল বুলিবলৈ মাক-দেউতাক, অসীম আৰু অসীমতকৈ সৰু দুজনী ভনী। হৰেণ বৰুৱা গাঁৱৰে প্ৰাথমিক স্কুলখনৰ প্ৰধান শিক্ষক। অসীমক হৰেণ বৰুৱাই বৰ মৰম কৰিছিল। তাৰ খোৱা-বোৱা, পিন্ধা-উৰাৰ পৰা আদি কৰি একোতে যাতে কোনো অসুবিধা নহয় তাৰ কাৰণে সদায় নজৰ ৰাখিছিল। দেউতাকৰ এই ভালপোৱাৰ প্ৰতিদানো অসীমে দেউতাকক দিছিল। অসীমে বি.এ. পাছ কৰাত ঘৰখনত এটা আনন্দৰ জোৱাৰ উঠিছিল। কিন্তু এই আনন্দক কোনো এক বিষাদৰ ঢৌৱে কোনো এক অজান দিক্‌বলয়ত বিলীন কৰি দিলে। এই বিষাদৰ ঢৌ আছিল অসমৰ উগ্ৰপন্থীৰ সমস্যাটো। হৰেণ বৰুৱাক উগ্ৰপন্থীয়ে দুই লাখ টকাৰ দাবী কৰিছি প্ৰাথমিক স্কুলত চাকৰি কৰা শিক্ষক এজনে পাঁচজনীয়া পৰিয় এটা ভৰণ-পোষণ দি দুই লাখ টকা সঁচাটো এটা আকাশত পতা কথা। তেওঁৰ মাটি বুলিবলৈ মাত্ৰ বস্তিৰ মাটিখিনি বেলেগ মাটি থকা হ'লেও তাকে বেচিয়ে টকাখিনি পাৰিলেহেঁতেন। উগ্ৰপন্থীয়ে দিয়া দুমাহৰ সময় উকলি যোৱ এদিনাখন ৰাতি সিহঁতে হৰেণ বৰুৱাক লৈ গুচি গ'ল।

হৰেণ বৰুৱাক অপহৰণ কৰা আজি ছমাহ হ'ল। তে কোনো সন্ধান অসীমহঁতে এতিয়াও পোৱা নাই। যি কে সাঁচতীয়া ধন আছিল সেই কেইটাও এতিয়া ক্ৰমে শেষ আহিছে। অসীমে প্ৰত্যেক দিনে হয় দিশপুৰত মন্ত্ৰীসক চাকৰিৰ কথা ক'বলৈ নহ'লে পুলিচ থানাত দেউতাকৰ খ ল'বৰ বাবে যোৱাতো নিত্যকৰ্ম হৈ পৰিছে।

সেইদিনাও সি শিক্ষা মন্ত্ৰীক লগ ধৰিবলৈ দিশপু গৈছিল। সি মন্ত্ৰীজনক ক'লে- "ছাৰ কিবা সুবিধা কৰিব পাৰি নে? ছাৰ এতিয়া আমাৰ ঘৰখনত নাজল নাথল অৱস্থা, আগ কিবা এটা কৰক।" অসীমে মাষ্টৰ চাকৰি এটাৰ কাৰণে মন্ত্ৰীজ এখন দৰ্খাস্ত ইতিমধ্যেই দাখিল কৰিছে।

মন্ত্ৰীজনে ক'লে,- "এতিয়া কোনো Post vaca নাই গতিকে তুমি কেইদিনমান পিচত খবৰ ল'বাহি।" অসী বিষাদ মনেৰে বাহিৰলৈ ওলাই আহি আকাশলৈ চায়। কি দে পাই বাৰু সি আকাশত? সি দেখা পাই কিছুমান শগুণে আকাশ মৰাশৰ সন্ধানত উৰি আছে।

ইয়াৰ পিচত সি থানালৈ যায়। থানাত সি দাৰোগ কয়- "ছাৰ দেউতাৰ কিবা খবৰ পাইছেনে? দাৰোগাই ক নাই হে বোপাই কোনো সন্ধানে পোৱা নাই। আমি

চাৰিওফালে অনুসন্ধান চলাইয়ে আছো।" অসীমে বেজাৰমনে বাহিৰলৈ ওলাই আহে আৰু আকাশলৈ চায়। কি দেখা পাই বাৰু সি আকাশত? সি দেখা পাই কিছুমান শগুণে আকাশত মৰাশৰ সন্ধানত উৰি আছে।

অসীমে এই কেইদিন দিশপুৰ বা থানা কলৈকো যোৱা নাই। সি ভাগৰি পৰিছে। কিন্তু পিয়নটোৱে আহি দি যোৱা চিঠিখন পাই সি আনন্দত বিভোৰ হৈ পৰে। মন্ত্ৰীজনাই তাক মাতি পঠাইছে। এখন স্কুলত শিক্ষক এজনে অৱসৰ গ্ৰহণ কৰিব আৰু Post টোৰ কাৰণে মন্ত্ৰীজনাই তাকে নিৰ্বাচন কৰিছে।

ৰাতিপুৱাই সি গা-পা ধুই মন্ত্ৰীজনাৰ ওচৰলৈ গ'ল। মন্ত্ৰীজনাই তাক ক'লে- অসীম এটা Post vacant আছে আৰু মই এই Post টোৰ কাৰণ তোমাক নিৰ্বাচন কৰিছো। কিন্তু এটা ডাঙৰ লেঠা হে লাগিল।

অসীমে ভাবিলে Post vacant পোৱাৰ পিচতো কি ডাঙৰ লেঠা লাগিব পাৰে। সি কৌতুহল দৃষ্টিভংগীৰে মন্ত্ৰীজনাৰ মুখলৈ চালে। মন্ত্ৰীজনাই অসীমক কয়- "অসীম তুমি চাকৰিটো পাবা যদিহে তুমি তোমাৰ দেউতা মৰা বুলি এখন Dead certificate দিব পৰা।"

অসীম মহা বিপদত পৰিল। দেউতাকক অপহৰণহে কৰা হৈছে, কিন্তু দেউতাক মৰিছে নে নাই সিটো গম পোৱা নাই। যি জন দেউতাকে তাক নিজৰ জীৱনটোতকৈও বেছি ভাল পাইছিল সেইজন দেউতাকৰ নমৰাকৈয়ে De certificate সি কেনেকৈ দিয়ে। অকণমান সময় ভ মন্ত্ৰীজনাক একো নকোৱাকৈয়ে ঘৰলৈ ৰাওনা হ'ল। ঘ গোটেই ৰাতিয়ে তাৰ টোপনি নাহিল। গোটেই ৰাতি মন্ত্ৰীজন কথাটোৱে ভাবি থাকিল। মন্ত্ৰীজনাৰ কথাত সন্মতি জনাে সি দেউতাকৰ প্ৰতি অশ্ৰদ্ধ আৰু বিশ্বাসঘাটকতা কথা কৰা হ আৰু সন্মতি নজনালেও চাৰিটা প্ৰাণীয়ে নাপায় মৰিব লাগি

অসীমৰ ৰাতি টোপনি নহ'ল, ৰাতি পুৱাহে তাৰ টোপ আহিল। টোপনিৰ পৰা উঠি সি আগচোতালতে বহি কথা ভাবি আছে। এনেতে দাৰোগাজন আহি অসীমহঁতৰ চোতাল উপস্থিত হ'ল আৰু অসীমক ক'লে- "অসীম আমি এটা De body পাইছোঁ কিন্তু Dead body টো একেবাৰে উৰ গৈছে। Dead body টোত বাওঁ ভৰিখনৰ আঙুলি চাৰিট তোমাৰ দেউতাৰৰ বাওঁ ভৰিখনত আঙুলি চাৰিটা আছিল নে বাৰু?"

অসীমে সৰুৰে পৰা দেউতাকক দেখি আহিছে। জনাততো দেউতাকৰ বাওঁ ভৰিৰ আঙুলি চাৰিটা নহয়। বি এই Dead body টোকে তাৰ দেউতাকৰ Dead boc বুলি Dead certificate এখন দিলেই দেখোন সি চাকৰি পায়। সি কথাটো ভাবিবলৈ ধৰিলে। ❑ ❑

*লেখক স্নাতক ২য় বৰ্ষৰ ছা*

এটা জাতিৰ সমৃদ্ধীয়া শিক্ষা কিতাপৰ ওপৰত নিৰ্ভৰ কৰে। কিতাপৰ সংৰক্ষণ, স্থায়ীকৰণ আৰু সম্প্ৰসাৰণৰ বাবে কিতাপেই হৈছে একমাত্ৰ মাধ্যম।

- ৰোজেল্ট

সাক্ষাৎকাৰ

# ড° মামণি ৰয়ছম গোস্বামীৰ স'তে এখন্তেক -

সাক্ষাৎগ্ৰহণ ঃ জয়ন্ত দাস, তপন দাস

মামণি ৰয়ছম গোস্বামী- আধুনিক অসমীয়া সাহিত্যৰ এক বিস্ময়কৰ প্ৰতিভা। চেনাবৰ স্ৰোত, অহিৰণ, নীলকণ্ঠী ব্ৰজ, মামৰে ধৰা তৰোৱাল, ডাঁৱৰ খোৱা হাওদা, হৃদয় এক নদীৰ নাম, আধা লেখা দস্তাবেজ আদিকে ধৰি বহুকেইখন অমূল্য গ্ৰন্থৰে এই লেখিকা গৰাকীয়ে প্ৰতিষ্ঠাৰ শৃংগত নিজৰ খুঁটি স্থাপন কৰিবলৈ সক্ষম হৈছে। কেৱল অসমীয়া সাহিত্য নহয় সৰ্বভাৰতীয় সাহিত্যতেই নহয় আন্তৰ্জাতিক পৰ্যায়তো এই লেখিকা গৰাকীয়ে ইতিমধ্যে খ্যাতি লাভ কৰিছে। সংঘাতপূৰ্ণ আৰু বৈচিত্ৰময় এক ব্যক্তিগত জীৱনৰ মাজতো আপোচহীন ভাৱে অকলশৰীয়াকৈ কথা সাহিত্য সৃষ্টিত ব্ৰতী দক্ষিণ কামৰূপৰ জীয়ৰী এই গৰাকী প্ৰখ্যাত লেখিকাৰ স'তে এখন্তেক-

প্ৰশ্ন ঃ সাম্প্ৰতিক অসমৰ জটিল সামাজিক পৰিবেশত সুস্থ সাহিত্য সৃষ্টি কিমান দূৰ সম্ভৱ বুলি আপুনি ভাবে?

মামণি ৰয়ছম গোস্বামী ঃ সুস্থ সাহিত্য সৃষ্টিৰ বাবে কোনো ধৰণৰ পৰিবেশৰ প্ৰয়োজন নহয়। যিকোনো সময়তে সুস্থ সাহিত্য সৃষ্টি কৰিব পৰা যায়। ই নিৰ্ভৰ কৰে লেখক জনৰ শক্তি আৰু অধ্যাৱসায়ৰ ওপৰত।

প্ৰশ্ন ঃ সম্প্ৰতি এচাম প্ৰতিষ্ঠিত সাহিত্যিকৰ কিছুমান পুৰণি গ্ৰন্থৰে প্ৰকাশক সকলে এটাৰ পিচত এটাকৈ সংস্কৰণ প্ৰকাশ কৰিবলৈ লৈছে। এনে দৃষ্টিভংগীয়ে নবীন চামক হতাশ কৰিব বুলি যদি কওঁ; আপোনাৰ মন্তব্য কি?

মাঃ ৰঃ গোঃ- এইটো হ'ব নোৱাৰে। কাৰণ পুৰণি চামৰ কিছুমান গ্ৰন্থ সদায় মহান আৰু অনুপ্ৰেৰণাদায়ক। কিন্তু লগে লগে নতুন চামৰ গ্ৰন্থও প্ৰকাশকে প্ৰকাশ কৰা উচিত আৰু এইবোৰক Publicity দিয়া উচিত। গাঁৱে-ভূঞে ইয়াৰ প্ৰচাৰ কৰিব লাগে। এইটো আমাৰ দেশত হোৱা নাই যিটো অন্য দেশত হৈছে।

প্ৰশ্ন ঃ সাহিত্য ক্ষেত্ৰত আপুনি নবীন থাকোতে প্ৰতিষ্ঠাৰ চূড়াত আৰোহণ কৰিবলৈ কেনেদৰে সংগ্ৰাম কৰিছিল?

মাঃ ৰঃ গোঃ - মই মুঠেই সংগ্ৰাম কৰিবলগা হোৱা নাছিল। অসমীয়া কিতাপ প্ৰকাশৰ কাৰণে সংগ্ৰাম কৰিবলগা হোৱা নাই। কিন্তু বিষয়বস্তু আহৰণৰ কাৰণে যি প্ৰচণ্ড সংগ্ৰাম কৰিবলগা হৈছিল সেই কথা ভাবিলে নতুন লেখকে বিস্ময় মানিব লাগিব। কাশ্মীৰৰ পৰা আৰম্ভ কৰি উত্তৰ প্ৰদেশ, মধ্যপ্ৰদেশ, দক্ষিণ পূৰ্ব-এচিয়াৰ দেশ সমূহ, ইউৰোপৰ বিভিন্ন দেশ মৰিচাজ, ক্ৰিনিদাদ, চীন আদিৰ পৰা মই যেনেদৰে মোৰ বিষয়বস্তু আহৰণ কৰিছিলো সেই কথা সম্পূৰ্ণভাৱে জানিলে নতুন লেখকে নিশ্চয় প্ৰেৰণা লাভ কৰিব।

প্ৰশ্ন ঃ আপোনাৰ সৃষ্টি সমূহৰ ভিতৰত কোনখন গ্ৰন্থ আটাইতকৈ শ্ৰেষ্ঠ বুলি ভাবে?

মাঃ ৰঃ গোঃ - কোনো লেখকে হয়তো নিজৰ কোনো গ্ৰন্থকে শ্ৰেষ্ঠ বুলি নাভাবে। মোৰ কোনো এখন গ্ৰন্থকে সম্পূৰ্ণৰূপে শ্ৰেষ্ঠ বুলি মোৰ হৃদয়ে নকয়।

প্ৰশ্ন ঃ প্ৰবীণ হিচাপে নবীন চামৰ প্ৰতি আপোনাৰ ক'বলগীয়া?

মাঃ ৰঃ গোঃ - এইখিনিতে মই এটা কথা কওঁ যে তেওঁলোকে ত্যাগ আৰু সাধনা কৰিব লাগিব। মোৰ বোধেৰে আজিকালি উঠি অহা তৰুণ সকলে ত্যাগ আৰু পৰিশ্ৰমৰ মহত্বৰ কথা সম্পূৰ্ণৰূপে নুবুজে। জিম কৰবেটে কোৱাৰ দৰে ময়ো ক'ব খোজো ঃ Be brave, and make this world abeautiful place for other to live. নতুন লেখকে নিজৰ লিখনিৰ মাজেৰে এই পৃথিবী সুন্দৰ কৰি তুলিব পাৰিব। ❑ ❑

কৃতজ্ঞতা স্বীকাৰ

*ড° নেচা বাইদেউ, নগেন ছাৰ, উপেন ডেকা।*



# তত্ত্বাৱধায়িকাৰ দুষাৰ

সাহিত্য চৰ্চাৰ পৰিবেশটো সজীৱ কৰি ৰাখিবলৈ মহাবিদ্যালয়ৰ 'মুখপত্ৰ' খনেই হ'ল একমাত্ৰ মাধ্যম। ছয়গাঁও মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এই মহাবিদ্যালয়ৰ "কলহী" য়ে সাহিত্য সাধনাৰ থল। ইয়াৰ মাধ্যমেৰে আমাৰ ছাত্ৰ-ছাত্ৰীসকলে সাহিত্য চৰ্চাৰ পৰিবেশ এটা সৃষ্টি কৰি লৈছে। এনেদৰে চেষ্টা কৰিলে নিশ্চয় এদিন সু-সাহিত্যিক ৰূপে স্বীকৃতি পাবলৈ সক্ষম হ'ব। অৱশ্যে ইয়াৰ বাবে লাগে সাধনা আৰু অধ্যাৱসায়। সাধনা অবিহনে মহৎ লেখক-লেখিকা হোৱাটো সম্ভৱ নহয়। আমি আশা কৰোঁ ভৱিষ্যতে অধিক সাধনা, অধ্যয়ন আৰু অনুশীলনে আমাৰ ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰাই বিশিষ্ট লেখক-লেখিকাৰ সৃষ্টি কৰিব।

'মুখপত্ৰ' খন অধিক উন্নত কৰাৰ মানসিকতা সম্পাদনা সমিতিৰ থকা সত্ত্বেও আৰ্থিক সমস্যা আৰু ছাত্ৰ-ছাত্ৰীৰ পৰা সময়মতে লিখনি নোপোৱাৰ বাবে সেয়া সম্ভৱ নহ'ল।

মুখপত্ৰ খন প্ৰকাশৰ ক্ষেত্ৰত সম্পাদনা সভাপতি তথা ছয়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত অৰুণ চন্দ্ৰ শৰ্মাদেৱে বিভিন্ন দিহা-পৰামৰ্শ দিয়াত তেখেতৰ ওচৰত মই চিৰ কৃতজ্ঞ। লগতে সম্পাদনা সমিতিৰ সমূহ সদস্য বিশেষকৈ ড° অনুপমা ডেকা, শ্ৰীযুত নগেন কলিতা, শ্ৰীযুত পৰেশ অধিকাৰী, শ্ৰীযুত সন্তোষ কুমাৰ দাস আৰু শ্ৰীযুত ভূষণ কলিতাক কৃতজ্ঞতাৰে স্মৰণ কৰিছোঁ। ❐❐

ধন্যবাদ

**ড° ইচমতুন নেচা**

তত্ত্বাৱধায়িকা, কলহী চতুৰ্দশ সংখ্যা

ছয়গাঁও মহাবিদ্যালয়।



উপ সভাপতিৰ কলম

১৯৯৮-৯৯

# ১৯৯৮-৯৯ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলৰ প্ৰতিবেদন

পাতনিতে ৰূপালী জয়ন্তী বৰ্ষত ভৰি দিয়া আমাৰ ছয়গাঁও মহাবিদ্যালয় খনৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত অহোপুৰুষাৰ্থ কৰা মহান ব্যক্তি সকললৈ মোৰ সহস্ৰ প্ৰণিপাত জনাইছোঁ। উপ-সভাপতিৰ দৰে এটা গুৰুত্বপূৰ্ণ পদত এইবেলি মোক মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলে নিৰ্বাচিত কৰাৰ বাবে তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। ছাত্ৰ একতা সভাৰ উপ-সভাপতিৰ গুৰু দায়িত্ব মই কাৰ্যভাৰ গ্ৰহণৰ দিন ধৰি শেষ পৰ্যায়লৈ সুচাৰুৰূপে পালন কৰিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাই। অৱশ্যে এই ক্ষেত্ৰত সফল হ'ব পাৰিছোঁ নে নাই সেই বিচাৰৰ ভাৰ আপোনালোকৰ হাতত। মানুহ মাত্ৰেই ভুল হয়, সেইবাবে মোৰ কাৰ্যকালতো হয়তো কিছু ভুল-ত্ৰুটি ৰৈ যোৱাটো অস্বাভাৱিক নহয়। তাৰ বাবে মই আপোনালোকৰ ওচৰত ক্ষমাৰ পাত্ৰ।

উপ-সভাপতি হিচাপে মহাবিদ্যালয় খনৰ প্ৰতিটো কাৰ্যসূচীতে নিজকে আত্ম নিয়োগ কৰি আহিছোঁ। আন আন বহুতো মহাবিদ্যালয়ৰ তুলনাত আমাৰ মহাবিদ্যালয়খন অধিক সমস্যাৰে জৰ্জৰিত। যাৰফলত মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকল বিভিন্ন অসুবিধাৰ সন্মুখীন হ'বলগা হৈছে। ছাত্ৰ-ছাত্ৰী অনুপাতে শ্ৰেণী কোঠাৰ অভাৱ, উন্নতমানৰ গ্ৰন্থাগাৰৰ অভাৱ, উন্নতমানৰ মূত্ৰাগাৰ তথা শৌচাগাৰৰ অভাৱ, ছাত্ৰ জিৰণী কোঠাৰ অভাৱ, নামতহে থকা ছাত্ৰী জিৰণী কোঠাৰ শোচনীয় ৰূপ, জৰাজীৰ্ণ কেন্টিন, চৰম দুখলগা অৱস্থাৰ ছাত্ৰ একতা সভাৰ কাৰ্যালয়, চাইকেল ষ্টেণ্ডৰ অভাৱ, ছাত্ৰ-ছাত্ৰীৰ তুলনাত ডেস্ক-বেঞ্চৰ অভাৱকে ধৰি আমাৰ মহাবিদ্যালয়ৰ সমস্যা তথা অভাৱ-অভিযোগৰ কথা কৈ শেষ কৰিব নোৱাৰা বিধৰ। ছয়গাঁও মহাবিদ্যালয়ত বাহ আস্থান নোহোৱাত ছাত্ৰ-ছাত্ৰীৰ লগতে অধ্যাপক/অধ্যাপিকা সকলৰ যথেষ্ট সমস্যাৰ সৃষ্টি হয়। এই ক্ষেত্ৰত আমি এটি বাছ আস্থানৰ কাৰণে বিভাগীয় কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰিছো। এই আটাইবোৰ সমস্যা সমূহৰ বিষয়ে আমি কৰ্তৃপক্ষক সময়ে সময়ে অৱগত কৰিয়েই আছোঁ। আপোনালোকে নিশ্চয় জানে এজন ছাত্ৰ একতা সভাৰ উপ-সভাপতিয়ে কিমানখিনি কৰিব পাৰে। তথাপি আমি কিছু পৰিমাণে আশ্বস্ত হ'ব পাৰিছো যে মই মহাবিদ্যালয় খনৰ আলোচনী সম্পাদক থাকোতে আধাৰশিলা স্থাপন কৰা প্ৰেক্ষাগৃহটো উপ-সভাপতিৰ কাৰ্যকালত নিৰ্মাণ কৰি উলিওৱাৰ বাবে। প্ৰেক্ষাগৃহটোৱে মহাবিদ্যালয় তথা বৌদ্ধিক জগতখন গঠনত বহুখিনি বৰঙণি যোগাব বুলি আশা ৰাখিছোঁ। ই মহাবিদ্যালয় খনৰ এটা মূল্যবান সম্পদো। এই প্ৰেক্ষাগৃহটো নিৰ্মাণত বিভিন্ন প্ৰকাৰে মহাবিদ্যালয় কৰ্তৃপক্ষক সহায় কৰা স্থানীয় বিধায়ক তথা স্বাস্থ্য আৰু পৰিয়াল কল্যাণ দপ্তৰৰ মন্ত্ৰী আৰু মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মাননীয়

ডাঃ কমলা কলিতা দেৱৰ কথা স্বীকাৰ কৰিবই লাগিব। ইয়াৰ উপৰিও সত'তে মহাবিদ্যালয় খনৰ খা-খবৰ ৰখাৰ বাবেও তেখেতৰ ওচৰত কৃতজ্ঞ। আনহাতে মোৰ এই কাৰ্যকালতে মহাবিদ্যালয় খনত এটি গ্ৰাম্য পুথিভঁৰালৰ আধাৰশিলা স্থাপন কৰাৰ লগতে শ্ৰেণীকোঠা সমূহৰো বহুখিনি উন্নতি সাধন কৰাৰ বাবে কৰ্তৃপক্ষৰ ওচৰত কৃতজ্ঞ।

হে প্ৰিয় ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকল, আজি সামাজিক পৰিবেশ বাৰুকৈয়ে সলনি হৈছে। অস্থিৰ ৰাজনৈতিক, অৰ্থনৈতিক বাতাবৰণে বিধ্বস্ত কৰি তুলিছে আমাৰ সমাজ। সম্পূৰ্ণ এক দূষিত সামাজিক পৰিবেশে আমাক গ্ৰাস কৰিবলৈ ৰুদ্ৰমূৰ্তি ধাৰণ কৰিছে। কিন্তু এই সন্ধিক্ষণতো আমি ছাত্ৰশক্তি অৰ্থাৎ দেশৰ ভৱিষ্যৎ সকলে শিক্ষাৰ মহান উদ্দেশ্য আগত লৈ এই অৱস্থাতে সততা, একনিষ্ঠতা, শিষ্টাচাৰ, নিয়মানুবৰ্তিতা আদি মহৎ গুণ আয়ত্ব কৰি নিজকে জ্ঞান সমুদ্ৰত বুৰাই আলোকিত কৰাৰ এয়াই উচিত সময়। জীৱনটো মহীয়ান কৰি তোলাৰ বাবেই এই মহাবিদ্যালয় পৰ্বায়। শুদ্ধ সমাজ গঠনৰ কঠিন ব্ৰত লোৱাৰো এয়াই সময়। আশাকৰো আমাৰ মহাবিদ্যালয়ৰ প্ৰতিজন সতীৰ্থই নিজৰ ব্যক্তিত্বৰ লগতে সমাজখনকো মহীয়ান কৰি তুলিব এই ব্ৰতেৰে।

মোৰ কাৰ্যকালত সকলো প্ৰকাৰে সহায় কৰাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগতে সমূহ অধ্যাপক/অধ্যাপিকা আৰু কৰ্মচাৰী বৃন্দৰ লগতে সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই কৃতজ্ঞ। তথাপি কেইজনমানৰ নাম প্ৰকাশ নকৰিলে কিবা আধৰুৱা হ'ব যেন লাগে। মোক সকলো ক্ষেত্ৰতে দিহা-পৰামৰ্শ দিয়াৰ বাবে অধ্যক্ষ শ্ৰীযুত অৰুণ চন্দ্ৰ শৰ্মাদেৱ, উপাধ্যক্ষ শ্ৰীযুত উপেন কুমাৰ, অধ্যাপক তাৰিণি কলিতা, পৰেশ অধিকাৰী, নগেন কলিতা, দিলীপ বনিয়া, দিলীপ গোস্বামী, বিপিন পাঠক, বানেশ্বৰ দাস, ভূষণ কলিতা, ধীৰেণ দাস ছাৰ লগতে অধ্যাপিকা ড° অনুপমা ডেকা, ড°ইচমতুন নেচা, কণিকা দালাল, ড° অনিমা চৌধুৰী, দীপিকা দাস, শৰ্মিলা ৰয় বাইদেউৰ ওচৰত কৃতজ্ঞ। লগতে মোৰ দাদাসম পংকজ কুমাৰ ঠাকুৰীয়া, বিপুল কুমাৰ দাস আৰু ভাতৃপ্ৰতীম উপেন ডেকা তথা ছাত্ৰ বন্ধু- মুকুট জ্যোতি চৌধুৰী, নয়ন মালী, অজিত দাস, বিপুল নাথ, ধীৰেণ দাস, হৰেণ ঠাকুৰীয়া, জয়ন্ত দাস, নৱ মেধি, পংকজ দাস, বিনোদ মেধি, দেৱ মেধি, প্ৰদীপ নাথ, জয়ন্ত মেধি, অমূল্য কলিতা, হিতেশ কলিতা, কিশোৰ পাঠক, অৰূপ দাস, দিলদাৰ, ফইজুল, মুকুল, অশোক, মুনিন্দ্ৰ, হীতেন্দ্ৰ, হলধৰ, বসন্ত, দ্বীপেন শৰ্মা, ভৱ, পবিত্ৰ, ৰমজান, ৰণ্টু লগতে সমূহ ছাত্ৰ-ছাত্ৰী বৃন্দ। ছাত্ৰী বান্ধৱী- চম্পা, জোনালী, কুমেলতা, গীতু, মনবীনী, মালবিকা, ৰিদ্ধী, লক্ষী, আস্মা, ৰেহেনা, শেৱালী, জান, জুৰি, নিজৰা, মন্দিৰা, ৰীতা, মীনা, দীপা, গীতাঞ্জলি, চুমি, পল্লৱী, অপৰ্ণা, টুটু আৰু চিমাৰ প্ৰেৰণাৰ কাৰণে কৃতজ্ঞ। ছাত্ৰ একতা সভাৰ সমূহ সদস্য সকলোলৈ মোৰ অন্তৰ ভৰা কৃতজ্ঞতা জনাইছোঁ। লগতে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সমূহ সদস্য/সদস্যাৰ ওচৰত কৃতজ্ঞ।

সদৌ শেষত মোৰ অজানিতে হোৱা ভুল-ক্ৰটিৰ মাৰ্জনা বিচাৰি ছয়গাঁও মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্বল কামনা কৰিছোঁ।

জয়তু ছয়গাঁও মহাবিদ্যালয়।

ইতি

শ্ৰদ্ধাসহকাৰে-

শ্ৰীতপন দাস



# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

১৯৯৮-৯৯

প্ৰতিবেদনৰ পাতনিতে সেই সকল মহান ব্যক্তিক শ্ৰদ্ধাৰে সোঁৱৰিছোঁ যি সকলৰ অশেষ ত্যাগ আৰু কষ্টৰ বিনিময়ত আমাৰ দেশ শত্ৰুৰ কবলৰ পৰা ৰক্ষা পৰিছে আৰু সেই সকল ব্যক্তিক শ্ৰদ্ধাৰে সোঁৱৰিছোঁ যি সকলৰ প্ৰচেষ্টাত আমাৰ মহাবিদ্যালয় খনে আজিৰ এই অৱস্থা পাইছে। যি সকল ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ বহুমূলীয়া ভোট দি মোক সাধাৰণ সম্পাদক পদত জয়যুক্ত কৰি ছয়গাঁও মহাবিদ্যালয়ৰ সেৱা আগবঢ়াবলৈ সুবিধা কণ দিছে তেওঁলোকলৈ মই অশেষ ধন্যবাদ যাচিছোঁ। কিন্তু মই এই মহাবিদ্যালয়ৰ কিমান খিনি সেৱা আগবঢ়াব পাৰিছে সেইটো আপোনালোকৰ বিচাৰ্য।

কাৰ্যভাৰ গ্ৰহণ কৰিয়ে মহাবিদ্যালয় খনৰ ছাত্ৰ-ছাত্ৰী সকলৰ মৌলিক অভাৱ সমূহ পূৰণৰ ক্ষেত্ৰত মই চেষ্টা কৰিছোঁ আৰু কিছু ক্ষেত্ৰত ফলৱতী হৈছো। আৰু কিছু ক্ষেত্ৰত ফলৱতী হ'ব পৰা নাই। ইয়াৰ গুৰিতে আৰ্থিক অভাৱ। ছয়গাঁও মহাবিদ্যালয় খন আৰ্থিক দিশত দুৰ্বল। কিন্তু পিচলৈ মই এইবোৰ দূৰ হ'ব বুলি আশা কৰিছোঁ।

ছাত্ৰ-ছাত্ৰী সকলৰ সেৱা কৰিবলৈ আহি কিমান খিনি সফল হ'ব পাৰিলো চমু খতিয়ান এটা তলত দাঙি ধৰিছোঁ।

১। অতিপাত গৰমত ছাত্ৰ-ছাত্ৰীৰ পাঠ গ্ৰহণৰ সুবিধাৰ্থে ১,২,৩ আৰু ৪ নং শ্ৰেণী কোঠাত বিজুলী পাংখাৰ যোগান ধৰা হৈছে।

২। আমাৰ কাৰ্যকালতে নতুন প্ৰেক্ষাগৃহটো মুকলি কৰা হয়।

৩। আমাৰ কাৰ্যকালতে ছাত্ৰ-ছাত্ৰীৰ চাইকেল থোৱাৰ বাবে এটা চাইকেল ষ্টেণ্ডৰ ব্যৱস্থা কৰিবলৈ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি তথা ছয়গাঁও সমষ্টিৰ বিধায়ক আৰু অসমৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ দপ্তৰৰ মন্ত্ৰী মাননীয় ডাঃ কমলা কলিতা দেৱৰ লগত তিনিবাৰো যোগাযোগ কৰা হৈছে। তেখেতে এইটো আমাৰ কাৰ্যকালতে হ'ব বুলি আশ্বাস দিছে।

৪। আমাৰ কাৰ্যকালতে ছাত্ৰ-ছাত্ৰী সকলৰ অহাযোৱাৰ সুবিধাৰ কাৰণে (ছঃ মঃ মুখ্য কাৰ্যলয়ৰ সন্মুখৰ পৰা প্ৰেক্ষাগৃহৰ সন্মুখলৈ এটা পথ বনোৱা হয়।)

৫। আমাৰ কাৰ্যকালতে গ্ৰামীণ পুথি ভঁৰালটোৰ আধাৰশিলা স্থাপন কৰা হয়।

৬। আমাৰ কাৰ্যকালতে আমাৰ মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অধীনত সমাজ সেৱামূলক এটি ১০ দিনীয়া শিবিৰ অনুষ্ঠিত কৰা হৈছিল। এই শিবিৰৰ যোগেদি ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ স্বেচ্ছাসেৱক/সেৱিকা সকলে ছয়গাঁৱৰ ওচৰৰ কেইখন মান গাঁৱত গৈ ৰাস্তা-ঘাট আদি মেৰামতি কৰা হয় আৰু ঠায়ে ঠায়ে গছ-পুলি আদিও ৰোপণ কৰা হয়।

৭। মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ ঃ কাৰ্যভাৰ গ্ৰহণ কৰাৰ কেইদিন মান পিচতেই মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ অনুষ্ঠিত কৰা হয়। ছাত্ৰ-ছাত্ৰীৰ যোগ্যতা অনুসৰি মুকলি সভাত বঁটা বিতৰণ কৰা হয়।

৮। সৰস্বতী পূজা ঃ বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ ওচৰত পুষ্প নিবেদন কৰিবলৈ প্ৰতি বছৰে আমাৰ মহাবিদ্যালয়ত সৰস্বতী পূজা পালন কৰা হয়। এইবেলিও সাধাৰণ সভাত ছাত্ৰ-ছাত্ৰী সকলে মাননীয় অধ্যাপক শ্ৰীযুত নগেন কলিতা দেৱক সভাপতি আৰু মোক সাধাৰণ সম্পাদক

হিচাপে লৈ পূজা পৰিচালনা সমিতি গঠন কৰে। সভাত পূজা সম্পৰ্কে যিবোৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল তাৰে আমি এটাও অমান্য কৰা নাই। সমূহ নিমন্ত্ৰিত শুভকাংক্ষীৰ উপস্থিতিৰ লগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত উলহ-মালহেৰে সৰস্বতী পূজা পালন কৰা হয়।

৯। নৱাগত আদৰণি সভা ঃ প্ৰত্যেক বছৰৰ দৰে এই বছৰো নৱাগত আদৰণি সভাখন ৪-৯-৯৯ ইং তাৰিখে ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত বেচ উলহ-মালহেৰে পালন কৰা হয়। উক্ত সভাত সভাপতিত্ব কৰে মাননীয় অধ্যক্ষ শ্ৰীযুত অৰুণ চন্দ্ৰ শৰ্মা দেৱে। মুখ্য অতিথি হিচাপে উপস্থিত থকা মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী ডাঃ কমলা কলিতা দেৱক এই চেগতে মই কৃতজ্ঞতা জনাইছোঁ আৰু নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থকা বিশিষ্ট সাহিত্যিক মেদিনী চৌধুৰী দেৱক এই চেগতে কৃতজ্ঞতা আৰু শলাগৰ শৰাই আগবঢ়াইছোঁ।

১০। ফাতেহা-ঈ-দোৱাজ্‌-দাহম ঃ মুছলমান সকলৰ পবিত্ৰ অনুষ্ঠান ফাতেহা-ঈ-দোৱাজ দাহম অনুষ্ঠানটি ২১-৮-৯৯ ইং তাৰিখে বেচ উলহ-মালহেৰে পালন কৰা হয়। উক্ত অনুষ্ঠানত উপস্থিত থকা নিমন্ত্ৰিত অতিথি সকলক এই চেগতে কৃতজ্ঞতা জনাইছোঁ।

আমাৰ মহাবিদ্যালয়ৰ অভাৱ সমূহ ঃ আমাৰ মহাবিদ্যালয় খন নানা অভাৱৰে আবৰি আছে। তাৰে কেইটামান আপোনালোকৰ লগতে কৰ্তৃপক্ষৰ দৃষ্টি গোচৰ কৰিলোঁ।

১। আমাৰ মহাবিদ্যালয়ৰ ১৯৯৯-২০০০ বৰ্ষত উচ্চতৰ মাধ্যমিক (কলা) শাখাত প্ৰথম বৰ্ষত মাত্ৰ ৩২০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে নাম ভৰ্তিৰ সুবিধা লাভ কৰে। কিন্তু এই সীমিত সংখ্যক আসনেৰে ছয়গাঁও বাসী ৰাইজৰ আশা বাস্তৱত ৰূপায়িত কৰিব নোৱাৰে বুলি আমি ভাবো সেয়ে কৰ্তৃপক্ষই প্ৰয়োজন সাপেক্ষে অধিক পৰিমাণে শিক্ষক নিয়োগ কৰাৰ লগতে শ্ৰেণী কোঠা বৃদ্ধি কৰি নাইবা (shift) শাখা মুকলি কৰি হ'লেও অধিক ছাত্ৰ-ছাত্ৰী নাম ভৰ্তি কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনালোঁ।

২। ছাত্ৰ-ছাত্ৰী অনুপাতে ডেস্ক-বেঞ্চৰ অভাৱ।

৩। উপযুক্ত চাইকেল আস্থানৰ অভাৱ।

৪। শৌচগাৰৰ অভাৱ লগতে উপযুক্ত প্ৰস্ৰাৱগাৰৰ অভাৱ।

৫। উপযুক্ত শ্ৰেণী কোঠাৰ অভাৱ।

৬। সুবিধাজনক পুথি ভৰাঁলৰ লগতে কিতাপ-পত্ৰৰ অভাৱ।

৭। ক্ৰীড়া বিষয়ক প্ৰয়োজনীয় সামগ্ৰীৰ অভাৱ।

৮। উপযুক্ত খেল পথাৰৰ অভাৱ।

৯। ছাত্ৰ একতা সভাৰ স্থায়ী কাৰ্যালয়ৰ অভাৱ।

১০। ছাত্ৰ আৰু ছাত্ৰীৰ জিৰণী কোঠাৰ অভাৱ।

১১। এই প্ৰতিবেদনৰ জৰিয়তে উক্ত অভাৱ সমূহ দূৰ কৰি মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশৰ লগতে সৌষ্ঠৱ বঢ়াবলৈ কৰ্তৃপক্ষক টানি অনুৰোধ জনালোঁ।

হে মৰমৰ ছাত্ৰ-ছাত্ৰী বন্ধু/বান্ধৱী সকল, মই স্বীকাৰ কৰিছোঁ এনেকুৱা অভাৱগ্ৰস্ত মহাবিদ্যালয় এখনত এটি বছৰতে সকলো সমস্যা সমাধান কৰিব পৰাতো অসম্ভৱ। কিন্তু মই ক'ব পাৰো যে মোৰ কাৰ্যকালত ৰাজনীতিৰ বাতাবৰণকে ধৰি বাহিৰা কোনো অশুভ শক্তিয়ে মহাবিদ্যালয় খনৰ শৈক্ষিক দিশত কোনো বাধা জন্মাব পৰা নাই।

গতিকে হে মহান ছাত্ৰ-ছাত্ৰী সকল আমাৰ মাজত কিছুমান ব্যক্তি আছে, তেওঁলোকে নিজৰ স্বাৰ্থ ৰক্ষাৰ বাবে নিজৰ বিবেক বিক্ৰী কৰি আন কিছুমান ব্যক্তিৰ অপকাৰ কৰে। গতিকে তেনেকুৱা ব্যক্তি সকলৰ পৰা আপোনালোক সদায় আঁতৰত থাকক।

কৃতজ্ঞতা জ্ঞাপন ঃ শেষত প্ৰতিটো কাৰ্যসূচীতে সহায়-সহযোগিতা আগবঢ়োৱা সতীৰ্থবৃন্দ, তত্বাৱধায়ক মহোদয়, অধ্যক্ষ মহোদয়, শিক্ষাগুৰু বৃন্দ আৰু কৰ্মচাৰী বৃন্দ আৰু উপ-সভাপতি মহোদয় (ছাত্ৰ একতা সভা)ৰ লগতে ছাত্ৰ একতা সভাৰ আটাইবোৰ সদস্যলৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি ছয়গাঁও মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদনৰ মোখনি মাৰিলোঁ।

ইতিত

ধন্যবাদেৰে

**শ্ৰীবিনোদ কুমাৰ কলিতা**



সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

১৯৯৮-৯৯

প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল সুহৃদয় দাদা, বাইদেউ, বন্ধু-বান্ধৱীয়ে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সহঃ সাধাৰণ সম্পাদকৰ পদত পোন প্ৰথম বাৰৰ বাবে বিপুল ভোটত জয়ী কৰি মহাবিদ্যালয়ৰ হকে সেৱা কৰিবলৈ সুযোগ দিলে, তাৰ বাবে আপোনালোক আটাইৰে ওচৰত মই চিৰ কৃতজ্ঞ।

আপোনালোকে বিগত নিৰ্বাচনত যি উদ্দেশ্য আগত ৰাখি সহঃ সাধাৰণ সম্পাদক ৰূপে নিৰ্বাচিত কৰিলে সেইটো কৰিব পাৰিলোনে নোৱাৰিলোঁ আপোনালোকৰ বিচাৰ্য। কিন্তু মই যি উদ্দেশ্য আগত ৰাখি মহাবিদ্যালয়খনৰ উন্নতিৰ হকে সেৱা কৰিম বুলি ভাবিছিলোঁ সেইখিনি অপূৰ্ণ হৈ থাকিল।

ইং ১৯৭৪ চনত যি সকল ব্যক্তিৰ আশাসুধীয়া চেষ্টাৰ ফলত ছয়গাঁৰৰ মাজ মজিয়াত মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰিলে, তেখেত সকললৈয়ো মই আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ। কিন্তু অতি দুখৰ বিষয় ২৫ বছৰীয়া এই মহাবিদ্যালয়খনৰ অভাৱৰ অৰ্ধ অংশৰো কিন্তু শাম কটা নাই।

মহাবিদ্যালয়খনৰ ল'ৰা-ছোৱালী অনুপাতে ডেস্ক-বেঞ্চ নাই, জিৰণী কোঠা, শৌচাগাৰ, খেলা-ধুলা কৰা ঠাইৰ অভাৱ, পুথি ভঁড়াল এটা আছে কিন্তু ছাত্ৰ-ছাত্ৰী অনুপাতে কিতাপ পত্ৰ যথেষ্ট নাই।

মোৰ কাৰ্যকালৰ সময় ছোৱাত সহায় সহযোগিতা আগবঢ়োৱা শ্ৰদ্ধেয় সৰ্বশ্ৰী তিলক, অমূল্য, ধন, মুনিন্দ্ৰ, বন্ধু মানস, তপন, হীৰক, বিপুল, ধ্ৰুৱ, বান্ধৱী ক্ৰমে ৰুবিলা, পূৰ্ণিমা, চুমি, অনিতা, মিটু, পিলিমা লগতে শুভকাংক্ষী দাদা, বাইদেউ আৰু বন্ধু বান্ধৱীক মোৰ কৃতজ্ঞতা জনাইছোঁ।

সদৌ শেষত মোৰ ভুল ত্ৰুটিৰ মাৰ্জনা বিচাৰি মহাবিদ্যালয় খনৰ উজ্বল ভৱিষ্যৎ কামনাৰে প্ৰতিবেদনৰ ইতিত ৰেখা টানিলোঁ।

বিনম্ৰতাৰে-

**শ্ৰীপ্ৰসন্ন কুমাৰ ঠাকুৰীয়া**



# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন

১৯৯৮-৯৯

কলা-সংস্কৃতি মানৱ জাতিৰ এটি অবিচ্ছেদ্য অংগ। কলা-সংস্কৃতিয়ে মানৱ জীৱনৰ প্ৰত্যেকৰে হৃদয়ত ভাতৃত্ব বোধৰ লহৰ তুলি একতাৰ এনাজৰিডাল সু-দৃঢ় কৰে। সেয়েহে সাংস্কৃতিক সম্পাদকৰ পদটি বাছি লৈছিলো আৰু ১৯৯৮-৯৯ বৰ্ষৰ ছয়গাঁও মহাবিদ্যালয়ৰ সাংস্কৃতিক সম্পাদকৰ পদত বিজয়ী হৈছিলো।

বহুতো আশা বুকুত বান্ধি মোৰ কালছোৱাত বিভিন্ন ধৰণৰ কামত আগবাঢ়িছিলো। কিন্তু কিছুমান অসুবিধাৰ ফলত পিচ হুহুকিব লগা হৈছিল। মোৰ কালছোৱাত আমাৰ মহাবিদ্যালয়ত অইন বেলিৰ দৰে এইবেলিও মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হৈছিল। সেই সময়ত দিহা-পৰামৰ্শ দি সকলো কামতে আগবঢ়াই নিয়া বাবে মোৰ তত্ত্বাৱধায়ক মাননীয় শ্ৰীযুত বানেশ্বৰ দাস দেৱৰ ওচৰত মই চিৰ কৃতজ্ঞ আৰু মহাবিদ্যালয় সপ্তাহত শ্ৰেষ্ঠ গায়িকাৰ সন্মান অৰ্জন কৰা মিচ্ প্ৰগতি দেৱানলৈ মই মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো। মোৰ কাৰ্যকাল ছোৱাত ১৯৯৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত কৰা আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ পৰা মাননীয় শ্ৰীযুত পৰেশ অধিকাৰী মহাশয়ৰ তত্ত্বাৱধানত অংশ গ্ৰহণ কৰাৰ সৌভাগ্য হয়।

এইখিনিতে মোৰ সকলো কামতে সহায় আগবঢ়োৱা মানৱ চৰকাৰ, হেমন্ত দাস, ৰঞ্জন বৰা, দুলু আৰু মোৰ অইন বন্ধু-বান্ধৱী সকললৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ। হে সংস্কৃতি প্ৰেমী সকল আপোনালোকে সু-প্ৰতিভাৰে নিজৰ তথা মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিবলৈ যত্নপৰ হওক। শেষত মোৰ কালছোৱাত যদি অজানিতে কিবা ভুল কৰিছিলো তাৰ বাবে মই মোৰ শিক্ষাগুৰু, দাদা-বাইদেউ আৰু মোৰ বন্ধু-বান্ধৱীৰ ওচৰত ক্ষমা বিচাৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু ছয়গাঁও মহাবিদ্যালয়

বিনম্ৰতাৰে-

শ্ৰীমানসজ্যোতি গোস্বামী



গুৰু খেল সম্পাদকৰ প্ৰতিবেদন

১৯৯৮-৯৯

জয় জয়তে মহাবিদ্যালয়ৰ যি সকল বন্ধু-বান্ধৱী তথা ছাত্ৰ-ছাত্ৰীয়ে মোক তেওঁলোক বহুমূলীয়া ভোটেৰে জয়ী কৰি মহাবিদ্যালয়ৰ সেৱা কৰাৰ সুযোগ কণ দিছে তেখেত সকলৈ মই এই প্ৰতিবেদনৰ জৰিয়তে অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

খেল হৈছে এবিধ শিক্ষাৰ অংগ। এই কথাটো আমি সকলোৱেই জানো। এজন খ্যাতি সম্পন্ন খেলুৱৈ হ'ব পৰাটো আমাৰ জাতি তথা দেশৰ গৌৰৱ। সেয়েহে মই মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীক আগন্তুক 'মহাবিদ্যালয় সপ্তাহ'ত তেওঁলোকৰ প্ৰতিভা বিকাশ কৰাৰ কাৰণে অনুৰো জনালোঁ।

আমাৰ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীয়ে খেল ধেমালিৰ কাৰণে যিখিনি সুবিধা পাব লাগে সেইটো কেতিয়াও পোৱা নাই। বিশেষকৈ খেল পথাৰৰ অভাৱ। আমাৰ মহাবিদ্যালয়ত খেল সঁজুলি ছাত্ৰ-ছাত্ৰীৰ তুলনাত নিচেই তাকৰ। সেয়েহে মই এই সুযোগতে আমাৰ মহাবিদ্যালয় কৰ্তৃপক্ষক টানি অনুৰোধ জনাওঁ যে তেখেতে যেন অতি সোনকালে এই অভাৱবোৰ পূৰণ কৰি ছাত্ৰ-ছাত্ৰী সকলৰ খেলৰ দিশটো অধিক টনকিয়াল কৰে। যিয়েই নহওক অইন বেলিৰ দৰে এইবেলিও 'মহাবিদ্যালয় সপ্তাহ' জাক জমকতাৱে অনুষ্ঠিত হৈ যায়। এইবাৰ 'মহাবিদ্যাল সপ্তাহ'ত বিভিন্ন খেল অনুষ্ঠিত কৰা হয়। অৰ্থৰ অভাৱত কিছুমান খেল বাতিল কৰিবলৈ বা হওঁ। আমাৰ ছাত্ৰ-ছাত্ৰীয়ে ইমান অভাৱৰ মাজতো প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি 'মহাবিদ্যাল সপ্তাহ' সফল কৰাত তেওঁলোকলৈ মই এই সুযোগতে ধন্যবাদ জ্ঞাপন কৰিছোঁ। লগতে শ্ৰে খেলুৱৈৰ সন্মান অৰ্জন কৰা ছাত্ৰৰ শ্ৰীপংকজ সাউদ আৰু ছাত্ৰীৰ মিচ্ ভানুপ্ৰিয়া ৰয় আৰু মি জয়া দাসলৈ মই শুভেচ্ছা যাচিছোঁ।

মোৰ কাৰ্যকালছোৱাত বিভিন্ন ধৰণে দিহা পৰামৰ্শ দি কাৰ্য পৰিচালনাত সহায় ক তত্বাৱধায়ক মাননীয় অধ্যাপক শ্ৰীযুত বিপিন পাঠক দেৱৰ লগতে মহাবিদ্যালয়ৰ সমূহ বাইদেউ তথা মোৰ শ্ৰদ্ধাৰ অধ্যক্ষ মাননীয় শ্ৰীযুত অৰুণ চন্দ্ৰ শৰ্মা দেৱক মই আন্তৰিক শ্ৰ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত ছয়গাঁও মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদ ইতিৰেখা টানিলোঁ।

"জয়তু ছয়গাঁও মহাবিদ্যালয়"

বিনম্ৰতাৰে-
শ্ৰীপংকজ দা



# লঘু খেল সম্পাদকৰ প্ৰতিবেদন

১৯৯৮-৯৯

১৯৯৮-৯৯ ইং বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ লঘুখেল বিভাগৰ সম্পাদক হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ সেৱা আগবঢ়াবলৈ সুযোগ দিয়া বাবে মহাবিদ্যালয়ৰ বন্ধু-বান্ধৱী, দাদা-বাইদেউলৈ প্ৰতিবেদনৰ পাতনিতে মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

আমি ছয়গাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাচতে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হয়। মহাবিদ্যালয় সপ্তাহত লঘুখেল বিভাগৰ অন্তৰ্গত খেল সমূহ যেনে- বেড়মিন্টন, ৰচীটনা আৰু ছোৱালীৰ মিউজিকেল চেয়াৰ খেল আদিত ল'ৰা-ছোৱালীৰ মানদণ্ড খুব উন্নত ধৰণৰ আছিল। প্ৰতিযোগিতা সমূহ চলাই নিয়াত আৰু সকলো সময়তে সহায় কৰা বন্ধু-বান্ধৱীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

মোৰ কাৰ্যকালত বিশেষ ধৰণে দিহা-পৰামৰ্শ দিয়াৰ লগতে কাৰ্য পৰিচালনাত সহায় কৰা তত্ত্বাৱধায়ক অধ্যাপক মাননীয় শ্ৰীযুত ধীৰেণ দাসদেৱ আৰু ছয়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীযুত অৰুণ চন্দ্ৰ শৰ্মাদেৱৰ লগতে মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকাকে মোৰ অন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত অজানিতে হোৱা ভুল-ভ্ৰান্তিৰ বাবে মাৰ্জনা বিচাৰি ছয়গাঁও মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যতৰ কামনাৰে মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

জয়তু ছয়গাঁও মহাবিদ্যালয়

ধন্যবাদেৰে-

শ্ৰীবিশ্বজিৎ সাউদ



# তর্ক আৰু আলোচনা চক্ৰ সম্পাদকৰ প্ৰতিবেদন

১৯৯৮-৯৯

**প্ৰতিবেদনৰ** পাতনিতে ১৯৯৮-৯৯ ইং চনৰ ছাত্ৰ একতা সভাৰ তর্ক আৰু আলোচ চক্ৰ বিভাগৰ সম্পাদকৰূপে নির্বাচিত কৰি মহাবিদ্যালয়ৰ সেৱা কৰিবলৈ সুযোগ কণ দিয়া বা এই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

তর্ক, আলোচনা চক্ৰ, আকস্মিক বক্তৃতা আৰু কুইজ আদি জ্ঞান বিকাশৰ অন্যতম আহিলা সৃষ্টিশীল, যুক্তিবাদী তর্ক, আলোচনা বা সমালোচনাৰ মাজেদি এখন সমাজৰ দোষ-ক্ৰটিবো আঙুলিয়াই দি সেই সমাজখন নিকা কৰিব পাৰি। ছাত্ৰ এজনৰ পঢ়াটোৱে প্ৰধান কর্তব্য যদি তর্ক, আলোচনা চক্ৰ, কুইজ আদিত নিয়মীয়া যোগদানেহে সেই ছাত্ৰজনৰ জ্ঞানৰ পৰিপূর্ণত লাভ কৰাত সহায় কৰে। যুক্তিবাদী তর্ক, আলোচনা, সুস্থ চিন্তা-চর্চাই প্ৰত্যেক গৰাকী ছাত্ৰ ছাত্ৰীকে দেশৰ সুনাগৰিক কৰি গঢ়ি তুলিব তাত নিশ্চয় সন্দেহৰ অৱকাশ নাই

বন্ধু-বান্ধৱী সকল, এটা নির্দিষ্ট সময় সীমাৰ ভিতৰত এটা সীমাবদ্ধ সুবিধাৰ মাজে আৰু এটা সীমিত অভিজ্ঞতাৰে আপোনালোকৰ বিকাশ ঘটোৱাত কিমান সহায় কৰিব পাৰিছে সেইটো আপোনালোকৰ বিচার্য। মোৰ কার্যকাল ছোৱাত 'মহাবিদ্যালয় সপ্তাহ'ৰ উপৰিও অর্থ অভাৱত মাত্ৰ এখনি তর্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এইবাৰ মহাবিদ্যালয় সপ্তাহত অনুষ্ঠি হোৱা প্ৰতিযোগিতা সমূহত প্ৰতিযোগীৰ সংখ্যা অভূতপূর্বভাৱে বৃদ্ধি হোৱা দেখি মনত ধাৰণা হৈছে যে মোৰ সেৱাই সফলতা অর্জন কৰিছে। 'মহাবিদ্যালয় সপ্তাহ'ৰ কুইজ প্ৰতিযোগিতা ১৫ টা দলৰ অংশ গ্ৰহণে মোৰ ধাৰণা দৃঢ়তৰ কৰিছে কিন্তু শ্ৰোতাৰ অভাৱ বাৰুকৈয়ে পৰিলক্ষি হৈছিল। এতিয়াৰ যুগটো হৈছে প্ৰতিযোগিতাৰ যুগ। ছাত্ৰ-ছাত্ৰীৰ প্ৰধান কর্তব্য পঢ়াৰ লগে বিভিন্ন অনুষ্ঠানত যোগদান কৰি নিজকে আগুৱাই নিয়াৰ যুগ। সভা এখন পাতিলে আপু পোনে পোনে ঘৰলৈ নগৈ সভাখনত উপস্থিত হওকচোন; কিজানি আপোনাৰ উৱলি যোৱা ঘৰটি বান্ধি দিবৰ বাবে আলোচনা কৰিবলৈ সেই সভাখন অনুষ্ঠিত কৰা হৈছে। আহক প্ৰিয় বন্ধু বান্ধৱী সকল আমি আটায়ে বিভিন্ন সভা-সমিতিত অংশ গ্ৰহণ কৰিব পৰা মানসিকতা গঢ়ি লও

শেষত মোৰ কার্যকাল ছোৱাত সকলো সময়তে উপদেশ তথা প্ৰতিযোগিতা সমূ সুচাৰুৰূপে পৰিচালনা কৰি শ্ৰদ্ধাৰ শিক্ষাগুৰু শ্ৰীযুত নৰ কুমাৰ কলিতা মহাশয়ে মোৰ কর্ত পৰিচালনাত সহায় কৰি যি বদান্যতাৰ পৰিচয় দিলে তাৰ বাবে চিৰদিনলৈ মনত থাকিব। লগ বিভিন্ন দিশতে সহায় কৰি অহা বাবে দেৱ কুমাৰ মেধিদালৈ আৰু বান্ধৱী বিজুলী কলিতা, ঠাকুৰীয়া আৰু প্ৰতিভা নাথলৈ মোৰ শলাগৰ শৰাই আগবঢ়াইছোঁ।

সদৌ শেষত মোৰ জ্ঞাত-অজ্ঞাত ভুল-ক্ৰটিৰ বাবে সমূহ বন্ধু-বান্ধৱী তথা ছাত্ৰ-ছাত্ৰী ওচৰত ক্ষমা ভিক্ষা মাগি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ। ইতি

জয়তু জয়গাঁও মহাবিদ্যালয়

ধন্যবাদেৰে-

**শ্ৰীপূর্ণজিৎ মজুমদা**



# সমাজ সেৱা সম্পাদকৰ প্ৰতিবেদন

১৯৯৮-৯৯

১৯৯৮-৯৯ ইং বৰ্ষৰ ছয়গাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত "সমাজ সেৱা" বিভাগৰ সম্পাদক ৰূপে গুৰু দায়িত্ব অৰ্পণ কৰি মহাবিদ্যালয় খনৰ সেৱা কৰাৰ সুযোগ কণ দিয়া বাবে মহাবিদ্যালৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

বহু আশা বুকুত বান্ধি মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত তুমুল প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছিলো ঠিকেই, কিন্তু খোকোজা লাগিল তেতিয়া, যেতিয়া ছাত্ৰ একতা সভাৰ মাজত সোমাইয়ে চকুত পৰিছিল এখন সম্পূৰ্ণ ওলোটা প্ৰতিচ্ছবি। সকলোৱে দেখোন নিজক লৈয়ে ব্যস্ত। সেয়েহে ময়ো কেনেকৈ মোৰ কাৰ্যকাল নিয়াৰিকৈ সমাপ্ত কৰিব পাৰো তাৰেই চিন্তাত ব্ৰতী হ'লো। যাৰ ফলত মোৰ হৃদয়ৰ আশাবোৰ আশা হৈয়ে ৰ'ল।

